● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

সপোন দেখাটোও দৰাচলতে পৰিকল্পনাৰে এটি ৰূপ।

গ্ল'ৰিয়া ষ্টাইনেম
*আমেৰিকাৰ সাংবাদিক*



www.dainikagradoot.in

৭ এবছৰত দেশত পথ দুৰ্ঘটনাত ১.৭৩ লাখৰ মৃত্যু
১৫ নৰ্থ চেনেল সাঁতুৰিবলৈ সাজু এলভিছ
৪ মুক্ত কণ্ঠৰ পৰা ইন্টাৰনেটলৈ প্ৰচণ্ড প্ৰত্যাহ্বান

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩২১তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৪ ভাদ ১৪২৯ ভাস্কৰাব্দ ৩১ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 31 August 2022 মূল্য ঃ ৯.০০ টকা

■ ৰাজ্যিক নেতৃত্বৰ লগত গুৱাহাটীত বৈঠক ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদকৰ ■ নিৰ্বাচনী মিত্ৰতাক লৈ চলিছে হিচাপ-নিকাচ

## উত্তৰ-পূবৰ আঠ ৰাজ্যৰ ২৫ সমষ্টিক কংগ্ৰেছমুক্ত কৰাই লক্ষ্য বিজেপিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ আগষ্ট ঃ** লোকসভা নিৰ্বাচনলৈ ব্যাপক প্ৰস্তুতি আৰম্ভ কৰা বিজেপিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ ২৫ টা লোকসভা সমষ্টিক বিৰোধী তথা প্ৰধানকৈ কংগ্ৰেছমুক্ত কৰাৰ লক্ষ্য লৈছে। এই লক্ষ্যৰ অংশৰূপে ৰাজ্যকেইখনত সংগঠনৰ বুজ লোৱা আৰু দুৰ্বলতা আঁতৰাই অধিক সবল কৰাৰ উদ্দেশ্যে আজি ইয়াৰ পদ্মভৱনত বিজেপিৰ ৰাষ্ট্ৰীয় সাংগঠনিক সম্পাদক বি এল সন্তোষৰ স'তে আটাইকেইখন ৰাজ্যৰ সভাপতি আৰু প্ৰভাৰীসকলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। কালি উদ্বোধন কৰা বিজেপিৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত লোকসভা নিৰ্বাচনত দলটোৱে কমেও ১৮ খন আসন দখল নিশ্চিত কৰাৰ বিষয়ে আলোচনা কৰে। এই লক্ষ্যত উপনীত হ'বলৈ সংগঠন বৃদ্ধিত সৰ্বাধিক গুৰুত্ব দিবলৈ সন্তোষে সকলোকে পৰামৰ্শ দিয়ে। উল্লেখ্য যে উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যত বিজেপিৰ দখলত থকা সমষ্টিৰ সংখ্যা হ'ল ১৪ টা। *১০ পৃষ্ঠাত চাওক*

■ গোসাঁইগাঁৱত পুনৰ ডাইনী কাণ্ড ■ হত্যাৰ পৰিকল্পনাৰে পুৰোহিতে ডাইনী ঘোষণা কৰি ত্ৰিশূলেৰে আক্ৰমণ ■ দুবাৰকৈ অভিযুক্তক কৰায়ত্ত কৰাত বিফল হৈ উভতিল অসহায় আৰক্ষী

## মহিলাক ডাইনী অপবাদ দি হত্যাৰ চেষ্টা



### আৰক্ষীক অক্ৰমণ কৰিবলৈ উদ্যত শ শ লোক

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ৩০ আগষ্ট ঃ** অন্ধবিশ্বাস আৰু কুপ্ৰথা দূৰীকৰণৰ বাবে বিভিন্ন ব্যক্তি তথা দল-সংগঠনে সমাজত সজাগতা সৃষ্টিৰ প্ৰচেষ্টা চলাই আহিছে যদিও সমাজৰ একাংশ লোকৰ মাজত এতিয়াও ডাইনী সজাই হত্যা-হাৰাশাস্তিৰ ঘটনা সংঘটিত হৈ আছে। অন্ধবিশ্বাসী লোকৰ মনৰ পৰা এতিয়াও ডায়না-ডাইনী বিষয়টো দূৰ হোৱা নাই। অন্ধবিশ্বাস আৰু কু-সংস্কাৰক অস্ত্ৰ কৰি সমাজৰ একাংশ চতুৰ লোকে নিৰীহ লোকক লক্ষ্য কৰি বিভিন্ন ধৰণে যে হাৰাশাস্তি কৰি আহিছে ইয়াৰ জ্বলন্ত নিদৰ্শন আজি গোসাঁইগাঁও মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ চৰাইবিলত *১০ পৃষ্ঠাত চাওক*

সন্ত্ৰাসবাদী সংগঠন অলকায়দাৰে সংযোগ

## অসম-ত্ৰিপুৰাৰ আঠজনক অভিযুক্ত কৰি এন আই এৰ অভিযোগনামা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ আগষ্ট ঃ** অসমত অল কায়দাৰ নীতি অনুসৰণ কৰা বাংলাদেশী জেহাদী সংগঠনৰ নেতা-সদস্যৰ বিৰুদ্ধে অব্যাহত থকা অভিযানৰ মাজতে আজি ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা (এনআইএ)-ই এই সংক্ৰান্তত ইয়াৰ প্ৰথমখন অভিযোগনামা বিশেষ আদালতত দাখিল কৰে। ইয়াত ত্ৰিপুৰাৰ *ছয় পৃষ্ঠাত চাওক*

■ ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত ■ সফল ৰাজ্যৰ মুখ্য সচিবক চিন্তন বৈঠকত আঁচনি ৰূপায়ণৰ পৰামৰ্শ ল'ব চৰকাৰে ■ ন-১০-১১-১২ ফেব্ৰুৱাৰীত পিতৃ-মাতৃ বন্দনাৰ বাবে বিশেষ ছুটী

# বাতিল হ'ব ৰাজ্যত বলৱৎ ৩২৯খন আইন



*বিদ্যালয় বন্ধৰ চৰকাৰী সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ গাৰো ছাত্ৰ সন্থাৰ, বকোত মঙলবাৰে।*

লাচিত দিৱসৰ কাৰ্যসূচী হ'ব দিল্লীত ■ ন্যায়াধীশৰ সমমৰ্যাদাৰ হ'ব ৰাজ্যিক নিৰ্বাচন আয়ুক্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ আগষ্ট ঃ** অসম চৰকাৰে ৰাজ্যত বলৱৎ হৈ থকা ৩২৯ খন আইন বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি জনতা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেটত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বাতিল হ'বলগীয়া আইনৰ সংখ্যা বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলিও মন্ত্ৰী কেশৱ মহন্তই সদৰী কৰে। বাতিল হ'বলগীয়া আইনৰ জৰিয়তে অসম চৰকাৰৰো লাভ হ'ব বুলি মহন্তই উল্লেখ কৰে। কেবিনেট বৈঠকৰ পাছত এক সংবাদমেলত মহন্তই কয়, 'প্ৰযোজ্য হৈ থাকিলেও আমি কিছু পুৰণি আইন বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। তদুপৰি অসমত এনে কে'বাখনো আইন বলৱৎ হৈ আছে যিবোৰ কেন্দ্ৰীয় চৰকাৰৰ অধীনতো প্ৰযোজ্য। গতিকে তেনে ৩২৯ খন আইন বাতিলৰ সিদ্ধান্ত লোৱা হৈছে। আৰু কে'বাখনো আইনক লৈ পৰ্যালোচনা চলি আছে। গতিকে দুই-এখন বাঢ়িব পাৰে। আইন বাতিলৰ প্ৰস্তাৱটো আগন্তুক বিধানসভাত উত্থাপন কৰা হ'ব। বাতিল হ'বলগীয়া দুখন বিশেষ আইন হ'ল ভূদান আৰু গ্ৰামদান। এই আইন দুখন বাতিল হ'লে অসম চৰকাৰে প্ৰায় ১০,৮৯৭ বিঘা দুই কঠা চৰকাৰী ভূমি পাব। এই ভূমিত কৰ'বাত যদি বেদখল আছে তেনেহ'লে বেদখলকাৰীক নিয়মৰ মাজেৰে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হ'ব।' *১০ পৃষ্ঠাত চাওক*

খুন্দিয়াই পলায়ন কৰা বাছ জব্দ আৰক্ষীৰ

## বৰপেটা চহৰত পথ দুৰ্ঘটনাত ব্যৱসায়ীৰ মৃত্যু

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৩০ আগষ্ট ঃ** বৰপেটা চহৰৰ মাজমজিয়াত অৱস্থিত ক্লাব ৰাইনোৰ সন্মুখত আজি বিয়লি প্ৰায় চাৰি বজাত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন ব্যৱসায়ীৰ থিতাতে মৃত্যু হয়। নিহত ব্যৱসায়ীজন হ'ল বৰপেটা ফাটাহাটী নিবাসী মুনী দাস। তেওঁ ক্লাব ৰাইনোৰ সন্মুখত এখন সৰু দোকানৰ জৰিয়তে *ছয় পৃষ্ঠাত চাওক*

■ কাক উদ্দেশ্য কৰি ক'লে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ■ বিজেপিতে ব্যাপক চৰ্চা

## ২০২৯ পৰ্যন্ত বিকল্প নাই নৰেন্দ্ৰ মোদীৰ



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩০ আগষ্ট ঃ** দেশৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী কোন হ'ব? নৰেন্দ্ৰ মোদী নে আন কোনোবা? ইয়াকে লৈ বিজেপিৰ ভিতৰে-বাহিৰে চৰ্চা চলি থকাৰ সময়তে অলপতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে ২০২৪ত মোদীৰ নেতৃত্বতে লোকসভা নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতা কৰিব দলে। ইয়াৰ পাছত আজি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এখোপ ওপৰলৈ গৈ কয় যে ২০২৯ৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীৰ বিকল্প বিচৰাৰ প্ৰয়োজন নাই। দিল্লীত এক গ্ৰন্থ উন্মোচনী অনুষ্ঠানত তেওঁ কয় যে ২০২৯ পৰ্যন্ত বিৰোধীয়ে প্ৰধানমন্ত্ৰীৰ বিকল্প বিচৰাৰ প্ৰয়োজন নাই। বিৰোধীক উদ্দেশি তেওঁ এই বাৰ্তা প্ৰেৰণ কৰিলেও দৰাচলতে দলৰ ভিতৰচ'ৰালৈও বৰ্ষীয়ান নেতাজনে বাৰ্তা বিয়পাই দিবলৈ বিচৰা *১০ পৃষ্ঠাত চাওক*

## আনন্দৰাম বৰুৱা বঁটাৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম তিনি সহস্ৰাধিক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ আগষ্ট ঃ** ৰাজ্য চৰকাৰে প্ৰতি বছৰে প্ৰদান কৰা আনন্দৰাম বৰুৱা বঁটা লাভৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম ঘটিছে চলিত বৰ্ষৰ মেট্ৰিক-হাইমাদ্ৰাছাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৰাজ্যৰ তিনি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী। হাইস্কুল শিক্ষান্ত *১০ পৃষ্ঠাত চাওক*

## পঞ্চমবাৰৰ বাবে একেৰাহে নাৰীৰ বিৰুদ্ধে হত্যাৰ সৰ্বাধিক হাৰ অসমত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ আগষ্ট ঃ** নাৰীৰ বিৰুদ্ধে অপৰাধৰ মাত্ৰাই এখন সমাজৰ শৃংখলাবদ্ধতা আৰু সভ্য আচৰণৰ মাপকাঠি নিৰ্ণয় কৰে। অসম চৰকাৰ, আৰক্ষী-প্ৰশাসনে ৰাজ্যত নাৰীৰ অপৰাধৰ বিৰুদ্ধে কঠোৰতা অৱলম্বনৰ কথা ক'লেও ৰাষ্ট্ৰীয় অপৰাধ ৰেকৰ্ড ব্যুৰ' (এনচিআৰবি)ৰ তথ্যই উদ্বেগজনক ছবি উদঙাইছে। দুৰ্ভাগ্যজনকভাৱে দেশৰ ভিতৰত নাৰীৰ বিৰুদ্ধে অপৰাধৰ ঘটনাৰ সৰ্বাধিক হাৰ হৈছে অসমত। দেশৰ ভিতৰত পঞ্চমবাৰৰ বাবে একেৰাহে নাৰীৰ বিৰুদ্ধে অপৰাধৰ হাৰ সৰ্বাধিক অসমত। ২০২১ৰ এনচিআৰবিৰ প্ৰতিবেদনে এই তথ্য উদঙাইছে। বিগত বৰ্ষত অসমত নাৰীৰ বিৰুদ্ধে অপৰাধৰ হাৰ ১৬৮.৩, এই *১০ পৃষ্ঠাত চাওক*

## বোকাখাতত গঁড়ৰ খৰ্গসহ দুজনক আটক

**অগ্ৰদূত বাৰ্তা**
**বোকাখাত, ৩০ আগষ্ট ঃ** বোকাখাত আৰক্ষীয়ে আজি চলোৱা এক অভিযানত গড়ৰ খৰ্গসহ দুজন লোকক কৰায়ত্ত কৰে। বোকাখাত আৰক্ষীয়ে নগৰৰ সমীপৰ চিপাহী গাঁৱৰ ভক্ত বাহাদুৰ থাপা নামৰ লোকজনৰ ঘৰত তালাচী চলাই এখন মোনাত *ছয় পৃষ্ঠাত চাওক*

## নতুনকৈ ১০ হেজাৰ চাকৰি প্ৰদানৰ পৰিকল্পনা ৰাজ্য চৰকাৰৰ ঃ মুখ্যমন্ত্ৰী

**অগ্ৰদূত বাৰ্তা**
**টংলা, ৩০ আগষ্ট ঃ** 'ছেপ্টেম্বৰত পাঁচটা বেটেলিয়ন কমাণ্ডো বাহিনী গঠনৰ লগতে আৰু ১০ হেজাৰ চাকৰি প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। ৰাজ্যখনক সৰ্বদিশতে আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি ওদালগুৰি জিলাৰ অসম-অৰুণাচল প্ৰদেশ আৰু ভূটানৰ ত্ৰিবেণী সংগমত অৱস্থিত ৰাজ্যৰ অন্যতম জনপ্ৰিয় *১০ পৃষ্ঠাত চাওক*



## কৰিমগঞ্জত পাঁচ হেজাৰ কিলোগ্ৰাম গাঞ্জা জব্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ আগষ্ট ঃ** ৰাজ্যত গাঞ্জা জব্দৰ পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি অসম-ত্ৰিপুৰাৰ সীমান্তত কৰিমগঞ্জ আৰক্ষীয়ে ৪,৭২৮ কিলোগ্ৰাম গাঞ্জা জব্দ কৰে। প্ৰায় পাঁচ কোটি টকা মূল্যৰ গাঞ্জাখিনি *১০ পৃষ্ঠাত চাওক*

দেশত বিভিন্ন দুৰ্ঘটনাত এবছৰত আকস্মিক মৃত্যু ৩,৯৭,৫৩০ জনৰ ঃ এনচিআৰবিৰ তথ্য

## ৰাজ্যত এবছৰত ৭,০৬৯টা পথ দুৰ্ঘটনাত ৩,০১৪জনৰ মৃত্যু, ৫,৪২০জন আহত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ আগষ্ট ঃ** ২০২০ বৰ্ষৰ তুলনাত ২০২১ বৰ্ষত দেশত বৃদ্ধি পালে বিভিন্ন দুৰ্ঘটনাত আকস্মিক মৃত্যুৰ সংখ্যা। ৰাষ্ট্ৰীয় অপৰাধ ৰেকৰ্ড ব্যুৰ' (এনচিআৰবি)ৰে প্ৰকাশ কৰা তথ্য অনুসৰি, ২০২০ত দেশত ৩,৪৪,৩৯৭ জনে আকস্মিক মৃত্যুক সাবটি লৈছিল অৰ্থাৎ উল্লিখিত বৰ্ষটোত ইয়াৰ হাৰ আছিল ২৭.৭ শতাংশ। এই হাৰ অতিক্ৰম কৰি ২০২১ বৰ্ষত ২৯.১ শতাংশ হাৰেৰে দেশত ৩,৯৭,৫৩০ জনে *১০ পৃষ্ঠাত চাওক*

## সাৰদা গোচৰত যুৱ কংগ্ৰেছৰ সভানেত্ৰী অংকিতা দত্তক আদালতৰ চমন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ আগষ্ট ঃ** কেন্দ্ৰীয় অনুসন্ধান সংস্থা (চিবিআই)ই অনুসন্ধান চলাই থকা সাৰদা কেলেংকাৰিৰ বিচাৰ প্ৰক্ৰিয়াৰ অংশ হিচাপে অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভানেত্ৰী অংকিতা দত্তক আদালতত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৬° |
| ডিব্ৰুগড় | ২৯° | ২৫° |
| দিল্লী | ৩৩° | ২৮° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ৩২° | ২৬° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২৩° | ১৮° |

*৩০ আগষ্ট, ২০২২*

■ শ্ৰীমন্ত শংকৰদেৱক অপমানৰ অভিযোগ ■ তেজপুৰত ডাইমেন্সন একাডেমীৰ ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া ■ মধুপুৰ সত্ৰ সমিতিৰ গৰিহণা

## গুৰুজনাৰ তিথিত পশ্চিমীয়া সংগীত বিহুগীতৰ সুৰত উদ্দাম নৃত্য-বৰগীত

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**তেজপুৰ/হাউলী, ৩০ আগষ্ট ঃ** বৃহত্তৰ অসমীয়া সমাজ গঢ়োতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৪সংখ্যক তিৰোভাৱ তিথিৰ দিনটোত তেজপুৰৰ এখন কনিষ্ঠ মহাবিদ্যালয় ডাইমেন্সন একাডেমী নামৰ বেচৰকাৰী শিক্ষা অনুষ্ঠানখনত কালি শিক্ষানুষ্ঠানখনৰে একাংশ ছাত্ৰ-ছাত্ৰীয়ে হিন্দী গীতৰ তালত কৰা উদ্দাম নৃত্যৰ দৃশ্যই ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত আজিও তেজপুৰত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে। বিগত সময়ছোৱাত শৈক্ষিক ফলাফলৰ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰা তেজপুৰৰ নিকটৱৰ্তী মাজগাঁৱত থকা শিক্ষানুষ্ঠানখনত কালি একাংশ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সংঘটিত এনে অমাৰ্জিত আচৰণক লৈ তেজপুৰতো বিভিন্নজনে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। অৱশ্যে হিন্দী গীতৰ তালত একাংশ ছাত্ৰ-ছাত্ৰীৰ উদ্দাম নৃত্যৰ দৃশ্যাংশ আৰু ইয়াকে লৈ ৰাজ্যজুৰি সৃষ্ট ব্যাপক প্ৰতিক্ৰিয়াৰ বিপৰীতে ডাইমেন্সন একাডেমী কৰ্তৃপক্ষই এই ঘটনাৰ শংকৰদেৱৰ তিথিৰ স'তে *১০ পৃষ্ঠাত চাওক*

## স্বাস্থ্য পৰীক্ষাৰ বাবে নিয়া চোৰ পলাল হেণ্ডকাফ খুলি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৩০ আগষ্ট ঃ** আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ সুযোগ লৈ স্বাস্থ্য পৰীক্ষা কৰিবলৈ নিয়া এক চোৰে আজি বিয়লি যোৰহাট চিকিৎসা মহাবিদ্যালয় *১০ পৃষ্ঠাত চাওক*

■ জিএমচিএইছত সফতাৰে সম্পন্ন হ'ল ব'ন মেৰো ট্ৰান্সপ্লাণ্ট

## ৰাজ্যৰ ৮০ শতাংশ লোকলৈ আগবঢ়োৱা হ'ব 'আয়ুষ্মান ভাৰত' কাৰ্ড ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ আগষ্ট ঃ** জীৱন ৰক্ষাৰ যুঁজত এতিয়াৰে পৰা আৰু দুৰাৰোগ্য ৰোগাক্ৰান্তৰ বাবে হেঙাৰ নহ'ব আৰ্থিক অনাটন। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত আৰম্ভ হ'ল অতি খৰচী 'ব'ন মেৰো ট্ৰান্সপ্লাণ্ট' অৰ্থাৎ হাড়ৰ মজ্জা সংৰোপণ। ইতিমধ্যে কামৰূপ জিলাৰ কমলপুৰৰ ৪৫ বছৰ বয়সীয়া এজন ব্যক্তিৰ দেহত জিএমচিএইছত সফলতাৰে সম্পন্ন হৈছে হাড়ৰ মজ্জা সংৰোপণ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জি এম চি হাস্পতালত এক সংবাদমেলত এই সফল চিকিৎসা সেৱাৰ কথা সদৰী কৰি কয় যে হাস্পতালখনৰ হেমাট'লজী বিভাগৰ মুৰব্বী ডাঃ জিনা ভট্টাচাৰ্যৰ নেতৃত্বত কে'বাটাও বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ সহযোগত এই জটিল কাৰ্য সফলতাৰে সম্পন্ন হৈছে। চিকিৎসকৰ দলটোৰ এই সফলতাৰ বাবে সংশ্লিষ্ট সকলো পক্ষকে অভিনন্দন *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*মোৰ অঞ্চলত ভিক্ষা খুজিবলৈ আহিলি যে, চোৰাংচোৱা লগাই দিম নেকি! পাবি মজা!*

■ উন্নয়নৰ নামত প্ৰকৃতিৰ ওপৰত চলা অত্যাচাৰৰ দুৰ্ভাগ্যজনক পৰিৱেশ শোণিতপুৰত

## জীয়াভৰলীৰ বালি খননত বিপৰ্যয়ৰ আশংকা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৩০ আগষ্ট ঃ** উন্নয়নৰ নামত প্ৰকৃতিৰ ওপৰত অত্যাচাৰ চলোৱা একাংশ অদূৰদৰ্শী প্ৰতিষ্ঠান তথা স্বাৰ্থপৰ লোকৰ বাবেই একোটা বৃহৎ অঞ্চল ভয়ংকৰ বিপদৰ সন্মুখীন হৈ অহা সত্ত্বেও এনে প্ৰকৃতি বিৰুদ্ধ কাৰ্যকলাপ পূৰ্ণগতিত অব্যাহত আছে। তেজপুৰৰ নিকটৱৰ্তী ৰঙাপৰা বিধানসভা সমষ্টিৰ ডিকৰাইজানত আৰএছএম নামৰ কোম্পানীটোৱে জীয়াভৰলীৰ বুকুত জধে-মধে খনন চলাই বালি সংগ্ৰহ কৰা ঘটনাই কাষৰীয়া অঞ্চললৈ বিপৰ্যয়ৰ সংকেত কঢ়িয়াই অনাৰ লগতে সম্প্ৰতি এই কোম্পানীটোৰ ছত্ৰছায়াতে একাংশ লোকে নৈৰ পাৰৰ উপৰি ম্যাদী ভূমিতো বলপূৰ্বক *১০ পৃষ্ঠাত চাওক*



■ সংশ্লিষ্ট আৰক্ষী সঞ্চালকপ্ৰধানসকলৰ মাজত নিয়মীয়া যোগাযোগ

## অসমৰ পৰা অন্যান্য ৰাজ্যলৈ বাহৰ সলনি কৰিছে বাংলাদেশী জেহাদীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ আগষ্ট ঃ** অসমত এই পৰ্যন্ত উপস্থিতি তথা সক্ৰিয়তা ধৰা পৰা জেহাদী সংগঠনবোৰৰ ভিতৰত আনছাৰুল্লা বাংলা টীম (এবিটি)-এ সংগঠন আটাইতকৈ বেছি সম্প্ৰসাৰণ কৰিবলৈ সক্ষম হৈছে বুলি তদন্তকাৰী সংস্থাবোৰে আশংকা ব্যক্ত কৰিছে। সেয়েহে এতিয়ালৈকে সংগঠনটোৰ বাংলাদেশী নেতাৰ পৰা স্থানীয় পৰ্যায়ৰ বহু সদস্য ধৰা পৰিলেও বৃহৎসংখ্যকৰ তথ্য অদ্যাপি পোহৰলৈ অহা নাই। এই ক্ষেত্ৰত সংগঠনটোৱে অৱলম্বন কৰা কঠোৰ গোপনীয়তায়ো তদন্তকাৰী সংস্থাবোৰক অধিক তথ্য উদ্ধাৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। সংগঠনটোত 'কাট অফ' শব্দটোৰ বহুল ব্যৱহাৰৰ বিষয়ে উল্লেখ কৰি অসম আৰক্ষীৰ শীৰ্ষ সূত্ৰই সদৰী কৰে যে তাৰ বাবেই এবিটিৰ এটা গোট আনটো গোটৰ বিষয়ে অজ্ঞ। ইয়াৰ পৰিপ্ৰেক্ষিতত মৰিগাঁৱত এবিটিৰ *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী বুধবাৰ ১৪ ভাদ ১৪২৯ ভাস্কৰাব্দ ৩১ আগষ্ট ২০২২

# সুবিধা প্ৰদানৰ আঁৰত

যি সময়ত ৰাজনৈতিক দল, নেতাসকলে তেওঁলোকৰ ৰাজনৈতিক প্ৰভাৱ আৰু সমৰ্থন জনসাধাৰণৰ মাজত বৃদ্ধিৰ বাবে বিনামূলীয়া আঁচনি ঘোষণা কৰাক লৈ আদালতৰ ভিতৰে-বাহিৰে বিতৰ্কৰ সৃষ্টি হৈছে, ঠিক সেই সময়তেই কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ৰ কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত ন্যায়াধীশসকলৰ বাবে কেতবোৰ চকুত লগা সা-সুবিধা ঘোষণা কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে।

যোৱা শুকুৰবাৰে কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ অধিনিয়ম দ্বিতীয়বাৰৰ বাবে একেটা সপ্তাহতে সংশোধন কৰি উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ আৰু এই আদালতৰ অন্যান্য ন্যায়াধীশসকলৰ বাবে ঘৰুৱা লগুৱা, গাড়ীচালক আদিৰ সুবিধা আজীৱন কালৰ বাবে প্ৰদানৰ ব্যৱস্থা কৰিছে। তদুপৰি অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশে এগৰাকী সচিবো পাব আৰু দা-দৰমহা চৰকাৰে আগবঢ়াব। আগেয়ে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে অৱসৰ গ্ৰহণ কৰিলে তেওঁ মাত্ৰ এবছৰৰ বাবে নিৰাপত্তা পাইছিল। এতিয়া এই অধিনিয়ম সলনি কৰি মুখ্য ন্যায়াধীশক পাঁচ বছৰৰ বাবে সম্পূৰ্ণ নিৰাপত্তা বলয়ত ৰখাৰ লগতে উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশসকলক তিনি বছৰৰ বাবে নিৰাপত্তা দিব চৰকাৰে। তদুপৰি পাব বিমানকোঠত লাউঞ্জৰ সা-সুবিধা, ৪,২০০ টকালৈকে মাহিলী ফোনৰ বিলৰ ধনো চৰকাৰে পৰিশোধ কৰিব।

হঠাৎ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকললৈ ইমান সা-সুবিধা আগবঢ়াবলৈ চৰকাৰে কিয় আগ্ৰহ দেখুৱালে সেয়া বিচাৰ্য। ন্যায়পালিকাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিয়েই চৰকাৰে এনে ধৰণৰ মহানুভৱতা দেখুৱাইছে বুলিও ভাবিব পাৰি; কিন্তু কিছুদিন আগেয়ে উচ্চতম ন্যায়ালয়ৰ বিদায়ী মুখ্য ন্যায়াধীশ এন ভি ৰামানাই উদ্বিগ্নতা প্ৰকাশ কৰি কৈছিল যে চৰকাৰৰ মাজত আদালত অৱমাননাৰ মাত্ৰা বৃদ্ধি পাইছে। যদি সেয়ে হয়, তেনেহ'লে চৰকাৰে আদালত অথবা ন্যায়াধীশসকলক ভাল পাই এনে ধৰণৰ সুবিধা আগবঢ়াইছে বুলি ভাবিব নোৱাৰি।

কোনো কোনোৱে ক'ব খোজে যে কেন্দ্ৰীয় চৰকাৰে ন্যায়পালিকাক প্ৰভাৱান্বিত কৰাৰ বাবেই এনে ধৰণৰ বিনামূলীয়া সা-সুবিধা আগবঢ়াইছে। এওঁলোকৰ ধাৰণা অমূলক বুলি কোৱাৰো থল নাই। কেন্দ্ৰীয় চৰকাৰে ন্যায়াধীশ নিযুক্তি আয়োগ গঠন কৰি ন্যায়াধীশ নিযুক্তিত চৰকাৰৰ হস্তক্ষেপ কপকপীয়া কৰিবলৈ বিচাৰিছিল। পিছে উচ্চতম ন্যায়ালয়ে চৰকাৰে গৃহীত কৰা এই বিধেয়কখন নাকচ কৰি ন্যায়াধীশ নিযুক্তিৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ দ্বাৰা পৰিচালিত কলেজিয়াম ব্যৱস্থাকেই বাহাল ৰাখে। চৰকাৰে ন্যায়পালিকাৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ আনিব নোৱাৰি এতিয়া আওপাকে ন্যায়পালিকাক নিয়ন্ত্ৰণ কৰিবলৈ ওলাইছে নেকি বুলিও প্ৰশ্ন উত্থাপিত হৈছে।

বহুতে আকৌ এই প্ৰশ্নও উত্থাপন কৰিছে অকল উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলক কিয়, উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলকো একেই ধৰণৰ সুবিধা চৰকাৰে আগবঢ়োৱা উচিত আছিল। নিম্ন আদালতৰ ন্যায়াধীশসকলেও সমানুপাতিকভাৱে এনেবোৰ সা-সুবিধা পোৱা উচিত। চৰকাৰে পিছে উচ্চ ন্যায়ালয় আৰু নিম্ন আদালতৰ ন্যায়াধীশসকললৈ এনে ধৰণৰ বিনামূলীয়া সা-সুবিধা আগবঢ়োৱা নাই। তাৰ কাৰণ চৰকাৰে জানিব; কিন্তু এই ক্ষেত্ৰত জনসাধাৰণ সন্দেহবাদী হোৱাটো অযুক্তিকৰ বুলি ক'ব নোৱাৰি।

## খোলা মঞ্চ

### অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা



'অগ্ৰদূত' এখন জনপ্ৰিয় বাতৰি কাকত। আৰম্ভণিৰ পৰাই কাকতখনৰ লগত মোৰ সম্পৰ্ক। মালিগাঁৱৰ বাসিন্দা হিচাপে 'অগ্ৰদূত'ৰ চালিকা শক্তি কনকসেন ডেকাকো তেতিয়াৰ পৰাই জানো।

'অগ্ৰদূত' কাকতখনে 'অৰ্ধ-শতিকা অতিক্ৰম কৰা বাতৰি লেখক, পাঠক, সংবাদকৰ্মী সকলোৰে বাবে অতি আনন্দৰ খবৰ। এই সফলতাৰ আঁৰত আছে 'অগ্ৰদূত' গোষ্ঠীৰ কৰ্মনিষ্ঠা আৰু বাতৰি পৰিৱেশৰ সুপৰিকল্পিত কৌশল। গতিকে সংশ্লিষ্ট সকলোলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

১৯৭১ত 'অগ্ৰদূত' আছিল বাৰ্তালোচনী; তাৰ পাছত হ'ল তিনিদিনীয়া। এখন কাকতে অকল বাতৰি পৰিৱেশন কৰে— জাতীয় আৰু ৰাষ্ট্ৰীয় সমস্যাবোৰ সঠিকভাৱে উপস্থাপন কৰে, সমাধানৰ পথৰো ইংগিত থাকে।

**বিৰজা দেৱী,** *লেখিকা*

সেইবাবে বহু সময়ত বিতৰ্ক হয় আৰু আনৰ ৰোষতো পৰে। মন কৰিবলগীয়া কথাটো হ'ল কাৰো ৰোষত নপৰাকৈ, বাক-বিতণ্ডাৰ সৃষ্টি নকৰাকৈ অৰ্ধ-শতিকা অতিক্ৰম কৰাটো অন্যতম সফলতা।

এই কাকতখনৰ লগত মোৰ সম্পৰ্ক পুৰণি। মাজে-সময়ে লেখিছো; বিজ্ঞজনৰ লেখা পঢ়ি উপকৃত হৈছো; বিভিন্নজনৰ লগত পৰিচয় হৈছো।

বৰ্তমান সময়ত ইন্টাৰনেটৰ বহুল ব্যৱহাৰৰ বাবে বাতৰি কাকতবোৰে কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। নৱ-প্ৰজন্মৰ অনেকে অসমীয়া পঢ়িব নাজানে, তাৰ মাজতো 'অগ্ৰদূত'-এ বলিষ্ঠ পদক্ষেপেৰে চলি থকাতো গৌৰৱৰ কথা। 'অগ্ৰদূত'ৰ এই যাত্ৰা অৰ্ধ-শতিকাৰ পৰা নিৰন্তৰ চলি থাকক; সুস্থিৰ আৰু সত্যনিষ্ঠ বাতৰি পৰিৱেশন আৰু দেশৰ সমস্যাৰ সঠিক উপস্থাপন কৰি জনগণৰ হিতৰ অৰ্থে কাম কৰি সংবাদ জগতৰ উজ্জ্বল চানেকি হৈ আগবাঢ়ক এই কামনাৰে 'অগ্ৰদূত' গোষ্ঠীলৈ শুভেচ্ছা জ্ঞাপন কৰিলো।

*ফোন ঃ ৭৮৯৬৮৭৯০৯০*

# আদানিৰ জেপলৈ এনডিটিভি

# মুক্ত কণ্ঠৰ পৰা ইন্টাৰনেটলৈ প্ৰচণ্ড প্ৰত্যাহ্বান







**নিউজ স্কেন**
**গীতাৰ্থ পাঠক**

অসত্য কথাবোৰ যেতিয়া বাৰে বাৰে বিভিন্ন মাধ্যমত প্ৰচাৰিত হয়, আমাৰ জনপ্ৰিয় নেতাসকলে বাৰে বাৰে সভাই-সমিতিয়ে সাক্ষাৎকাৰত তাকেই কয়। ক্ষমতাৰ ঢৌত লুটি-বাগৰ মৰা এচাম বুদ্ধিজীৱীয়ে যেতিয়া সেইবোৰতেই হাত চাপৰি বজায় আৰু সংবাদ মাধ্যমত সেইবোৰেই শিৰোনামা হৈ প্ৰকাশ পায়, তেতিয়া মিছা কথাবোৰ ইমানেই সঁচা হৈ পৰে যে প্ৰকৃত সত্য কথা কোৱা মানুহবোৰ মিথ্যাচাৰী অথবা সমাজৰ এচামৰ শত্ৰুত পৰিণত হয়।

ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম যেতিয়া প্ৰায় ১২শ টকা চুৰেগৈ, খোৱাতেলৰ দাম দুশৰ ঘৰ পায়, পেট্ৰ'ল-ডিজেলৰ দাম এশৰ ঘৰ পায়, ৰাজ্য চৰকাৰৰ ২৬ হেজাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে ১২ লাখ যুৱক-যুৱতীয়ে আবেদন কৰি ৰাজ্যখনৰ নিবনুৱা সমস্যাক উদঙাই দেখুৱায়, দেশৰ বিদেশী মুদ্ৰাৰ ভাণ্ডাৰত ভাটাৰ সৃষ্টি হৈ শ্ৰীলংকাৰ দেউলীয়া অৱস্থাৰ কথা মনত পেলাই দিয়ে, তেতিয়া আমাৰ দেশৰ গৃহমন্ত্ৰীয়ে বুকু ফিন্দাই কয় যে স্বাধীনতাৰ পাছত পোনপ্ৰথমবাৰৰ বাবে আমাৰ দেশৰ দৰিদ্ৰসকলে নিজৰ অস্তিত্ব উপলব্ধি কৰিছে। এনে ধৰণে বিজেপি চৰকাৰৰ দিনত সত্যৰ অপলাপ হ'ব ধৰিছে। আমাৰ দেশৰ সংবাদ মাধ্যম ডিজিটেল মাধ্যমত পৰিকল্পিতভাৱে চলাই থকা মিছা প্ৰচাৰবোৰ যেতিয়া অল্ট নিউজৰ মহম্মদ জুবেইৰে উদঙাই দেখুৱায়, তেতিয়া ওলোটাকৈ উত্তৰ প্ৰদেশ পুলিচে জুবেইৰৰ বিৰুদ্ধে মানুহৰ ধৰ্মীয় অনুভূতিত টুইটাৰ মেছেজৰ জৰিয়তে আঘাত দিয়াৰ গোচৰ তৰি কাৰাগাৰত নিক্ষেপ কৰে। পাছত উচ্চতম ন্যায়ালয়ে জুবেইৰক যেনিবা জামিন মঞ্জুৰ কৰে। উত্তৰ প্ৰদেশৰ হাথৰাছত ১৯ বছৰীয়া দলিত যুৱতী এগৰাকীক গণ ধৰ্ষণ কৰি হত্যা কৰাৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিক চিদ্দিক কাপ্পানক দুবছৰ ধৰি কাৰাগাৰত নিক্ষেপ কৰা হয়। কাপ্পানৰ বিৰুদ্ধে উত্তৰ প্ৰদেশ পুলিচৰ অভিযোগ যে সন্ত্ৰাসবাদী কাম-কাজ চলাবৰ বাবে পপুলাৰ ফ্ৰন্ট অৱ ইণ্ডিয়া নামেৰে মৌলবাদী সংগঠন এটাই চিদ্দিক কাপ্পানৰ একাউন্টত ৪৫ হেজাৰ টকা দিছিল। পিছে এয়া অভিযোগহে— ইয়াৰ সমৰ্থনত কোনো প্ৰমাণ দিব পৰা নাই। আমাৰ দেশত এনে এক শ্বাসৰুদ্ধ পৰিৱেশৰ সৃষ্টি কৰা হ'বলৈ ধৰিছে যে সাংবাদিকে সংবাদ মাধ্যমত চৰকাৰক, শাসক দলৰ নেতাক সমালোচনা কৰি বাতৰি পৰিৱেশন কৰিবলৈ ভয় কৰে। জানোচা তেওঁলোকৰ অৱস্থাও চিদ্দিক কাপ্পান অথবা মহম্মদ জুবেইৰৰ দৰে হয়গৈ। সংবাদ মাধ্যমৰ স্বত্বাধিকাৰীসকলৰ ওপৰতো প্ৰত্যক্ষ পৰোক্ষ হেঁচা। নহ'লে জাতে নামাৰি ভাতে মৰাৰ ব্যৱস্থা কৰা হ'ব। বিজ্ঞাপন আৰু অন্যান্য সা-সুবিধা বন্ধ।

আমাৰ দেশত এতিয়া স্বাধীন সংবাদ মাধ্যম জীয়াই থকাটো দুঃসাধ্যত পৰিণত হৈছে। সাহসী সমাজকৰ্মীসকলক চৰকাৰে চৰকাৰৰ নীতিৰ বিৰোধিতা কৰাৰ বাবে গ্ৰেপ্তাৰ কৰিছে। 'কা' আন্দোলনত অংশগ্ৰহণ কৰা যুৱক-যুৱতীসকলক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছিল। অসমৰ সাহসী যুৱতী দেৱাংগনা কলিতাকো আন্দোলনৰ নেতৃত্ব দিয়াৰ অপৰাধত কাৰাগাৰত নিক্ষেপ কৰা হৈছিল। এইবোৰ কাৰণতেই বিশ্বৰ কেতবোৰ আগশাৰীৰ সংস্থাই ভাৰতবৰ্ষৰ গণতান্ত্ৰিক স্থিতি অৱনত কৰি প্ৰতিবেদন প্ৰকাশ কৰিছিল। চুইডেনৰ ভেৰাইটিজ অৱ ডেম'ক্ৰেচী (ভি-ডেম)-এ ভাৰতবৰ্ষৰ গণতন্ত্ৰক 'নিৰ্বাচনী স্বৈৰতন্ত্ৰ' আখ্যা দিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিখ্যাত সামাজিক সংস্থা ফ্ৰিডম হাউছে ভাৰতবৰ্ষক মুক্ত গণতন্ত্ৰৰ পৰা আংশিকভাৱে মুক্ত গণতন্ত্ৰলৈ অৱনমিত কৰিছিল।

আমাৰ দেশত বৰ্তমান মাটিক মাটি আৰু সোণক সোণ বুলি নিৰপেক্ষ আৰু সত্যনিষ্ঠভাৱে ক'ব পৰা সংবাদ মাধ্যমৰ সংখ্যা দ্ৰুতভাৱে হ্ৰাস পাব লাগিছে। বৰ্তমান যিকেইটা নিৰ্ভীক এনে সংবাদ মাধ্যম আছে, যিবোৰে চৰকাৰৰ ৰঙা চকু আৰু বিভিন্ন হেঁচাৰ সন্মুখতো সমালোচনামূলক বাতৰি প্ৰকাশ কৰিবলৈ সাহস গোটাই আছে, সেইসকলক ধৰাশায়ী কৰাৰ বাবে সম্প্ৰতি নতুন এক পৰিকল্পনা পোহৰলৈ আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঘনিষ্ঠ গুজৰাটী ব্যৱসায়ী গ্ৰুপ আদানিয়ে ভাৰতবৰ্ষৰ স্বাধীন আৰু নিৰ্ভীক টিভি চেনেল এনডিটিভিৰ নিয়ন্ত্ৰণ হাতলৈ অনাৰ বাবে কেনেদৰে পৰোক্ষভাৱে এনডিটিভিৰ পৰিশোধ নকৰা ঋণৰ সুযোগ লৈ চেনেলটোৰ ২৯.১৮ শতাংশ শ্বেয়াৰ আহৰণ কৰে। তদুপৰি আৰু ২৬ শতাংশ শ্বেয়াৰ হস্তগত কৰাৰ বাবে এনডিটিভিৰ ৰাজহুৱা শ্বেয়াৰ হোল্ডাৰসকললৈ ৪৯৩ কোটি আহৰণৰ বাবে সুযোগ দিছে। এনডিটিভিৰ প্ৰতিষ্ঠাপক প্ৰণয় ৰয় আৰু ৰাধিকা ৰয়ে আদানি গ্ৰুপৰ এই এনডিটিভি অধিগ্ৰহণৰ ফন্দি অবৈধ আখ্যা দিছে যদিও অৱশেষত চেবিয়ে কি নিৰ্ণয় কৰে তাৰ ওপৰতেই দেশৰ এই নিৰ্ভীক আৰু সত্য বাতৰি প্ৰচাৰক চেনেলটোৰ জৈৱিক অস্তিত্ব নিৰ্ভৰ কৰিব। বৰ্তমান পৰিস্থিতিত এনডিটিভিৰ নিয়ন্ত্ৰণ আদানিৰ হাতলৈ অহাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি আৰু যদি সেয়ে হয়গৈ তেনেহ'লে আমাৰ দেশৰ সাংবাদিকতাৰ আৰু সংবাদ মাধ্যমৰ বাবে তথা জনসাধাৰণৰ তথ্য আৰু নিৰপেক্ষ বাতৰি পোৱাৰ বা জনাৰ অধিকাৰৰ বাবে এয়া এক দুঃখবৰত পৰিণত হ'ব।

আমাৰ দেশৰ সংবিধানৰ ১৯ (ক) অধ্যায়ত মত প্ৰকাশৰ স্বাধীনতা অথবা বাক্ স্বাধীনতাক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছে যদিও সময়ে সময়ে শাসক পক্ষই এই অধিকাৰ খৰ্ব কৰি আহিছে। ১৯৭৫ত ইন্দিৰা গান্ধী চৰকাৰে দেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰি বাক স্বাধীনতাক বন্দীশালত থৈছিল। সেয়া আছিল বাক স্বাধীনতাৰ ওপৰত চৰকাৰী পক্ষৰ প্ৰত্যক্ষ আক্ৰমণ। পিছে বৰ্তমান তথ্য প্ৰযুক্তিৰ উত্থানৰ সময়ত বাক স্বাধীনতাক এনেদৰে বন্দী কৰা হৈছে যে দেখাত বাক স্বাধীনতাৰ হাতত শিকলি নাই, অথচ বাক স্বাধীনতা আজি অদৃশ্যভাৱে বন্দী। তদুপৰি জৰুৰীকালীন অৱস্থা আমাৰ দেশত আছিল মাত্ৰ ২১টা মাহ। পিছে বৰ্তমান বাক স্বাধীনতাৰ ওপৰত চলা এই আক্ৰমণ আঠ বছৰ ধৰি চলি আছে। বিৰোধী পক্ষৰ কথা বাদেই, বৰ্ষীয়ান বিজেপি নেতা বৰ্তমান মাৰ্গ প্ৰদৰ্শকৰ মোহত বন্দী নেতা লালকৃষ্ণ আদৱানিয়েও মোদী চৰকাৰৰ দিনতেই কেইবছৰমান আগেয়ে কৈছিল যে আমাৰ দেশত অঘোষিত জৰুৰীকালীন অৱস্থা চলিছে।

**বৰ্তমান তথ্য প্ৰযুক্তিৰ উত্থানৰ সময়ত বাক স্বাধীনতাক এনেদৰে বন্দী কৰা হৈছে যে দেখাত বাক স্বাধীনতাৰ হাতত শিকলি নাই, অথচ বাক স্বাধীনতা আজি অদৃশ্যভাৱে বন্দী। তদুপৰি জৰুৰীকালীন অৱস্থা আমাৰ দেশত আছিল মাত্ৰ ২১টা মাহ। পিছে বৰ্তমান বাক স্বাধীনতাৰ ওপৰত চলা এই আক্ৰমণ আঠ বছৰ ধৰি চলি আছে**

পৰম্পৰাগত সংবাদ মাধ্যমক বিভিন্ন পন্থাৰে কাবু কৰিবলৈ সক্ষম হ'লেও ইন্টাৰনেট তথা ডিজিটেল মাধ্যমৰ ব্যাপকতা আৰু জনসাধাৰণৰ দ্বাৰা এক বিকল্প মাধ্যমৰ ব্যৱহাৰক চৰকাৰে নিয়ন্ত্ৰণ কৰাটো কঠিন হৈ পৰিছিল। পিছে ভাৰতবৰ্ষই ইন্টাৰনেট সেৱা বন্ধ কৰাৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতেই অভিলেখ সৃষ্টি কৰিছে। যোৱা ২০২০ত বিশ্বত ইন্টাৰনেট সেৱা বন্ধ কৰাৰ ১৫৫টা ঘটনা ২৯ খন দেশত সংঘটিত হৈছিল। এই ১৫৫ টা ইন্টাৰনেট সেৱা বন্ধ কৰা ঘটনাৰ ১০৯ টা ভাৰতবৰ্ষতেই সংঘটিত হৈছিল। একেদৰেই ২০২১ত বিশ্বৰ সৰ্বাধিক ইন্টাৰনেট চাট ডাউনৰ ঘটনা ঘটিছে ভাৰতবৰ্ষ আৰু ম্যানমাৰত। ২০২২তো ভাৰতবৰ্ষই ইন্টাৰনেট সেৱা বন্ধ কৰাৰ ক্ষেত্ৰত অভিলেখ স্থাপন কৰাৰ সম্ভাৱনা আছে। গণতান্ত্ৰিক আন্দোলন বন্ধ বা দমন কৰাৰ বাবে ইন্টাৰনেট সেৱা চৰকাৰে বন্ধ কৰাৰ ঘটনা আমি ইমানদিনে দেখি বা শুনি আহিছিলো, কিন্তু চাকৰিৰ বাবে অনুষ্ঠিত বাছনি পৰীক্ষাত যাতে নকল অথবা প্ৰশ্ন কাকত ফাদিল হ'ব নোৱাৰে তাৰ বাবে ইন্টাৰনেট সেৱা বন্ধ কৰা প্ৰথমখন ভাৰতৰ ৰাজ্য হ'ল অসম। আমাৰ দেশ তথা ৰাজ্যখনত ইন্টাৰনেট সেৱা নতুন নহয়, বছৰৰ পাছত বছৰ ধৰি বিভিন্ন পৰীক্ষা চলি আহিছে। প্ৰশ্ন কাকত ফাদিল হোৱাৰ বাবে জগৰীয়া কোন? পৰীক্ষাৰ্থীয়ে যদি পৰীক্ষা গৃহলৈ ম'বাইল ফোন লৈ যোৱাটো নিষিদ্ধ কৰাৰ পাছতো লৈ যায় আৰু নকল কৰে তাক ৰোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে জগৰীয়া কোন? চৰকাৰ নহয়নে? কৰ্তৃপক্ষৰ বিফলতা বা দোষৰ বাবে শাস্তি পাব লাগে কৰ্তৃপক্ষই। কিন্তু অসমত চৰকাৰৰ দোষৰ শাস্তি ভুগিছে ৰাইজে। দোকান-পোহাৰ, ব্যৱসায়, বেংকিং আদি সকলো ব্যাহত হৈছে ইন্টাৰনেট সেৱা ব্যাহত হোৱাৰ বাবে। সংবাদ মাধ্যম, ন্যায়পালিকা, অধিবক্তা, ওলা, উবেৰ, ৰেপিডো আদি সেৱা সকলোবোৰ ব্যাহত হৈছে। চৰকাৰৰ বিফলতাৰ বাবে ৰাইজে কিয় ভুগিব সেই উত্তৰ চৰকাৰে দিব পাৰিবনে? আৰু ন্যায় ব্যৱস্থাত যিয়ে দোষ কৰে সিয়ে শাস্তি পোৱাৰ বিধান যদি আছে তেনেহ'লে অসম চৰকাৰে কি শাস্তি মূৰ পাতি ল'ব ৰাইজক ক'ব পাৰিবনে? ক্ষমতা চৰকাৰৰ হাতত আছে বাবেই ক্ষমতাৰ অপব্যৱহাৰ কৰাটোৱে চৰকাৰক মহীয়ান কৰি নোতোলে, বৰঞ্চ দেশৰ ভিতৰে বাহিৰে চৰকাৰৰ ভাবমূৰ্তি বিনষ্ট হ'ব।

এহাতে বাক স্বাধীনতাৰ ওপৰত প্ৰচণ্ড হেঁচা, আনহাতে, জনসাধাৰণৰ তথা ব্যক্তিৰ গোপনীয়াত চৰকাৰী অনুপ্ৰৱেশে আমাৰ দেশৰ জনসাধাৰণৰ মৌলিক অধিকাৰৰ প্ৰতি এক বৃহৎ প্ৰত্যাহ্বান মাতি আনিছে। উচ্চতম ন্যায়ালয়ৰ দ্বাৰা ইজৰাইলী স্পাইৱেৰ পেগাছাছ ব্যৱহাৰ কৰি চৰকাৰে ৰাজনৈতিক প্ৰতিদ্বন্দ্বী সাংবাদিক-সমাজকৰ্মী আদিৰ ম'বাইল ফোনৰ তথ্য অধিকভাৱে আহৰণ কৰা ঘটনা অনুসন্ধানৰ বাবে গঠিত টেকনিকেল কমিটীয়ে কৈছে যে পেগাচাছ তদন্তৰ ক্ষেত্ৰত চৰকাৰে কমিটীৰ স'তে সহযোগিতা কৰা নাই। চোৰাংচোৱাগিৰি কৰা ভাইৰাছ পেগাচাছৰ ডেভেলপাৰ ইজৰাইলৰ এন এছ অ' গ্ৰুপে কৈছে যে এই স্পাইৱেৰ তেওঁলোকে বিশ্বৰ বিভিন্ন দেশৰ চৰকাৰসমূহকে বিক্ৰী কৰে। ভাৰত চৰকাৰে এন এছ অ'ৰ পৰা পেগাচাছ ক্ৰয় কৰিছে নে নাই তাৰ উত্তৰ চৰকাৰে দিয়া নাই। ইফালে টুইটাৰৰ এগৰাকী পদত্যাগী উচ্চ নিৰাপত্তা বিষয়া জাট্‌কোই অভিযোগ উত্থাপন কৰিছে যে টুইটাৰৰ পৰা বিভিন্ন ব্যক্তিয়ে চৰকাৰ সম্বন্ধে কৰা মন্তব্য বা সমালোচনাবোৰ গোপনে আহৰণ কৰাৰ বাবে টুইটাৰৰ ভাৰতস্থ কোম্পানীত চৰকাৰৰ ভূতপূৰ্ব বিষয়া বা এজেণ্টক নিযুক্তি দিয়াৰ বাবে টুইটাৰক চৰকাৰে বাধ্য কৰিছে। এই অভিযোগবোৰৰ সত্যতা হয়তো এদিন উন্মোচিত হ'ব। কিন্তু চাৰিওফালে ভালদৰে চালে আমি দেখিবলৈ পাম যে জনসাধাৰণ আজি বাকহাৰা, ৰাইজ বা ব্যক্তিৰ গোপনীয়তা আজি নাঙঠ হৈ পৰিছে। ১৯৮৪ উপন্যাসত জৰ্জ অৰৱেলে বৰ্ণনা কৰাৰ দৰেই নাগৰিকৰ প্ৰতিটো শব্দৰ নিৰীক্ষণ, চৰকাৰৰ অগ্ৰহণযোগ্য বক্তব্য মচি পেলোৱা, ইতিহাস নতুনকৈ ৰচনা কৰা বা ইতিহাস মচি পেলোৱা আৰু যি ব্যক্তিয়ে চৰকাৰৰ অনভিপ্ৰেত দৃষ্টিভংগী পোষণ কৰে তেওক আনপাৰ্চ্ছন ঘোষণা কৰাৰ দৰে ঘটনা বৰ্তমান চৰকাৰৰ দিনত প্ৰাসংগিক হ'বলৈ ধৰিছে। *ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

## চৰকাৰী কাৰ্যালয় ঃ ভঙা-পতাৰ খেল



**ঘৰ** এটা নিৰ্মাণৰ সপোন সকলোৰে থাকে। ঘৰটো বনাবলৈ বহু কষ্ট কৰিছো। এক কথাত মূৰৰ ঘাম মাটিত পেলাইছো। বহু ত্যাগ, বহুত কষ্টৰ ফলতহে সেয়া কোনোৰকম সম্ভৱ হৈছে। বহু অলাগতিয়াল খৰচ, আনকি লাগতিয়াল খৰচো কৰা নাছিলো; কাৰণ ঘৰ এটা লাগে। কাম চলি থকাৰ সময়ত যেতিয়া শিল, বালি, ইটা, ৰদ পৰে ৰাতি ৰাতি টোপনি ক্ষতি কৰো। গাড়ী অহালৈ বাট চাও। গাড়ীৰ পৰা জোৰকৈ ইটা পেলায় বুলি চকু দিও। ইটা এচপৰা ভাঙিলে হিচাপ কৰো, প্ৰতিটো ইটাত কিমানকৈ দাম পৰে। দিনৰ দিনটো মানুহজনে মিস্ত্ৰীৰ লগত লাগি থাকে। সময়ত খাবলৈও পাহৰে, ব্যস্ত থাকে। প্ৰয়োজনত দেৱালবোৰত নিজেই পানী মাৰে। দুয়ো দিন গণো। ভাবো, হ'বগৈ নে ঘৰখন? পাৰিমগৈ নে বাৰু? অলপ কাম কৰো, আকৌ কেইমাহমান বহি থাকো। আকৌ আৰম্ভ কৰো। অৱশেষত সপোনৰ ঘৰখন কোনোমতে সম্পূৰ্ণ হ'ল। বহু বছৰৰ সপোন, বহু ত্যাগৰ ফল ঘৰখন। সততাৰ পথেৰে ধন উপাৰ্জন কৰি এখন ঘৰ বনোৱা কিমান কঠিন, সাধাৰণ মানুহে বুজি পায়। কিছু সৰু-সুৰা কাম আজিও কৰিবলগীয়া আছে।

মনলৈ ভাব আহিছে, চৰকাৰৰ ঘৰ ভঙা-পতাৰ খেলখন আমিচোন বুজি নাপাও। চৰকাৰী কাৰ্যালয়, যেতিয়াই মন যায় ভাঙিব, য'তে মন যায় পাতিব। কাৰ্যালয়বোৰ আমাৰ কষ্টৰ ধনেৰে নিৰ্মিত ঘৰৰ দৰে নিশ্চয় নহয়।

কামৰূপ মহানগৰৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয়টোও অস্থায়ীভাৱে স্থানান্তৰ হ'ব সোনকালেই। আকৌ শুনামতে পশ্চিম বৰাগাঁৱৰ ফালে স্থায়ীকৈ পাছত যাব। প্ৰশ্ন হ'ল, যদি স্থায়ীভাৱে যাবই, তেন্তে কাৰ্যালয়বোৰ অস্থায়ীভাৱে স্থানান্তৰৰ এই তৎপৰতা কিহৰ বাবে? চৰকাৰী তৎপৰতাত ছমাহ, এবছৰতে একোখন উৰণীয়া সেঁতু মুকলি কৰিব বুলিয়েই দেখোন মুকলি কৰি দিব পাৰে, তেন্তে স্থায়ীভাৱে কাৰ্যালয় কিয় নিৰ্মাণ কৰিব নোৱাৰে? এই ক্ষেত্ৰত ধনৰ অভাৱ নে সদিচ্ছাৰ অভাৱ? ব্ৰহ্মপুত্ৰৰ পাৰখন মেৰিনা বীচ্চৰ দৰে হওক, সৌন্দৰ্য বৰ্দ্ধন হওক, আমাৰ কি আপত্তি থাকিব পাৰে? গুৱাহাটীখন আটকধুনীয়া হওক, গুৱাহাটীবাসীৰ গৌৰৱত বুকু ফুলি উঠিব, ইয়াত কাৰ আপত্তি থাকিব? কিন্তু ধ্বংসৰ উদ্‌যাপন কিয়? অস্থায়ী কাৰ্যালয়বোৰ কিয়? ন্যায় ব্যৱস্থাটোৰ লগত জড়িত সকলোবোৰ কাৰ্যালয় কিয় একে ঠাইতে স্থাপন কৰিব নোৱাৰে? যি কামৰ কাৰণে স্থায়ী স্থান নিৰ্ধাৰণ কৰি থোৱা বুলি শুনি আছো, তাতেই কিয় তৎপৰতাৰে সকলো কাৰ্যালয় নিৰ্মাণ নকৰে? চৰকাৰৰ এই ভঙা-গঢ়াৰ খেলখনত ধনৰ অপব্যয় নহয় নেকি? সেই ধন ক'ৰপৰা আহে? কিছুদিন আগতে কামৰূপ (মহানগৰ) উপায়ুক্তৰ কাৰ্যালয়ত লিফ্‌টৰ পৰা আৰম্ভ কৰি বহু কাম বহু ধন খৰচ কৰি সমাপ্ত কৰিছিলহে। কিয় হঠাতে উপায়ুক্তৰ কাৰ্যালয়টো ভঙাৰ সিদ্ধান্ত হ'ল? নদীৰ পাৰখনত সৌন্দৰ্য বৰ্দ্ধনৰ সপোন হেনো মুখ্যমন্ত্ৰীৰ বহু বছৰ আগৰ পৰাই মনত আছিল, তেন্তে হঠাতে কোনো পৰিকল্পনা নকৰাকৈ কিয় এই ধ্বংসৰ উদ্‌যাপন?

চৰকাৰৰ এই ভঙা-পতাৰ খেলখন মোৰ দৰে সাধাৰণ মানুহৰ চিন্তাৰ পৰা বহু উৰ্দ্ধত, সাঁথৰ যেন। ভঙা-পতাৰ খেলখনত ব্যৱহৃত ধনসমূহ ক'ৰপৰা আহে সেইটো চিন্তা জনসাধাৰণলৈ এৰিলো।

শেষত অসম চৰকাৰলৈ এটাই অনুৰোধ কৰিম, ন্যায় ব্যৱস্থাৰ স'তে জড়িত সকলোবোৰ কাৰ্যালয় একে স্থানতে নিৰ্মাণ কৰক, যাতে যান-বাহনৰ ভিৰ ফালি অ'ৰ পৰা ত'লৈ দৌৰি ফুৰোতে অধিবক্তা আৰু জনসাধাৰণৰ লটিঘটি নহয়। লগতে কাৰ্যালয়বোৰৰ চৌহদত মেজ এখন পাতি চাহ-তামোলৰ দোকান দিয়া সৰু সৰু দোকানীসকল, টাইপিষ্টসকল, ডিটিপি অপাৰেটৰ, দলিল বেচোতাসকলকো পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰে যেন। তেওঁলোকক নিবনুৱা নবনাব। এনে ব্যৱসায় কৰা বহুজনৰ ইতিমধ্যে বয়সে ভাটি দিলে। তেওঁলোকৰ জীৱিকৰ পথ কাঢ়ি পৰিয়ালবোৰক লঘোণে নামাৰিব। ক'ভিড কালে কোঙা কৰাৰ পাছত অকণমান ঠন ধৰিবলৈ আৰম্ভ কৰিছিলহে তেওঁলোকৰ জীৱন। এই কেইদিনত বহুজনৰ বুকু ভঙা কান্দোন শুনিছো। দেখিছো।

**আৰতি দেৱী**
অধিবক্তা, গুৱাহাটী

**অভিমত**

## চৰণেহে জানে মৰণৰ ঠাই

**স্বাধীনতাৰ** অমৃত, ৩১৪ খন স্কুলত শিক্ষক নাই, ৩,৭১৬ খন বিদ্যালয় চলি আছে এজনীয়া শিক্ষকেৰে, এখনৰ পাছত এখনকৈ চৰকাৰী স্কুল বন্ধ কৰি থকা কাম চলি আছে। এইবেলি চৰকাৰী স্কুলৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল শূন্য হোৱাৰ সংখ্যাই ৰাইজৰ চকু থিয় কৰাইছে। চৰকাৰী কিছুমান বিদ্যালয়ত শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্য ঠিকা ভিত্তিত চলি আছে। চৰকাৰী শিক্ষানুষ্ঠানত কাম কৰা শিক্ষকৰ বহুতৰে জীৱন অন্যান্য চৰকাৰী চাকৰিয়ালৰ আহিঁত গঢ় লৈ উঠিল। শিক্ষকৰ জীৱন-যাত্ৰাৰ অসাধাৰণত্বৰ বৈশিষ্ট্য হেৰাই গ'ল। দায়িত্ব আৰু কৰ্তব্যক বহু চৰকাৰী শিক্ষকে উপলুঙা কৰিব লোৱা যেন অনুমান হয়।

কৰ্তব্যত হেমাহি কৰা শিক্ষকেও গতানুগতিক ব্যৱস্থাৰে মাহৰ লোভ লগা দৰমহা পোৱাত অসুবিধা হোৱা নাই। যি দেখা গৈছে আমাক আমাৰ স্বাধীনতাই আমাকে ঠগাবলৈহে যেন শিকালে। আজিৰ চৰকাৰী বিদ্যালয় হ'ল কংক্ৰিটৰ আটক ধুনীয়া অট্টালিকা, য'ত সজাই থোৱা হৈছে শিক্ষাৰ আহিলাবোৰ অব্যৱহৃতভাৱে। আমাৰ স্বাধীনতাই আমাক আত্মগঠন, আৰামী, আনৰ কাম এনে চিন্তাৰ এটা অহিতকৰ পৰিৱেশ সৃষ্টিতহে যেন সহায় কৰিলে। নতুন নতুন শিক্ষা পদ্ধতিৰ উদ্ভাৱন কৰি নতুনকৈ ভৱিষ্যৎ প্ৰজন্মক গঢ় দিবলৈ ওলোৱা বাহাদুৰীবোৰ পানীৰ মিঠৈ কথাহে যেন বুলি বিশ্বাস কৰিব লগা। আমাৰ মাজত স্বাধীনতাৰ জন্মলগ্নৰ পৰা উৎপত্তি হোৱা ৰোগবোৰে বিশালতাহে লাভ কৰিলে, নিৰাময় কৰা নহ'ল। আমাৰ বোধেৰে পৰীক্ষাৰ ফলাফল শূন্য হোৱা বিদ্যালয়বোৰ বন্ধ কৰি দিয়া হওক আৰু সেই অনুষ্ঠানবোৰৰ শিক্ষকসকলক তেওঁলোকৰ অকৰ্মণ্যতাৰ ফল বুলি কিয় বিশ্বাসত লোৱা নহ'ব, এই প্ৰশ্নৰ কৈফিয়ৎ তলব কৰি তেওঁলোকক সংশোধন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হওক। সবাতোকৈ শ্ৰেষ্ঠ বিবেচিত বিষয় হ'ল কৰ্মস্পৃহা ঘূৰাই অনাটোহে। বিদ্যালয় গৃহৰ চমৎকাৰিত্ব দেখুওৱাটো হ'ব নালাগে।

গৰিবৰ ঘৰৰ ল'ৰা-ছোৱালীয়ে কেৰাচিন তেলৰ চাকি জ্বলাই পঢ়ি দেখুওৱা সফলতাৰ উদাহৰণহে গৌৰৱৰ বিষয়। আমি মৌলিকতাত কুঠাৰাঘাত কৰাৰ এক অনাকাংক্ষিত বাটত খোজ দি হেৰাই যোৱাৰ উপক্ৰম কৰা নাইতো? শিক্ষা ব্যৱস্থাটো এটা অনন্য ব্যৱস্থা হিচাপে গঢ় দিয়াৰ সংকল্প গ্ৰহণ কৰাৰ সময় কেতিয়াবাই উকলি গৈছে।

**কেশৱ শৰ্মা,** কৈৰাৰা, নলবাৰী
ফোনঃ ৯৪০১৮৭৯৪০৮

## শূন্য সহনশীলতাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীলৈ মুকলি চিঠি

**প্ৰথমে** আপোনাক সম্ভাষণ জ্ঞাপন কৰিলো। মই এগৰাকী মধ্যবিত্ত পৰিয়ালৰ গৃহিণী। স্বামী অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত চাকলিয়াল। স্বামীয়ে কৰ্মৰত অৱস্থাত ২০১৯ত ভাৰতীয় ষ্টেট বেংকৰ অসম সচিবালয় শাখাৰ পৰা ব্যক্তিগত ঋণ লৈ বেলতলা মৌজাৰ অন্তৰ্গত সাউকুচি গাঁৱৰ ১১৮৭ নম্বৰ পট্টাৰ ৯৬৭ নম্বৰ দাগৰ ১৯ লেচা মাটি মোৰ নামত ক্ৰয় কৰে। যোৱা ৮-১০-২০২০ত দিছপুৰ ৰাজহ চক্ৰ বিষয়াই মাটিখিনিৰ নামজাৰি মঞ্জুৰ কৰে। মাটিখিনিৰ আকাৰ সুবিধাজনক নোহোৱাৰ বাবে আৰু স্বামীৰ অৱসৰৰ দিন চমু চাপি অহাৰ বাবে নিজা বাসস্থানৰো চিন্তা কৰি এটা ফ্লেট লোৱাৰ পৰিকল্পনাৰে আমি মাটিখিনি বিক্ৰী কৰিবলৈ কাকতত বিজ্ঞাপন প্ৰকাশ কৰো। বিজ্ঞাপন প্ৰকাশৰ পাছতেই আমাৰ সংলগ্ন মাটিৰ গৰাকী প্ৰণীতা গায়ন (চৰকাৰী চাকৰিয়াল) স্বামী কমল বৰুৱা (তেতিয়াৰ ৰাজহ চক্ৰ বিষয়া, হাজো), বৰ্তমানৰ অতিৰিক্ত উপায়ুক্ত কামৰূপ (গ্ৰাম্য), কোনো কাৰণ নোহোৱাকৈ উপায়ুক্ত কামৰূপ (মহানগৰ)ৰ কাৰ্যালয়ত মাটিখিনিৰ বিক্ৰীৰ অনুমোদন নিদিবলৈ দৰ্খাস্ত দাখিল কৰে।

আমি জানিব পাৰি উপায়ুক্ত, কামৰূপ (মহানগৰ)ৰ কাৰ্যালয়ত আবেদন দাখিল কৰো; কিন্তু উপায়ুক্ত কাৰ্যালয়ৰ ষষ্ঠ বাৰৰ শুনানিতো দৰ্খাস্তকাৰী উপস্থিত নহ'ল। বৰঞ্চ একেৰাহে তিনিবাৰ শুনানিত উপস্থিত নহ'লে একপক্ষীয় সিদ্ধান্তৰ পৰা হাত সাৰিবলৈ কোনো আত্মীয়ৰ মৃত্যু (?) বুলি জনাই এমাহৰ সময় বিচাৰে। আশ্চৰ্যজনক যে কোনো নিৰ্দিষ্ট সময় নিৰ্ধাৰণৰ স্পষ্ট নীতি নোহোৱাৰ সুবিধা লৈ ষষ্ঠবাৰৰ শুনানিৰ পাছতো বহুদিন ধৰি কোনো আদেশ আমি নোপোৱাত অতিষ্ঠ হৈ উপায়ুক্ত পল্লৱ গোপাল ঝাক সাক্ষাৎ কৰি বিষয়টো অৱগত কৰাওঁ। উপায়ুক্তই বিষয়টো গুৰুত্ব সহকাৰে লৈ যোৱা আঠ আগষ্টত পুনৰ শুনানিৰ দিন ধাৰ্য কৰে। সপ্তম শুনানিতো দৰ্খাস্তকাৰী অনুপস্থিত থাকে। শুনানিৰ সময়ত সংশ্লিষ্ট অতিৰিক্ত উপায়ুক্তজনে সেইদিনাই আদেশ উলিয়াই হোৱাটছএপত প্ৰেৰণ কৰিম বুলি জনায়। অতিৰিক্ত উপায়ুক্তজনৰ পৰা কোনো আদেশ নাপাই আমি ১০ আগষ্টত কাৰ্যালয়ৰ পৰা ছয় আগষ্টতে অতিৰিক্ত উপায়ুক্তজনে স্বাক্ষৰ কৰা আদেশখন সংগ্ৰহ কৰো।

আঠ আগষ্টত কিয় সপ্তমবাৰ শুনানিৰ দিন ধাৰ্য কৰা হ'ল আৰু আদেশখন ছয় আগষ্টতে কিয় স্বাক্ষৰ কৰা হৈছিল সেইটো নুবুজা সাঁথৰ হৈ ৰ'ল। এই কাৰ্যই উপায়ুক্তজনক বিপথে পৰিচালিত কৰা প্ৰতীয়মান হয় আৰু এক গভীৰ ষড়যন্ত্ৰ নিহিত থকাৰ সত্যতা প্ৰমাণ কৰে। আনহাতে, দৰ্খাস্তকাৰীয়ে যিহেতু মাটিখিনিৰ বিক্ৰীৰ অনুমোদন নিদিবলৈ দৰ্খাস্ত কৰি এবাৰো শুনানিত উপস্থিত নাথাকি, চৰকাৰী আদেশক অংগুষ্ঠ দেখুওৱা কাৰ্যই কিহৰ ইংগিত বহন কৰে বুজা নগ'ল।

স্মৰ্তব্য যে দৰ্খাস্তকাৰীৰ লগত আমাৰ মাটিৰ সম্পৰ্কত কোনো লেন-দেন নাই আৰু আমাৰ অনুপস্থিতিত সীমাৰ বেৰখন দৰ্খাস্তকাৰীয়ে নিজা খৰচত নিৰ্মাণ কৰে। কাজেই আমি কাৰোবাৰ এক ইঞ্চি মাটি অনিয়মভাৱে অধিগ্ৰহণ কৰা প্ৰশ্ন নুঠে।

মাটিখিনি বিক্ৰী কৰিব নোৱাৰি অৱসৰ গ্ৰহণৰ পাছত এটা বাসস্থানৰ বাবে আমাৰ যি নাজল-নাথল অৱস্থা হ'ল সেইটো বৰ্ণনাতীত। দৰ্খাস্তকাৰীয়ে জানি-শুনি আমাৰ প্ৰতি এক ষড়যন্ত্ৰে মানসিক, অৰ্থনৈতিক নিৰ্যাতনৰে হাৰাশাস্তি আৰু জুৰুলা কৰাই নহয় মোৰ স্বামীক সামাজিকভাৱে হেয় প্ৰতিপন্ন কৰা, সন্মান লাঘৱ কৰা আৰু মান-মৰ্যাদা নষ্ট কৰাৰ এক কুটিল চক্ৰান্ত কৰিছিল।

**তৰালী মহন্ত**
সাউকুছি, গুৱাহাটী
ফোন ঃ ৬০০১৪৫৭০৬৬

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৩১ আগষ্ট বুধবাৰ, ২০২২ পৃষ্ঠা ৫




# বায়খো উৎসৱ আৰু ইয়াৰ তাৎপৰ্য

**জেঠ মাহৰ পূৰ্ণিমা তিথিত মানে জেঠ মাহত ওলোৱা জোনৰ পূৰ্ণিমাত বায়খো পূজা কৰা পৰম্পৰা নিয়ম। ৰবিবাৰ, বুধবাৰ বা শুক্ৰবাৰৰ দিনা পূজা কৰাৰ নিয়ম শিথিলকৰণৰ জৰিয়তে একে দিন আৰু তাৰিখত পূজা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাটো নিতান্ত প্ৰয়োজন**


## বিশ্বনাথ ৰাভা তাৰা


**ৰাভাসকল** জড়োপাসক। তেওঁলোকে গছ-বিৰিখ, নদী-নলা, পাহাৰ-পৰ্বত, শিল-মাটি, চন্দ্ৰ-সূৰ্য, বতাহ-বৰষুণ, সৰ্প-ব্যাঘ্ৰ আদি প্ৰাকৃতিক আভিভৌতিক ক্ৰিয়াত ত্ৰস্তমান হৈ জয়াল নতুবা কালিকা লগা ঠাইত থান পাতি বলি-বিধান দি সুখে-সন্তোষে অতিবাহিত কৰিবলৈ বিচাৰে। আনহাতে, তেওঁলোক শাক্ত, সেয়ে আদ্যাশক্তিক বলিৰ নৈবেদ্যৰে তুষ্ট কৰি জগতত অক্ষয়-অব্যয় আৰু কাৰো ক্ষয়-ক্ষতি নোহোৱাকৈ থাকিব বিচাৰে।

বায়খো ৰাভাসকলৰ প্ৰধান আদ্যা দেৱী, সৃষ্টিকালৰে পৰা ইয়াক বিভিন্ন নামেৰে আৰু বিভিন্ন উপাচাৰেৰে পূজি আহিছে। ব্যুৎপত্তিৰ ফালৰ পৰা 'বায়-খোক্ছি'ৰে সংক্ষিপ্ত ৰূপ 'বায়খো' নতুবা 'খোক্ছি'। 'বায়' মানে 'দেৱ' বা 'দেৱী'। 'খোক্ছি' শব্দটো 'খোকদুৰ চি'(খালৈ চোৱা, খালৈটি চোৱা), 'খোক্ছা ছি' (এহোৱা তেজ) নতুবা 'খো' বা 'চোৰেং খো' (জাকৈ বা) বা 'চোৰেং খোয় চি' (জাকৈ বাই চোৱা) এই তিনিটাৰ কোনো এটাৰ সংক্ষিপ্ত ৰূপ বুলি কিছু সংখ্যক লোকে দেখুৱাই আহিছে। জাকৈ বাওঁতে লাভ কৰা দেৱী হিচাপে ইয়াৰ নাম 'বায়খোক্ছি' হোৱাটোৱে অধিক যুক্তিসংগত বুলি বহুতে দাবী কৰে।

কিংবদন্তি চাবলৈ গ'লে সেই কথাই প্ৰতীয়মান কৰে। 'থোপে' আৰু 'নেছে' নামৰ বায়েক-ভনীয়েক দুগৰাকী মতান্তৰে 'জুনা বায় মিচিক' নামৰ আঠুকুড়ি সধৱা এগৰাকীয়ে মাছ মাৰিবলৈ গৈ জাকৈ বাওঁতে চাবে প্ৰতি শিল এচটাকৈ পাই থকাত তাকে ঘৰলৈ আনে আৰু ভঁৰালত থৈ দিয়ে। পিছদিনা কাহিলিপুৱাত ঘৰৰ গৃহস্থজনে শিলচটাৰ ঠাইত অপৰূপা ৰূপ-লাৱণ্যেৰে বিভূষিতা দেৱী এগৰাকীৰ দৰ্শন লাভ কৰে আৰু ৰাতি স্বপ্নাদ্ৰষ্টা হৈ সকলো কথা জানিব পৰাত গৃহস্থৰ মংগলৰ হকে বছৰেকত এবাৰ সেই দেৱীলৈ বুলি পূজা এভাগ আগবঢ়োৱাৰ ব্যৱস্থা কৰে। কালক্ৰমত সেই গৃহস্থ ধন-ঐশ্বৰ্য্যৰে নদন-বদন হোৱাত চুবুৰীয়াৰ দৃষ্টিগোচৰ হয় আৰু সমুদায় গাঁওবাসীয়ে মান সৎকাৰেৰে দেৱীক পূজিবলৈ লোৱাত দেৱীৰ আশীৰ্বাদ লভি সুখে-সুকলমে দিন অতিবাহিত কৰে। এই পূজাত বলি-বিধানৰ ইমানেই প্ৰাচুৰ্য্য ঘটে যে, বলিৰ তেজেৰে এটা 'খোক' (বাঁহৰ তমালেৰে প্ৰস্তুত কৰা হোৱা) পৰিপূৰ্ণ হয়। সেয়ে 'খোক্ছা ছি' ( এহোৱা তেজ) - 'খোক্ছি'। ইয়াৰ পৰাই এই দেৱীৰ নাম 'খোক্ছি' হয়। অৱশ্যে বহুতে ইয়াক বায়খোৰ অইন এটা নাম বুলি ক'ব বিচাৰে।

দৰাচলতে বায়খো বা খোক্ছি বুলি আছুতীয়াকৈ কোনো দেৱী নাই। এই দুগৰাকী দেৱীৰ নামত পূজাথলীত কোনো থাপনা বা বেদী পতা নহয়। আনকি দুগৰাকী দেৱীৰ নামত কোনো ভোগ, প্ৰসাদ আৰু বলি বিধানৰ ব্যৱস্থাও কৰা দেখা নাযায়। এই দুই দেৱীৰ পূজাৰ নামত কিছুমান সংলগ্ন দেৱ-দেৱীকহে পূজা-অৰ্চনা কৰাৰ লগতে বলি-বিধান আৰু বলিৰ মাংসৰে প্ৰস্তুত কৰা নৈবেদ্য ভোগ-প্ৰসাদ (ফোক্চাক) দিয়ে। ইয়াৰ স'তে দেৱ-দেৱীৰ নামত আছুতীয়া তথা পৱিত্ৰভাৱে এসপ্তাহ আগতে প্ৰস্তুত কৰা পৱিত্ৰ মদ (চুথাৰ) অৰ্পণ কৰা অপৰিহাৰ্য। প্ৰকৃতাৰ্থত এই দুই দেৱীৰ পূজাক 'খোক্ছি' আৰু 'বায়খো'ৰ 'মৃত্যু স্মৃতিচাৰণ বাৰ্ষিকী' বা 'মৃত্যু বাৰ্ষিকী' বুলিব পাৰি। অৱশ্যে ইয়াৰ ব্যতিক্ৰম দেখা যায় দায়ৰং কঠালগুৰি হাছংদাম, দায়ৰং মাদাপাৰা হাছংদাম, ছেলাপাৰা খোক্ছি থান আৰু বৰমিয়াপাৰা খোক্ছি থানৰ পূজাৰ ক্ষেত্ৰত। এই খোক্ছি থানকেইখনত যথাক্ৰমে লায় খোক্ছি আৰু আয়া খোক্ছিৰ নামত বেদী পাতি মতা গাহৰি আৰু পঠা ছাগলী বলি হিচাপে দিয়া তথ্য পোৱা যায়। মেন্দিপাথাৰ খোক্ছি থান, হৰিণকাটা কাছাৰীপাৰা বায়খো থান, মেন্দিপাথাৰ ৰাভাপাৰা হাছংদাম, হৰিণকাটা বাখাৰাপাৰা হাছংদাম, হৰিণকাটা হাছংদাম, উপৰ মাণিকগঞ্জ হাছংদাম আৰু হাতীগাওঁ হাছংদামত বেদী পাতি ক্ৰমে মতা গাহৰি, মতা কুকুৰা, ৰঙা মতা কুকুৰা বলি হিচাপে দিয়ে। (উৎস ঃ প্ৰাচীন বায়খোদামৰ ইতিবৃত্ত - প্ৰকাশ ৰাভা, পৃঃ 200-208]।

'ৰজা দদান আৰু তেওঁৰ অনুগামীসকলেহে আঠিয়াবাৰীত পোন প্ৰথমে বায়খো পূজা আৰু উৎসৱৰ আয়োজন কৰিছিল।' এই পূজাৰ কৰ্মবিভাজনৰ পৰাই ৰাভাসকলৰ বিভিন্ন খেল বা শাখাৰ সৃষ্টি হয়। যথা- (1) ৰংদানি (2) মায়তৰি (3) দাহৰি (4) পাতি (5) বিতিলিয়া (6) তোতলা (7) হানা (8) কোচ। (উৎস ঃ ৰাভা জাতীয় উৎসৱ বায়খো - লিষ্টি ৰংখ, মানছেলেংকা, দ্বাদশ বাৰ্ষিক বায়খো উৎসৱ, দুধনৈ আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, 2011 ইং)।

তাহানিতে দদান ৰজাই মেঘালয় বৰ্তমানৰ ফেডাৰডোবাৰ পৰা পাঁচ-ছয় কিলোমিটাৰ দক্ষিণে অটব্য অৰণ্যত অৱস্থিত দাৰমাং পাহাৰৰ নিকটৱৰ্তী চিপু আৰু চলেং পাহাৰ আৰু ধনৰাই-চিদৰাই-ৰংছাই জুৰিৰ ত্ৰিবেণী সংগমৰ 'পোৰকবা-পোতকবা' বা 'পোৰক কোৰা-পোতক কোৰা' বা 'ৰংথাল' ঠাইত (দিদিনাংগ্ৰি বা ৰাভাগ্ৰি নামৰ ঠাইত) বায়খো পূজা কৰিছিল। দদান ৰজাৰ দিনত উদ্‌যাপিত (অনাআৰ্যীভূত ৰংদানি শাখাৰ দ্বাৰা উপগোষ্ঠীৰ দ্বাৰা) বায়খোচুং পূজাত 'বাৰখানাক্কায় (অগ্নিস্নান) অনুষ্ঠানৰ প্ৰচলন আছিল। 'বায়খোচুং' পূজা সাতদিন-সাতৰাতি ব্যাপী উদ্‌যাপিত হৈছিল। এই পূজা বায়খো পূজাৰ আদিম স্তৰ যাক 'তাংগ্ৰা-ছিংগ্ৰা' পূজা বুলিও কৈছিল। তাহানিৰ এই পূজাত বছৰেকত একোগৰাকী 'ৰুংদুং' বাৰায় (গোত্ৰৰ) ৰ তিৰোতাই দেৱীৰ ভোগ 'মায়চিকং' প্ৰস্তুত কৰি আত্মবলিদান দিবলগীয়া হৈছিল। পৰৱৰ্তী সময়ত মায়চিকং প্ৰস্তুত কৰি আত্মবলিদান দিয়াৰ পৰিৱৰ্তে ফুটুকা-ফুটুকী (গ্ৰংছি গ্ৰংছি প্ৰীন (গ্ৰোংছি প্ৰীন) বলিৰে 'নায়ৰংগ্ৰি-বায়ৰংগ্ৰি' নামৰ খোক্ছি পূজা কৰিছিল। এই পূজা দ্বিতীয় স্তৰৰ খোকছি (বায়খো) পূজালৈ পৰ্যবসন ঘটিছিল। ইয়াত সমূহ ৰাভা ৰাইজে কৰ্মবিৰতিসহ (হাৰিচোক্কায়) প্ৰতিনিধি প্ৰেৰণেৰে অংশগ্ৰহণ কৰিছিল।

সমগ্ৰ ৰাভা ৰাইজে নিজ নিজ গোত্ৰৰ একো একোজন প্ৰতিনিধি পঠিয়াই বৰভূঁইকপৰ আগলৈকে ভৈয়ামৰ ডাউকী চৰাই (তুমুক তো) ধৰি নি বলি দিছিল আৰু জ্বলন্ত অঙঠাত নাচি নিজৰ শুচিতা প্ৰদৰ্শন কৰি 'বায়খোচুং' পূজা কৰিছিল। (উৎস ঃ ফেডাৰডোবাৰ বায়খো - ড০ উপেন ৰাভা হাকাচাম, অসমীয়া প্ৰতিদিন, 6 জুন, 2009)। তেওঁলোকৰ ওপৰত ন্যস্ত দায়িত্বভাৰ অনুযায়ী ৰাভাসকলৰ মাজত বৰ্তমান প্ৰচলিত ভিন ভিন খেল বা শাখা আৰু গোত্ৰৰ উদ্ভৱ হয় বুলি জনশ্ৰুতি পোৱা যায়। ৰংখো (শিল) পতা দলৰ লোকে ৰংদানি ফৈদ, (ৰংখো বাৰায়), মায় (ভাত) বিতৰণ কৰা দলৰ লোকে মায়তৰি ফৈদ, ৰায়ছোক (কলপাত) যোগান ধৰা লোকে পাতি ৰাভা (ৰায়া, ৰায়দুং বাৰায়), ভোজৰ নিৰাপত্তাৰ দায়িত্বত থকাসকলে দাহৰি ৰাভা (দাংছাৰি বা দাহাৰি মানে বাঁহৰ ডাৰিকি বা মাৰি, তোৰাং বাৰায়), ভোজত মদ আৰু পানী খাবলৈ আৱশ্যকীয় বাঁহৰ চুঙা যোগান ধৰোতাসকলে চুঙা বা চোঙা বা ছোংগা, পূজা-পাতল বা সামাজিক কাম-কাজত কিছুমান মানুহে হাস্যৰস বা খহুটীয়া কথা কয়, তেওঁলোকক বিতলীয়া কালক্ৰমত বিতিলিয়া নামে জনাজাত হয়। তৰা পাত যোগান ধৰোতাসকলক তাৰা বাৰায়, ৰুং (নাও) কটা লোকেই ৰুংদুং বাৰায়, তেংতপ বা দায়দি (কাঁহৰ বাদ্যযন্ত্ৰ) বজোৱা লোকেই তেংতন বাৰায় ইত্যাদি। সেই পূজাস্থলীত বহুকাল পৰিত্যক্ত হৈ থকাৰ পাছত এই পূজা যোৱা 25-26 বছৰমান পূৰ্বে মূল প্ৰাচীন বায়খো থান (ৰাভাগ্ৰি বা দিদিনাংগ্ৰি) ৰ পৰা শিলৰ প্ৰকাণ্ড প্ৰকাণ্ড 'বেদী' (ৰোনজুমুক) স্থানান্তৰ কৰি আনি ফেডাৰডোবাৰ বৰ্তমানৰ থানত পতা হৈছে আৰু কিছু ৰূপান্তৰৰ মাজেদি পূজা-অৰ্চনা কৰি আহিছে। ৰাইজে ইমান শৃংখলাবদ্ধ ৰূপত নিজ নিজ দায়িত্ব কেনেকৈ নিয়াৰিকৈ সম্পাদন কৰাৰ উপৰি এই পূজাত বলিৰ পয়োভৰ আৰু কামৰ দায়িত্ব কিমান নেদেখাজনে কল্পনাই কৰিব নোৱাৰিব।

দদান ৰজাৰ দিনত পূজিত 'নায়ৰংগ্ৰি-বায়ৰংগ্ৰি' নামে খোক্ছি দেৱীৰ পূজাত 'খোক্ছি' দেৱীক আদ্যাশক্তিৰূপে পূজা কৰিলেও এই পূজাত চুছাৰি, আগিৰাইনি, বীৰ্‌মাৰাইনিৰ কৰুণ জীৱন কাহিনী পোৱা গৈছিল। তেওঁলোক ছহিদ আছিল বাবে তেওলোকৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে তথা সোঁৱৰণী ৰক্ষাৰ কাৰণে (স্মৰণ কৰিবলৈ) কাহিনী ৰূপত নৃত্য-গীত পৰিৱেশন কৰিছিল। এই ছহিদসকলৰ ওপৰত অতি মানৱীয় গুণ আৰোপ কৰি খোক্ছি দেৱীৰ লগতে আনুষংগিক দেৱীৰূপে পূজা কৰিছিল। এই পূজা খোক্ছি পূজাৰ দ্বিতীয় স্তৰ বা 'নায়ৰংগ্ৰি-বায়ৰংগ্ৰি' স্তৰ বুলি অভিহিত কৰিব পাৰি। (উৎস ঃ ৰাভা জনজাতি-ৰাজেন ৰাভা, পৃষ্ঠা-99)।

দদান ৰজাৰ মৃত্যুৰ পাছত 'খোক্ছি' পূজাৰ আন এটি স্তৰ পৰিলক্ষিত হয়। এই পূজাত খোক্ছি দেৱীৰ স'তে তামায়, দাদুৰি, নাকাতি, নোদায় আদিক আনুষংগিক দেৱীৰূপে পূজা কৰা দেখা যায়। এওঁলোকৰ ওপৰতো অতি মানৱীয় গুণ আৰোপ কৰি তেওঁলোকৰ গুণানুকীৰ্তন কৰা হয়। লক্ষ্যণীয় দিশ যে পুৰুষৰ ছহিদক কোনো পূজা কৰা নহয় কিন্তু গুণানুকীৰ্তন কৰা হয়। সেইবাবে খোক্ছিৰ দ্বিতীয় স্তৰত পূজাৰ কাহিনী গীতত ৰজা দদান, তাৰ সেনাপতি মাৰুখেত্ৰিৰ কাহিনী পোৱা নাযায়। কাৰণ সেই সময়ত তেওঁলোক জীৱিত আছিল। কিন্তু দদানৰ মৃত্যুৰ পাছত তৃতীয় স্তৰত খোক্ছি পূজাত তামায়, দাদুৰি,নাকাতি, নোদায় আদি দদান ৰজাৰ ভাগিনীসকলৰ উপৰিও দদান ৰজা আৰু তাৰ সেনাপতি মাৰুখেত্ৰিৰ বীৰত্বৰ কাহিনী গীতত পোৱা যায়। খোক্ছিৰ এই তৃতীয় স্তৰৰ পূজা দদান ৰজাৰ পৰৱৰ্তী বংশধৰসকলে কৰি আহিছে। তাহানিতে ৰাভাসকল মাতৃপ্ৰধান আছিল বাবে দদান বা মাৰুক্ষেত্ৰিক দেৱতাৰূপত ৰূপায়িত কৰি পূজা কৰা নাছিল যদিও তেওঁলোকৰ স্মৃতি ৰক্ষাৰ্থে গুণানুকীৰ্তন কৰিছিল। আচলতে খোক্ছি পূজাৰ পুৰোহিতে কৰা 'স্তৱ' আৰু পৰিৱেশন কৰা গীত-কাহিনীৰ যোগেদি ৰাভা জাতিৰ প্ৰাচীন যুদ্ধ-বিগ্ৰহৰ ইতিহাস, সংঘৰ্ষময় জীৱন কাহিনী, সমাজ জীৱনৰ পৰিৱেশ আদিৰ লুপ্তপ্ৰায় বহুতো কথাৰ আভাস পোৱা যায়।

কালক্ৰমত 'খোক্ছি' পূজাৰ সমান্তৰালভাৱে 'বায়খো' নামক আন এটি পূজাৰ কেনেকৈ সৃষ্টি হ'ল সেই সম্পৰ্কে পৰম্পৰাগতভাৱে চলি অহা সুন্দৰ কাহিনী পোৱা যায় যাক চতুৰ্থ স্তৰ বুলিব পাৰি।

'বায়খো' আৰু 'খোক্ছি' বায়েক-ভনীয়েক আছিল। বায়খোৰ স্বামীৰ নাম 'তুনা' আছিল। ৰাভাসকল আঠিয়াবাৰীত (ধূপধৰাৰ পৰা 18 কিলোমিটাৰ দক্ষিণে অৱস্থিত বৰ্তমান মেঘালয় ৰাজ্যৰ অধীনস্থ) থাকোতে তেওঁলোকৰ গোষ্ঠীটোৱে দদান ৰজাৰ গোষ্ঠীটোৰ লগত মনোমালিন্য ঘটি সেই ঠাই এৰি 'দাৰমাং' পাহাৰলৈ গৈ বসবাস কৰিছিল। দাৰমাং, চিপু আৰু চলেং 'দাৰমাং' পাহাৰৰ সমষ্টি য'ত ধনৰাই, চিদৰাই নিজৰাৰ সোঁত লগলাগি ৰংছাই নৈত পৰি ত্ৰিবেণী সংগমৰ সৃষ্টি হৈছে। এই ত্ৰিবেণী সংগমৰ 'পোৰকবা-পোতকবা' ঠাইত অৰ্থাৎ মেঘালয়ৰ বৰ্তমানৰ ৰাভাগ্ৰি বা দিদিনাংগ্ৰি নামৰ ঠাইত 'বায়খোচুং' পূজা কৰিছিল। বায়খোচুং পূজা সাতদিন সাতৰাতি ব্যাপি উদ্‌যাপতি হৈছিল আৰু ইয়াত 'বাৰ্‌খানাক্কায়' (অগ্নিস্নান) অনুষ্ঠান প্ৰচলন আছিল।

বায়খোৰ সৰু ভনীয়েক খোক্ছি দাইনী বিদ্যা জানিছিল। তাই নিজৰ গোষ্ঠীৰ মানুহৰ ক্ষতি কৰিছিল, সেইটো প্ৰমাণ পাই বায়েক বায়খোই ৰাগান্বিত হৈ তাইক বামুণডাংগা (গোৱালপাৰা চহৰৰ পৰা 27 কিলোমিটাৰ দক্ষিণ-পশ্চিমে অৱস্থিত) পাহাৰলৈ খেদি পঠাইছিল। খোক্ছিৰ বামুণডাংগাতে মৃত্যু হৈছিল। খোক্ছিৰ মৃত্যুৰ পাছত তাইৰ গোষ্ঠীয় (অনুগামী) মানুহবিলাকে তাইক দেৱীৰূপত ৰূপায়িত কৰি পোনতে বামুণডাংগাতে পূজা-পাতল কৰিছিল। এই পূজা-পাতল কৰা গোষ্ঠীটোৱেই হৈছে ৰাভাৰ 'দাহৰি' শাখা। তদ্ৰূপ বায়খোৰ মৃত্যুৰ পাছত তাইৰ গোষ্ঠীৰ মানুহবিলাকেও তাইক দেৱীৰূপে ৰূপায়িত কৰি পূজা-সেৱা কৰিছিল।

বায়খোৰ মৃত্যু হৈছিল 'দাৰমাং' পাহাৰত। বায়খোৰ পূজা-সেৱা কৰা দলটোৱে শেষলৈ হৈছে 'মায়তৰি' শাখা। এইটো অনুমান কৰিব পাৰি যে, বায়খোৰ মৃত্যুৰ আগতে ৰাভাৰ সকলোৱে 'খোক্ছি'ৰ পূজা কৰিছিল। সম্ভৱতঃ সেই সয়মলৈকে ৰাভাৰ কোনো শাখাৰ বিভাজন হোৱা নাছিল। কেৱল 'বাৰায়-হুৰি' সমন্বিত গোষ্ঠীহে আছিল। 'বায়খো' পূজাৰ আৰম্ভণিৰ লগে লগে এই দুই গোষ্ঠীৰ পূজা গোষ্ঠীগতভাৱে বিভাজন হৈছিল। অৰ্থাৎ ৰংদানি-মায়তৰি খেলৰ মাজত 'বায়খো' আৰু দাহৰি ৰাভা খেলৰ মাজত 'খোক্ছি' পূজাৰ প্ৰচলন হৈ আজিও বৰ্তি আছে।

এইদৰে কিংবদন্তি আৰু ধৰ্মীয় লোকবিশ্বাসৰ ধাৰণাৰে সৃষ্টি হোৱা ৰাভা বায় (ৰাভা দেৱী) 'খোক্ছি' আৰু 'বায়খো' পূজা ৰাভা সমাজত পৰম্পৰাগতভাৱে মহা আড়ম্বৰপূৰ্ণকৈ ৰাভা সমাজত নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰি উদ্‌যাপিত হৈ আহিছে। সাধাৰণতে সৃষ্টিতত্ত্বৰ কাহিনী দুটা (থোপে আৰু নেচে, জুনাবায় মেবা আৰু জুনাবায় মিচিক) প্ৰায় একে বাবে বহু লোকে 'খোক্ছি' পূজাকে 'বায়খো' পূজা আৰু 'বায়খো' পূজাক 'খোক্ছি' পূজা বুলি ক'বলৈ বিচাৰে। কিন্তু আচলতে দুয়োটা পূজাই বেলেগ বেলেগ কাৰণ দুয়োটা পূজাৰে পূজাৰ বিধি-ব্যৱস্থা, পদ্ধতি আৰু পূজা কৰাৰ ধৰণ-কৰণ সম্পূৰ্ণ সুকীয়া সুকীয়া। খোক্ছি পূজাত 'জুই চট্‌কা নৃত্য', চুকীয়া মাৰা, অগ্নি বন্দনা গীত, অহোলি, ৰিছি মেলা আদি আছে, বায়খো পূজাত নাই। কিন্তু বায়খো পূজাত কিল্লা ভঙোৱা, লেৱা টনা, ছাথাৰ গীত (চাথাৰ ত্ৰক্কায়) হয়মাৰু গীত আদি আছে, কিন্তু খোক্ছি পূজাত নাই। তদুপৰি ৰাভা সমাজৰ সকলো খেলৰ লোকে এই দুটি পূজা নকৰে। প্ৰধানতঃ খোক্ছি পূজা দাহৰি ৰাভা ফৈদৰ মানুহে পালন কৰে। অৱশ্যে যি গাঁৱত ৰংদানি আৰু দাহৰি বা দাহৰি আৰু মায়তৰি খেলৰ মানুহে বসবাস কৰে তেনে ঠাইত একেলগে পূজা কৰা পৰিলক্ষিত হয়। আনহাতে, বায়খো পূজা মায়তৰি আৰু ৰংদানি ৰাভাসকলৰ মাজত পালিত হয়। গতিকে এই পূজা দুটাৰ সুকীয়া বিশেষত্বৰ কথা ইয়াৰ পৰা অনুমান কৰিব পাৰি। তথাপি আৱহমান কালৰে পৰা উদ্‌যাপিত হৈ অহা ৰাভা সমাজৰ এই দুয়োটা মূল পূজাৰ মাজতে বিচাৰি পোৱা যায় ৰাভাসকলৰ জাতীয় ধৰ্মীয়-বিশ্বাস, ৰীতি-নীতি, লোক-পৰম্পৰা আদিৰ সুন্দৰ প্ৰতিচ্ছবি।

ৰাভা গাঁৱৰ বিভিন্ন অঞ্চলত বিভিন্ন প্ৰকাৰে বায়খো পূজা কৰে। বায়খো দেৱীক ছটা ৰূপত ৰূপায়িত কৰি পূজা কৰি অহা দেখা যায়। যথা ----- (1) চাম্‌পায় (ফেদাৰডোবা), (2) দাদুৰি (পানীশালি, ফটামাটি, বৰ বাতাপাৰা, মালাধৰা, আমগুৰি, ভৈইষখুলি, (3) নাকাতি (বগাদলা, খামাৰি, জুগিঝাৰ, নাগৰগাঁও, ধাপাংপাৰা, কদমশালি), (4) তামায় (বৰ পাহাম, পাহাম ছৰকপাৰা, পাহাম কাছাৰীপাৰা, নিদানপুৰ, কাৰা নলবাৰী, কামা বাতাপাৰা, (5) ৰয়মাৰি (ৰখাপাৰা) আৰু (6) আয়া বায়খো বুদি (ভালুকডুবি)।



উপসংহাৰত ক'ব পাৰি যে খোক্ছি বা বায়খো কোনো গাইগুটীয়া দেৱী নহয়। ই বহু দেৱ-দেৱীৰ সমষ্টিৰ লগতে সন্মিলিত দেৱ-দেৱীৰ সমাহাৰত অনুষ্ঠিত এটি সমজুৱা পূজা-পাৰ্বণহে। ই এহাতে কৃষিৰ উৰ্বৰা শক্তিৰ আধাৰ স্বৰূপ পুৰুষ আৰু প্ৰকৃতিৰ মিলনৰ প্ৰতীক, আনহাতে সমূহ ৰাভা সমাজক একত্ৰ কৰাই বিশেষকৈ ডেকা-গাভৰুক স্বজাতীয় কলা-কৃষ্টিৰ প্ৰতি আনুগত্য জন্মোৱা, অপসংস্কৃতিক ৰোধ কৰি জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে সজাগ-সচেতন কৰাৰ সুন্দৰ ব্যৱস্থা। সেইবাবে ই জাতীয় উৎসৱৰ মৰ্যাদাৰে বৰ্তি আছে আৰু বৰ্তি থাকিব যদিহে স্বজাতীয় লোক সজাগ-সচেতন হয়। স্বীকাৰ্য যে খোক্ছি বা বায়খোলৈ বহু পৰিৱৰ্তন আহিল আৰু পৰিবৰ্তন হ'ব, কিম্বা হৈয়ে যে থাকিব সেয়াও ধ্ৰুৱ।

এই পূজাৰ স'তে জড়িত লোকাচাৰ, পৰম্পৰা, বিশ্বাস, ৰীতি-নীতি, লোক-সাহিত্য আৰু লোক-সংস্কৃতিৰ ওপৰত চৰ্চা, অধ্যয়ন, গৱেষণা হোৱাৰ উপৰি উপযুক্ত মূল্যায়ন আৰু বিকাশ হ'লে ৰাভা জাতিৰ আৰ্থ-সামাজিক, সাংস্কৃতিক, ধৰ্মীয় পৰম্পৰা বিশ্বাস, পৰিৱৰ্তন আদি দিশৰ বহুখিনি তথ্য পোৱা যাব। এই দিশত সাম্প্ৰতিক কালৰ চিন্তাবিদ, শিক্ষাবিদ, গৱেষকসকলৰ উপৰি সমাজ সচেতকসকলৰ দায়িত্ব আৰু কৰ্তব্য অধিক। কাৰণ 'বায়খো' এটা ব্যাপক শব্দ। বহুবোৰ কাহিনী, আখ্যান, উপাখ্যান, কিংবদন্তি, লোককথা, পৰম্পৰা, নৃত্য-গীত, কাহিনী গীত, লোকাচাৰ, লোক-সাহিত্য সকলো একগোট হৈহে ব্যাপক অৰ্থত বায়খোৰ ৰূপ পাইছে।

আনকি বায়খো পূজাৰ ঐতিহ্য, পৰম্পৰা, বিশ্বাস, লোকাচাৰ লোক-বিশ্বাস, লোক সংস্কৃতি, লোক- সাহিত্য ৰাভাসকলে ৰক্ষা কৰিব পাৰিব লাগিব। বায়খোৰ পৰম্পৰাক ৰাভাসকল সন্মান জনাবই লাগিব। কাৰণ বিভিন্ন কাৰকৰ প্ৰভাৱত নতুন প্ৰজন্মই প্ৰাচীন বায়খোৰ পৰম্পৰা বিশ্বাস, আচাৰ বা ৰীতি-নীতিৰ স'তে সম্পৰ্ক হেৰুৱাইছে। সেইবাবে বায়খোৰ মাজত নিহিত হৈ থকা প্ৰাচীন প্ৰজ্ঞাৰ গুৰুত্ব উপলব্ধি কৰি বায়খোৰ পৰম্পৰাক সংৰক্ষণ আৰু সংবৰ্ধনৰ প্ৰয়োজনীয়তা আহি পৰিছে। ইয়াক সমৃদ্ধ কৰাৰ দায়িত্ব স্বজাতীয় লোকৰ। ইয়াৰ বাবে ৰাভা ৰাইজে কৰ্মসূচী যুগুত কৰিব লাগিব। গৱেষণামূলক কাম-কাজ হাতত লোৱাৰ লগতে প্ৰাচীন বিশ্বাস, সংস্কৃতি আৰু পৰম্পৰা ৰীতি-নীতিত অন্তৰ্নিহিত হৈ থকা গুণসমূহ নতুন প্ৰজন্মই যাতে উপলব্ধি কৰিব পাৰে সেই দিশত সহায় কৰাৰ এক শক্তিশালী আধাৰ হিচাপে কাম কৰিব লাগিব।

বায়খো বা খোক্ছি সম্পৰ্কে সঠিক কথা এতিয়াও উদ্‌ঘাটন হোৱা নাই। ইয়াৰ উৎপত্তি ক'ত, কেতিয়া, কেনেকৈ আৰু কি পৰিস্থিতিত হৈছিল স্পষ্ট নহয়। দদান আৰু মাৰুক্ষেত্ৰিৰ কাহিনীৰে সংপৃক্ত ঘটনা-পৰিঘটনা অৰ্থাৎ তেওঁলোকৰ দিগ্বিজয় আৰু অভিপ্ৰায়ণৰ কৰুণ কাহিনীৰ জৰিয়তে পোৱা বায়খো পূজাৰ সৃষ্টি, প্ৰয়াত ৰাজেন্দ্ৰ নাথ ৰাভাৰ 'ৰাভা সাধুকথা', ৰাজেন ৰাভা ৰচনাৱলীত পোৱা 'খোক্ছি পূজাৰ কাহিনী', 'বায়খো পূজাৰ কাহিনী'ৰ ওপৰত ভিত্তি কৰিয়েই বৰ্তমান বায়খো বা খোক্ছি সম্পৰ্কে বহুলভাৱে চৰ্চা কৰে, তাকেই অধ্যয়ন কৰে। বিভিন্ন পৰিৱেশ-পৰিস্থিতি, বিশ্বায়ন, স্বজাতীয়ৰ সোপাচিলা বিশ্বাস, চৰ্চা আৰু পূজিত নীতি-নিয়মৰ বাবে বায়খোৰ পৰিৱৰ্তন হৈছে। যাৰ ফলত ৰাভা জাতিৰ পৰিচয়ৰ মূল উপাদান তিনিটা অৰ্থাৎ ভাষাৰ স'তে সংস্কৃতি আৰু ধৰ্মৰ প্ৰতি ভাবুকি আহিছে। বায়খো সম্পৰ্কে অধ্যয়ন হ'ব লাগে, চৰ্চা হ'ব লাগে, হ'ব লাগে গৱেষণা যাতে বায়খো বা খোক্ছিৰ সৃষ্টিৰ স্থান, কেতিয়া আৰু কেনেকৈ হৈছিল, জন্মলগ্নৰ বিশ্বাস, বলি-বিধান, পূজা কৰাৰ নীতি-নিয়ম, পৰম্পৰা উদ্ধাৰ কৰাৰ লগতে পৰিৱৰ্তিত পৰিৱেশ আৰু পৰিস্থিতিত ৰাভাসকলে কেনেকৈ পূজা কৰিছে বা কৰি আছে সেই কথাটোও প্ৰতিফলিত হওক। নতুন নতুন ঠাইত কেনেকৈ সম্প্ৰসাৰিত হৈছে আৰু কি ধৰণে পূজিত বা পালিত হৈছে, এই আটাইবোৰ কথা উদ্ধাৰ কৰিবলৈ গৱেষণা হওক। এই কামৰ বাবে নিৰ্দিষ্ট কোনো এজন বিশিষ্ট ব্যক্তিক দায়িত্ব দিয়া হওক। এই আঁচনিৰ দ্বাৰাহে খোক্ছি বা বায়খোৰ প্ৰকৃত স্বৰূপ উদ্ধাৰ হোৱাৰ লগতে ইয়াৰ বিকাশ, প্ৰচাৰ, প্ৰসাৰ ঘটাৰ উপৰি ইয়াৰ সমৰূপতা আহিব, একতা আনিব পৰা যাব। আনকি চৰ্চা আৰু অধ্যয়ন কৰাৰ পথ সুগম হ'ব আৰু সংৰক্ষণ কৰিব পৰা যাব। জেঠৰ পূৰ্ণিমা তিথিত মানে জেঠত ওলোৱা জোনৰ পূৰ্ণিমাত বায়খো পূজা কৰা পৰম্পৰা নিয়ম। ৰবিবাৰ, বুধবাৰ বা শুকুৰবাৰৰ দিনা পূজা কৰাৰ নিয়ম শিথিলকৰণৰ জৰিয়তে একে দিন আৰু তাৰিখত পূজা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাটো নিতান্ত প্ৰয়োজন।

কোনো কোনো গাঁৱত ফাগুন, চ'ত কিম্বা ব'হাগত পূজিত হৈ থকা বায়খো পূজাৰ মাহ বা দিন-বাৰ সলনি কৰি একেই দিন, তাৰিখ আৰু মাহত পূজা কৰা বাস্তৱসন্মত কথা।

য'ত য'ত বায়খো উৎসৱ উদ্‌যাপিত হৈ আহিছে, তাত বায়খো থান স্থায়ীকৈ স্থাপন কৰি স্থানীয় (অঞ্চলস্থ) ৰাইজৰ জৰিয়তে পূজা-পাতল কৰাৰ ব্যৱস্থাকৰণৰ প্ৰয়োজনীয়তা আছে। তেতিয়াহে 'জাতীয় উৎসৱ'লৈ পৰিবৰ্তন ঘটাব পাৰিব। মুখ্য দেৱীৰূপে কোনোবা এটা দেৱীক বহুৱাই সেই অঞ্চলত পূজিত কেইটামান দেৱ-দেৱীক স্থান দি বলি-বিধান তথা নৈবেদ্য ভোগ-প্ৰসাদেৰে পূজা কৰাৰ ব্যৱস্থাকৰণ নিতান্তই প্ৰয়োজন।


ফোন ঃ 9854465227


---

## চুটি জীৱনকালত সাফল্যৰ অভিলেখ



# সুকুমাৰ ৰায়

## জীৱনকাল ৩৬ বছৰ মাত্ৰ

## (১৮৮৭-১৯২৩)


### ড° নীলমোহন ৰায়

ফোন ঃ ৯৮৬৪০৬৪২৭৪


**সাধাৰণ** পাঠকৰ ওচৰত সুকুমাৰ ৰায়ৰ পৰিচয় মাথোন 'আবোল-তাবোল', 'হয় বৰল' ইত্যাদি শিশু উপযোগী সচিত্ৰ মনোৰম গল্প- কবিতাৰ স্ৰষ্টা হাস্যৰসিক শিশু সাহিত্যিক হিচাপে। কিন্তু এইখিনিয়েই সুকুমাৰ ৰায়ৰ পূৰ্ণ পৰিচয় নহয়। তেওঁৰ জীৱন আৰু কৰ্মৰ ওপৰত আলোকপাত কৰিলে দেখা যায় যে সেয়া বহুমুখী, স্বতন্ত্ৰ আৰু অসামান্যতাত উজ্জ্বল। তেওঁ আছিল একাধাৰে সাহিত্য স্ৰষ্টা, চিত্ৰশিল্পী, পত্ৰিকা সম্পাদক আৰু কাৰিকৰী বিজ্ঞানৰ এটা শাখাত উচ্চ শিক্ষাপ্ৰাপ্ত বিশেষজ্ঞ। সাধাৰণ ব্ৰাহ্ম সমাজৰ স'তে তেওঁৰ আছিল আজীৱন গভীৰ সম্পৰ্ক। ব্ৰাহ্ম সমাজৰ সংশ্লিষ্ট যুৱগোষ্ঠীৰ তেৱেঁই আছিল অবিসম্বাদী নেতা। তেওঁৰ ব্যক্তিত্ব, উদাৰ চিন্তাধাৰা আৰু সৃজন-প্ৰতিভাই ৰবীন্দ্ৰনাথসহ সমকালীন বহু মনীষীৰ দৃষ্টি আকৰ্ষণ কৰিছিল।

সাহিত্য-স্ৰষ্টা হিচাপে তেওঁ প্ৰত্যক্ষভাৱে শিশুসকলৰ, পৰোক্ষভাৱে সকলো বয়সৰ মানুহৰ বাবে যিবোৰ গল্প, কবিতা, নাটক লিখিছিল সেইবোৰৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰতেই নিজৰ প্ৰতিভা আৰু স্বতন্ত্ৰতাৰ পৰিচয় দিছিল। তেওঁৰ সাহিত্য অংশৰ কিছুমান ৰচনা আছে যাৰ মূল্য চিৰস্থায়ী, ৰসগুণত সেইবোৰ অতুলনীয়।

মুদ্ৰণ বিজ্ঞানৰ এটা শাখা ফটো টেকন'লজি আৰু প্ৰচেছ শিল্পত থকা তেওঁৰ নৈপুণ্য সেই সময়ত একমাত্ৰ তেওঁৰ পিতৃ উপেন্দ্ৰকিশোৰৰ লগতেই তুলনীয় আছিল। সুকুমাৰেই হ'ল দ্বিতীয় ভাৰতীয় যিয়ে ফটো টেক্নিক শাখাত ইংলণ্ডৰ সৰ্বোচ্চ উপাধি এফআৰপিএছ অৰ্জন কৰিছিল। প্ৰচেছ বিজ্ঞানৰ ক্ষেত্ৰত তেওঁ দুই এটা বিষয়ত নতুন পদ্ধতিও আৱিষ্কাৰ কৰিছিল।

সাহিত্য চৰ্চাৰ স'তে সংগতি ৰাখি তেওঁ অঁকা ইলাচটেছনবোৰ আছিল সম্পূৰ্ণ স্বতন্ত্ৰ ধৰণৰ। নন্‌চেন্স সাহিত্যৰ স'তে নন্‌চেন্স ছবিৰ সুন্দৰ সামঞ্জস্যপূৰ্ণ মিল দেখা যায় তেওঁৰ ৰচনাত। বিশ্ব সাহিত্যৰ অতি কম সংখ্যক নন্‌চেন্স স্ৰষ্টাই লেখা আৰু ৰেখাত যুগপৎ সমান অধিকাৰৰ পৰিচয় দিবলৈ সক্ষম হৈছে। এই দিশটোতেই সুকুমাৰৰ সকলো পৰিচয় অতিক্ৰমি উজ্জ্বল হৈ উঠিছে তেওঁৰ সাহিত্যৰ হাস্য-ৰসিকতা।

সুকুমাৰ ৰায়ৰ পৈতৃক নিবাস আছিল অধুনা বাংলাদেশৰ অন্তৰ্গত মৈমনসিং জিলাৰ মসুয়া নামৰ গাঁৱত। তেওঁৰ জন্ম হৈছিল কলিকতাৰ ১৩ নম্বৰ কৰ্ণৱালিছ ষ্ট্ৰীটৰ ঘৰত। সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত এক বিশিষ্ট খ্যাতনামা পৰিয়ালত তেওঁৰ জন্ম হৈছিল। পিতৃ উপেন্দ্ৰকিশোৰ ৰায়চৌধুৰী আছিল শিশু-সাহিত্যিক, সংগীতজ্ঞ, চিত্ৰশিল্পী আৰু যন্ত্ৰকুশলী। মাতামহ সমাজ সংস্কাৰক, প্ৰসিদ্ধ ব্ৰাহ্মনেতা দ্বাৰকানাথ গাংগুলী, ভাই-ককাই আৰু ভনীয়েক সকলো আছিল বহুখ্যাত। বৰদেউতাক সাৰদাৰঞ্জন আছিল বাংলাৰ ক্ৰিকেট খেলৰ জনকস্বৰূপ। উপেন্দ্ৰ কিশোৰৰ নুমলীয়া ভায়েক আছিল বন বিভাগৰ আধিকাৰিক। তেওঁৰ বিখ্যাত গ্ৰন্থখনৰ নাম হ'ল 'বনেৰ খবৰ'। এওঁৰেই জীয়েক বাংলা শিশু সাহিত্যৰ প্ৰথিতযশা লেখিকা লীলা মজুমদাৰ। সুকুমাৰৰ মাতৃ বিধুমুখীয়ে মাতৃস্নেহ আৰু মমত্বৰে সুকুমাৰসহ ছয় সন্তানক মানুহ কৰিছিল।

হাস্যৰসৰ স্ৰষ্টা সুকুমাৰ ৰায়ে অতি কম বয়সতে মুখেমুখেই 'ছড়া' (শিশু উপযোগী পদ্য) সৃষ্টি কৰা আৰু ছবি অঁকাৰ লগে লগে ফটোগ্ৰাফীৰ চৰ্চাও আৰম্ভ কৰে। মাথোঁ আঠ বছৰ বয়সতে সুকুমাৰৰ কাব্যচৰ্চাৰ প্ৰথম ফচল 'নদী' কবিতা প্ৰকাশিত হয় বিশ্বনাথ শাস্ত্ৰীৰ 'মুকুল' পত্ৰিকাত। একেখন পত্ৰিকাতে তেওঁৰ কাব্যচৰ্চাৰ দ্বিতীয় ফচল 'টং' টিক্‌টিক্ কবিতাটো প্ৰকাশিত হয় পাছৰ বছৰত।

১৯০২ খ্ৰীষ্টাব্দত চিটি স্কুলৰ পৰা সুকুমাৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়; ১৯০৪ খ্ৰীষ্টাব্দত ইয়াৰেই সংলগ্ন কলেজৰ পৰা এফ এ পাছ কৰে দ্বিতীয় বিভাগত। ইয়াৰ পাছত তেওঁ ৰসায়ন আৰু পদাৰ্থবিদ্যাত অনাৰ্চসহ প্ৰেছিডেন্সি কলেজত ভৰ্তি হয়। তেতিয়াৰ পৰাই তেওঁ নাটকত অভিনয় আৰু কিশোৰৰ বাবে নাটক লিখাৰ তাগিদা অনুভৱ কৰে। ১৯০৭ত দুয়োটা বিষয়ত অনাৰ্চসহ তেওঁ বিএছচি পাছ কৰে। এই বছৰতে তেওঁ কলেজ কৰ্তৃপক্ষৰ পৰা ৰায়বাহাদুৰ অমৃতনাথ মিত্ৰ প্ৰাইজ (Best Hindu in Combined Physical Science and Chemistry) লাভ কৰিছিল।

এই সময়ত কলিকতাৰ সুকীয়া ষ্ট্ৰিটৰ ভাড়াঘৰত সৃষ্টি হয় নন্‌চেন্স ক্লাবৰ। নৃত্য-গীত-অভিনয় এই ক্লাবৰ প্ৰধান আকৰ্ষণ আছিল। সুকুমাৰ আছিল এইবোৰৰ উদ্যোক্তা আৰু পৰিচালক। তেওঁৰ দুখন বিখ্যাত নাটিকা 'ঝালাপালা' আৰু 'লক্ষ্মণে'ৰ শক্তিশেল' নন্‌চেন্স ক্লাবৰ বাবেই লিখা হৈছিল। এই সময়ত সুকুমাৰৰ পৰিকল্পনা আৰু সম্পাদনাত 'সাড়ে বত্ৰিশ সভা' নামেৰে হাতে লিখা এখন আলোচনী প্ৰকাশিত হৈছিল।

প্ৰেচিডেন্সি কলেজৰ পৰা পদাৰ্থবিদ্যা আৰু ৰসায়নত ডবল অনাৰ্চ লৈ বিএছচি পাছ কৰি সুকুমাৰে আলোকচিত্ৰ আৰু ছপাখানাৰ প্ৰযুক্তিবিদ্যাত উচ্চ শিক্ষাৰ বাবে কলিকতা বিশ্ববিদ্যালয়ৰ 'গুৰুপ্ৰসন্ন ঘোষ স্কলাৰশ্বিপ' লাভ কৰি ১৯১১ত বিলাতলৈ যায়। বিলাতলৈ যোৱাৰ আগতে তেওঁ শান্তি নিকেতনলৈ গৈ ৰবীন্দ্ৰনাথ আৰু অবনীন্দ্ৰনাথৰ সহ-অভিনেতাৰূপে 'গোড়ায় গলদ' নামৰ নাটকত অভিনয় কৰিছিল।

এসময়ত বিদেশী আন্দোলনৰ প্ৰভাৱেও সুকুমাৰক সচকিত কৰিছিল। স্বদেশী দ্ৰব্য ব্যৱহাৰ সম্পৰ্কে তেওঁ স্বভাৱসিদ্ধ হাঁহিৰ গান ৰচনা কৰিছিল। ৰাজনীতিৰ বিষয়ে তেওঁ সৰৱ নাছিল যদিও তেওঁৰ মনোভংগী আছিল দেশাত্মবোধেৰে উদ্দীপ্ত। বংগভংগ আন্দোলনৰ সময়ত ৰচিত এটা গানৰ পৰাই তেওঁৰ এই দেশহিতৈষণা ফুটি উঠিছে।

টুটিল কি আজি ঘুমের ঘোর?  
কত আর বল রবে বিভোর?  
পরদ্বারে গিয়ে ভিক্ষারীর সাজে  
ফিরে এলি ঘৃণা অপমান লাজে,  
পরের প্রত্যাশা অনুগ্রহ আশা  
আর সে ভরসা কোথা রে তোর?  
ঘরের সন্তান ফিরে আয় ঘরে  
আয় ফিরে আয় মায়ের আদরে।  
শোন্‌রে শোন্‌রে ডাকেন জননী  
জন্মদুখিনী জননী তোর।

১৯১৩ৰ ২৩ অক্টোবৰত সুকুমাৰ ৰায়ে লণ্ডনত উপস্থিত হৈ স্কুল অৱ ফটো এনগ্ৰেভিং এণ্ড লিথোগ্ৰাফিত ভৰ্তি হয়। পাছৰ বছৰত মাঞ্চেষ্টাৰ স্কুল অৱ টেকন'লজিৰ বিশেষ ছাত্ৰৰূপে ভৰ্তি হৈ ইয়াত দেউতাকৰ দ্বাৰা উদ্ভাৱিত হাফটোন পদ্ধতি প্ৰদৰ্শন কৰি তাৰ কাৰ্যকাৰিতা প্ৰমাণ কৰে। প্ৰবাসত তেওঁ East and West Society-ৰ আহ্বানত প্ৰবন্ধ পাঠ কৰে— 'The Spirit of Rabindranath.' এই প্ৰবন্ধটো Quest পত্ৰিকাত প্ৰকাশৰ পাছত বক্তৃতাৰ বাবে তেওঁ বিভিন্ন সভাত নিমন্ত্ৰণ লাভ কৰে।

বিলাতত থকাৰ সময়ত তেওঁ প্ৰায় প্ৰতিটো সংখ্যাত গল্প, কবিতা আৰু ছবি দেউতাকৰ দ্বাৰা প্ৰতিষ্ঠিত 'সন্দেশ' পত্ৰিকালৈ পঠিয়ায়। সুকুমাৰ ৰায় বিলাতৰ Royal Photographic Societyৰ এগৰাকী সন্মানিত সদস্যৰূপেও নিৰ্বাচিত হয়। তেওঁৰ পূৰ্বতে একমাত্ৰ ছাৰ যতীন্দ্ৰমোহন ঠাকুৰ F.R.P.S হৈছিল। দেশলৈ প্ৰত্যাৱৰ্তন কৰি তেওঁ দেউতাকৰ ব্যৱসায় প্ৰতিষ্ঠান 'ইউ ৰায় এণ্ড ছন্স'ত যোগদান কৰে। এই সময়তে তেওঁৰ বিবাহ সম্পন্ন হয়। ১৯১৫ খ্ৰীষ্টাব্দত দেউতাকৰ মৃত্যুৰ পাছত ভায়েকৰ স'তে ব্যৱসায় পৰিচালনা কৰে। এই সময়তে গুণীমণ্ডলীৰ সহযোগত সৃষ্টি হয় তেওঁৰ 'মান্‌ডে ক্লাব'।

স্বল্পকালীন জীৱনত তেওঁ বিভিন্ন ধৰণৰ লেখা আৰু ৰেখাৰে বংগদেশৰ শিশুচিত্তক জয় কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ কবিতা, নাটক, গল্প—এই তিনিও ক্ষেত্ৰতে প্ৰচুৰ কৌতুক ৰসৰ স'তে সূক্ষ্ম ব্যংগাত্মক সমাজ চেতনাৰ এক অপূৰ্ব সংমিশ্ৰণ লক্ষ্য কৰা দেখা যায়। তেওঁ কিশোৰ-উপযোগী বিজ্ঞান-সাহিত্য ৰচনাত বিশেষ পাৰদৰ্শী আছিল। তেওঁৰ কাব্যগ্ৰন্থ—আবোল-তাবোল, খাই খাই; প্ৰবন্ধ-অতীতেৰ ছবি, বৰ্ণমালাতত্ত্ব; সাতখন নাটক—অবাক জলপান, ঝালাপালা, লক্ষ্মণেৰ শক্তিখেল, হিংসুটি, ভাবুকসভা, চলচ্চিত্ৰচঞ্চৰি অৰু শব্দকল্পদ্ৰুম। হযবৰল, পাগলা দাশু, বহুৰূপী তেওঁৰ গল্প-সংগ্ৰহ। ইয়াৰ উপৰি ইংৰাজী আৰু বাংলা ভাষাত ৰচিত কিছুমান গুৰুগম্ভীৰ প্ৰবন্ধও আছে। 'উহ্যনাম পণ্ডিত' ছদ্মনামেৰে তেওঁ লেখক-জীৱনৰ আৰম্ভণিত আৰু অন্তিম পৰ্বত আত্মপ্ৰকাশ কৰিছিল। তেওঁৰ প্ৰখৰ কল্পনাশক্তি আৰু ৰসিক মনৰ অপৰূপ ভাষাৰে লিখা ৰচনাৰ স'তে তেওঁৰ অঁকা ছবিবোৰো অতুলনীয়। উল্লিখিত ৰচনাসমূহৰ উপৰি তেওঁৰ বহু ছবি-কবিতা আৰু প্ৰৱন্ধ নানা পত্ৰ-পত্ৰিকাত সিঁচৰতি হৈ আছে। সুগায়ক আৰু সুঅভিনেতা তেওঁ খ্যাতিমান আছিল।

১৯১৫ খ্ৰীষ্টাব্দৰ ডিচেম্বৰত উপেন্দ্ৰকিশোৰৰ মৃত্যুৰ পাছত পিতৃৰ ব্যৱসায়, 'সন্দেশ' পত্ৰিকা আৰু পাৰিবাৰিক দায়-দায়িত্ব আহি পৰে সুকুমাৰৰ ওপৰত। এইখিনি সময়ৰ পৰা আৰম্ভ কৰি ১৯২৩লৈকে সময়খিনিক ক'ব পাৰি সুকুমাৰৰ জীৱনৰ আটাইতকৈ কৰ্মবহুল সময়; যদিও শেষৰ আঢ়ৈ বছৰ মাৰাত্মক বেমাৰত সেয়া দ্বিখণ্ডিত হৈছিল। ১৯২১ খ্ৰীষ্টাব্দৰ আদিভাগত তেওঁ পৈতৃক সম্পত্তি দেখা-শুনাৰ বাবে মৈমনসিঙলৈ গৈছিল। তাত কিছুদিন থাকি যেতিয়া উভতি আহিলে তেতিয়া তেওঁৰ গাত ক'লাজ্বৰে বাহ লৈছিল। সেই বছৰতে পুত্ৰ সত্যজিতৰ জন্ম হয় ২১মে'ত।

১৯২২ত অসুস্থ অৱস্থাৰ মাজতেই তেওঁ 'ফেলো অৱ দ্য ৰয়েল ফটোগ্ৰাফিক ছ'চাইটি' নিৰ্বাচিত হয়। দুৰাৰোগ্য ৰোগৰ পৰিণতি কি হ'ব পাৰে সেই কথা জানিও নিজৰ কৰ্মত অবিচল আৰু নিবিষ্ট থকাৰ বিৰল দৃষ্টান্ত সুকুমাৰ ৰায়। এই সময়ত লিখা আৰু অঁকাৰ মাজত মৃত্যুপথযাত্ৰী সুকুমাৰৰ কোনো দুখ বা বেদনাৰ চিহ্ন নাই, বৰঞ্চ কৌতুক আৰু প্ৰসন্নতাতহে সেইবোৰ প্ৰোজ্জ্বল।

সুকুমাৰৰ জীৱনৰ শেষ ৰচনা হ'ল 'আবোল তাবোল' নামক কবিতাটো। কবিতাটো লিখাৰ কেইদিনমান পাছত ১০ ছেপ্টেম্বৰ (১৯২৩) পুৱা ৮-১৫ মিনিটত এশ নম্বৰ গড়পাৰ ৰোডৰ ঘৰত ৩৫ বছৰ ১০ মাহ ১০ দিন বয়সত বহু প্ৰতিভাৰ অধিকাৰী এইগৰাকী কৃতী যুৱকৰ মৃত্যু হ'ল। সুকুমাৰ ৰায়ৰ মৃত্যুৱে সমস্ত বংগৰ লগতে স্বয়ং ৰবীন্দ্ৰনাথকো গভীৰভাৱে শোকস্তব্ধ কৰি পেলাইছিল।



কংগ্ৰেছত অঘটন

## আজাদৰ সমৰ্থনত জম্মু-কাশ্মীৰত ৬৪ কংগ্ৰেছ নেতাৰ দলত্যাগ

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৩০ আগষ্ট ঃ** জম্মু-কাশ্মীৰত অঘটনৰ সন্মুখীন হ'ল কংগ্ৰেছ। কংগ্ৰেছ ত্যাগ কৰা জ্যেষ্ঠ ৰাজনীতিক গোলাম নবী আজাদৰ সমৰ্থনত কাশ্মীৰৰ প্ৰাক্তন উপমুখ্যমন্ত্ৰী তাৰা চন্দসহ ৬৪ জন নেতাই কংগ্ৰেছ ত্যাগৰ কথা ঘোষণা কৰিলে। যোৱা শুকুৰবাৰে আজাদে কংগ্ৰেছৰ প্ৰাথমিক সদস্যপদসহ সকলো পদৰ পৰা অব্যাহতি লৈছিল। ইয়াৰ পাছতে কংগ্ৰেছক কঠোৰভাৱে সমালোচনা কৰি অহা আজাদে নিজা দল গঠন কৰিব বুলি ঘোষণা কৰিছিল। আজি জম্মু-কাশ্মীৰৰ ৬৪ জন কংগ্ৰেছী নেতাই আজাদৰ প্ৰতি সমৰ্থন ব্যক্ত কৰি দলত্যাগৰ কথা ঘোষণা কৰিলে।

প্ৰথম এছিয়ান হিচাপে অভিলেখ ভাৰতীয় উদ্যোগপতিৰ

## বিশ্বৰ তৃতীয় ধনাঢ্য ব্যক্তিৰ স্বীকৃতি লাভ আদানীৰ



নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ আগষ্ট ঃ বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত এইবাৰ তৃতীয় সংখ্যক স্থান দখল কৰিলে ভাৰতৰ আগশাৰীৰ উদ্যোগপতি তথা আদানী গোষ্ঠীৰ মুৰব্বী গৌতম আদানীয়ে। সম্প্ৰতি প্ৰকাশিত তালিকাত আদানীয়ে ধনাঢ্য ব্যক্তিৰ তালিকাত চতুৰ্থ স্থানৰ পৰা তৃতীয় স্থানলৈ উন্নীত হ'ল। এই তালিকাত শীৰ্ষত আছে টেছলা আৰু স্পেচ এক্সৰ মুৰব্বী এলন মাস্ক। প্ৰথমজন এছিয় ব্যক্তি হিচাপে ধনাঢ্য ব্যক্তিৰ তালিকাখনত তৃতীয় স্থান লাভ কৰিলে আদানীয়ে। এই তালিকাত ১১ সংখ্যক স্থানত আছে ভাৰতৰ আনজন আগশাৰীৰ উদ্যোগপতি তথা ৰিলায়েন্সৰ মুৰব্বী মুকেশ আম্বানী। ব্লুমবাৰ্গ বিলিয়নেৰ ইনডেক্সৰ ধনাঢ্য ব্যক্তিৰ তালিকাত সোমবাৰে তৃতীয় স্থানত থকা বাৰ্ণাৰ্ড আৰ্ণল্টক স্থানচ্যুত কৰি এই স্থান দখল কৰিলে আদানীয়ে। তালিকাৰ পৰিসংখ্যা অনুসৰি আদানীৰ সম্পত্তিৰ পৰিমাণ ১৩৭.৪ বিলিয়ন ডলাৰলৈ বৃদ্ধি পালে। ৬০ বছৰীয়া আদানীৰ বিগত এবছৰত ৬০.৯ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি পালে। এই তালিকাত দ্বিতীয় স্থানত আছে এমেজনৰ প্ৰতিষ্ঠাপক জেফ বেজ'ছ।

## বিশিষ্ট কৃষি অৰ্থনীতিবিদ অভিজিত সেনৰ মৃত্যু



**নিউজ ব্যুৰ', বাংগালুৰু, ৩০ আগষ্ট ঃ** ভাৰতৰ আগশাৰীৰ কৃষি অৰ্থনীতিবিদ আৰু পৰিকল্পনা আয়োগৰ প্ৰাক্তন সদস্য অভিজিত সেনৰ সোমবাৰে নিশা মৃত্যু হ'ল। ৭২ বছৰীয়া সেনৰ যোৱা নিশা ১১ বজাত হাৰ্ট এটেক হৈছিল আৰু লগে লগে পৰিয়ালৰ লোকে তেওঁক চিকিৎসালয়লৈ নিছিল যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। চাৰি দশকজোৰা কৰ্মজীৱনত সেনে অক্সফ'ৰ্ড বিশ্ববিদ্যালয়, কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ লগতে দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়তো অৰ্থনীতিৰ অধ্যাপনা কৰিছিল। গ্ৰাম্য অৰ্থনীতিৰ বিশেষজ্ঞ হিচাপে পৰিচিত হোৱা সেনে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ শক্তিশালীকৰণৰ সপক্ষে থিয় দি আহিছিল।

## ভাৰতত নিষিদ্ধ কৰা নহয় ১২ হেজাৰ টকাৰ কম মূল্যৰ চীনা স্মাৰ্টফোন ঃ কেন্দ্ৰৰ ঘোষণা



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ আগষ্ট ঃ** ভাৰতত সস্তীয়া চীনা স্মাৰ্টফোন নিষিদ্ধ হ'ব বুলি জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে কেন্দ্ৰৰ তথ্য প্ৰযুক্তি ৰাজ্যমন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰে এই বিষয়ত এক স্পষ্টীকৰণ দিলে। চন্দ্ৰশেখৰে প্ৰকাশ কৰা অনুসৰি, ভাৰতত ১২ হেজাৰ টকাৰ কম মূল্যৰ চীনত তৈয়াৰী স্মাৰ্টফোন নিষিদ্ধ কৰাৰ কোনো পৰিকল্পনা চৰকাৰৰ নাই। ভাৰতীয় কোম্পানীসমূহক বজাৰ প্ৰদান কৰাটো জৰুৰী যদিও ইয়াৰ বাবে চীনা স্মাৰ্টফোন প্ৰস্তুতকাৰক কোম্পানীৰ স্মাৰ্টফোন নিষিদ্ধ কৰাৰ কথা চৰকাৰে চিন্তা-চৰ্চা কৰা নাই বুলি মন্ত্ৰীজনে সদৰী কৰে। সম্প্ৰতি আৰ্থিক অনিয়মৰ অভিযোগত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন সংস্থাই কে'বাটাও চীনা ম'বাইল প্ৰস্তুতকাৰী কোম্পানীত তালাচী অভিযান চলাইছিল। ইয়াৰ পাছতে ভাৰতত সস্তীয়া চীনা স্মাৰ্টফোন নিষিদ্ধ হ'ব বুলি জল্পনা-কল্পনা অব্যাহত আছিল।

## বিতৰ্কিত টুইটৰ অভিযোগত গ্ৰেপ্তাৰ কৰিলে কমল আৰ খানক



**নিউজ ব্যুৰ', মুম্বাই, ৩০ আগষ্ট ঃ** 'বিগ বছ'ৰ প্ৰাক্তন প্ৰতিযোগী তথা অভিনেতা কমল ৰছিদ খানক গ্ৰেপ্তাৰ কৰিলে মলাড আৰক্ষীয়ে। ২০২০ বৰ্ষত খানে কৰা এক বিতৰ্কিত টুইটৰ অভিযোগত আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিলে। মুম্বাই বিমানকোঠৰ পৰা আজি আৰক্ষীয়ে খানক গ্ৰেপ্তাৰ কৰি ব'ৰিভালি আদালতত হাজিৰ কৰে। ২০০২ বৰ্ষত প্ৰয়াত অভিনেতা ঋষি কপুৰ আৰু ইৰফান খানৰ প্ৰসংগত অৱমাননাকৰ টুইট কৰিছিল খানে আৰু এই টুইটৰ বিৰুদ্ধে থানাত অভিযোগ দাখিল কৰা হৈছিল। ভাৰতীয় দণ্ডবিধিৰ ২৯৪ সহ একাধিক ধাৰাত খানৰ বিৰুদ্ধে আৰক্ষীয়ে গোচৰ ৰুজু কৰিছিল। উল্লেখ্য যে খানে সময়ে সময়ে সামাজিক মাধ্যমত আপত্তিকৰ মন্তব্য প্ৰকাশ কৰি চাঞ্চল্যকৰ সৃষ্টি কৰি আহিছে।

দেশত ২০২১ত ৪.২২ লাখ পথ দুৰ্ঘটনা সংঘটিত ঃ পথ দুৰ্ঘটনাত সৰ্বাধিক লোকৰ মৃত্যু উত্তৰ প্ৰদেশত

# এবছৰত দেশত পথ দুৰ্ঘটনাত ১.৭৩ লাখ লোকৰ মৃত্যু

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩০ আগষ্ট ঃ** কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে পথ দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে নানা পদক্ষেপ গ্ৰহণ কৰি আহিছে যদিও মুঠেও সুফল লাভ কৰিব পৰা নাই। দেশত হ্ৰাস পোৱা নাই দুৰ্ঘটনাৰ সংখ্যা। বৰঞ্চ ২০২১ বৰ্ষত ভাৰতত বৃদ্ধি পালে পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা। নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ' (এন চি আৰ বি)ৰ তথ্য অনুসৰি ২০২১ বৰ্ষত ভাৰতত ১.৭৩ লাখ লোকৰ পথ দুৰ্ঘটনাত মৃত্যু হৈছিল। দেশৰ ভিতৰতে যোৱা বছৰত সৰ্বাধিক সংখ্যক পথ দুৰ্ঘটনা সংঘটিত হৈছিল উত্তৰ প্ৰদেশত। সমগ্ৰ দেশত ২০২১ত মুঠ ৪.২২ লাখ পথ দুৰ্ঘটনা সংঘটিত হৈছিল। উত্তৰ প্ৰদেশত যোৱা বছৰত পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে ২৪,৭১১ জন লোকে। পথ দুৰ্ঘটনাত প্ৰাণ হানিৰ ক্ষেত্ৰত দেশৰ ভিতৰতে দ্বিতীয় স্থানত থকা তামিলনাডুত যোৱা বছৰত পথ দুৰ্ঘটনাই প্ৰাণ কাঢ়িলে ১৬,৬৮৫ জন লোকৰ।

পথ দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে সমগ্ৰ দেশত ট্ৰেফিক আইনত জৰিমনাৰ পৰিমাণ বৃদ্ধি কৰা হৈছে। কিন্তু ইয়াৰ পাছতো দেশত পথ দুৰ্ঘটনা প্ৰতিৰোধ কৰাটো সম্ভৱ হোৱা নাই। এন চি আৰ বিৰ তথ্য অনুসৰি ২০২০ৰ পৰা ২০২১ বৰ্ষৰ সময়ছোৱাত দেশত পথ দুৰ্ঘটনা বৃদ্ধি পালে।




২০২০ বৰ্ষত দেশত তিনি লাখ ৬৮ হেজাৰ ৮২৮ টা পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ বিপৰীতে ২০২১ বৰ্ষত দুৰ্ঘটনাৰ সংখ্যা চাৰি লাখ ২২ হেজাৰ ৬৫৯ টালৈ বৃদ্ধি পালে। কেৱল ৰাজপথত সংঘটিত হ'ল চাৰি লাখ তিনি হেজাৰ ১১৬ টা দুৰ্ঘটনা। ২০২১ বৰ্ষত ভাৰতত ১৭,৯৯৩ টা ৰেল দুৰ্ঘটনা সংঘটিত হৈছিল আৰু ইয়াৰে ১,৫৫০ টা দুৰ্ঘটনা ৰেলপথ পাৰ হ'বলৈ যোৱাৰ সময়ত সংঘটিত হৈছিল। তামিলনাডুত ২০২০ বৰ্ষত ৪৬,৪৪৩ টা পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ বিপৰীতে ২০২১ত ৫৭,০৯০ লৈ বৃদ্ধি পালে। অৱশ্যে পথ দুৰ্ঘটনাৰ ফলত দেশৰ ভিতৰতে সৰ্বাধিক লোকৰ মৃত্যু উত্তৰ প্ৰদেশত হৈছে। ইয়াৰ পাছতে তামিলনাডু আৰু মহাৰাষ্ট্ৰৰ দৰে ৰাজ্যত সৰ্বাধিক সংখ্যক লোকৰ পথ দুৰ্ঘটনাত যোৱা বছৰত মৃত্যু হৈছিল।

## উইলৰ চৰ পাহৰা নাই, ২০২৩ৰ অস্কাৰ সঞ্চালনাৰ প্ৰস্তাৱ প্ৰত্যাখ্যান ক্ৰিছৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ আগষ্ট ঃ** আগন্তুক ১০ বছৰলৈকে অস্কাৰ বঁটাৰ মঞ্চত হলিউডৰ বিখ্যাত অভিনেতা উইল স্মিথৰ স'তে সাক্ষাৎ হোৱাৰ কোনো সম্ভাৱনা নাথাকিলেও ২০২৩ বৰ্ষৰ অস্কাৰ বঁটা সঞ্চালনাৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে প্ৰসিদ্ধ কৌতুক শিল্পী ক্ৰিছ ৰকে। উল্লেখ্য যে যোৱা মাৰ্চত অনুষ্ঠিত হোৱা অস্কাৰ বঁটা প্ৰদান অনুষ্ঠানত উইলৰ পত্নী অভিনেত্ৰী জাডা পিংকেটৰ কেশহীন মূৰক লৈ ক্ৰিছে এক ৰসিকতা কৰিছিল। ইয়াৰ পাছতে হঠাতে মঞ্চলৈ উঠি গৈ উইলে ক্ৰিছক চৰ মাৰিছিল। এই ঘটনাই বিশ্বজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনাৰ পাছত উইলে একাধিকবাৰ ক্ষমা বিচাৰিছিল যদিও উক্ত ঘটনাক আজিও পাহৰিব পৰা নাই ক্ৰিছে। অস্কাৰ বঁটা প্ৰদান কমিটীয়ে ২০২৩ৰ বঁটা অনুষ্ঠান পৰিচালনা কৰিবলৈ ক্ৰিছক প্ৰস্তাৱ দিছিল যদিও কৌতুক শিল্পীজনে এই প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে।

## বিজেপিক প্ৰতিহিংসাৰ প্ৰত্যুত্তৰ ২০২৪ত দিব মমতাই, জনালে প্ৰত্যাহ্বান

**নিউজ ব্যুৰ' কলকাতা, ৩০ আগষ্ট ঃ** বিজেপি নেতৃত্বাধীন কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ বিৰুদ্ধে প্ৰতিহিংসাৰ ৰাজনীতিৰ অভিযোগ উত্থাপন কৰিলে তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে। মমতাই কেন্দ্ৰৰ বিৰুদ্ধে ৰাজনৈতিক স্বাৰ্থত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰি আহিছে। এই প্ৰসংগত আকৌ এবাৰ বিজেপিক মুক্ত প্ৰত্যাহ্বান জনালে পশ্চিমবংগৰ মুখ্যমন্ত্ৰীয়ে। কলকাতাৰ ধৰ্মতলাত অনুষ্ঠিত তৃণমূল ছাত্ৰ পৰিষদৰ সভাত অংশ লৈ মমতাই কয় যে বিজেপিক এই প্ৰতিহিংসাৰ প্ৰত্যুত্তৰ ২০২৪ৰ লোকসভাৰ নিৰ্বাচনত দিয়া হ'ব।



'আজি বিজেপিয়ে ই ডি-চিবিআইক ব্যৱহাৰ কৰি যি খেলাত নামিছে, ইয়াৰ উত্তৰ তেওঁলোকে লাভ কৰিব। আজি আমাক তেওঁলোকে গালি দিছে। কিন্তু মনত ৰখা ভাল, ৰাতি হ'লে পুৱা হ'বই। কাইলৈ আপোনালোকে বিদায় ল'ব, তেতিয়া আমি হাত তালি দিম। এতিয়া ৩০০ আসন থাকিলেও ২০২৪ত নিৰ্বাচনত বিজেপিৰ পৰাজয় নিশ্চিত। নিৰ্বাচনৰ সময় যেতিয়া আহিব, তেতিয়া দেখিব শূন্য। তেওঁলোকে ৰসগোল্লা খাব।' মমতাই এইদৰে হুংকাৰ দিলে কেন্দ্ৰৰ শাসকীয় দলটোক।

## বাবৰি-গোধৰা সংক্ৰান্ত সকলো গোচৰ বন্ধ কৰিলে উচ্চতম ন্যায়ালয়ে



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ আগষ্ট ঃ** বাবৰি মছজিদ ধ্বংস আৰু গোধৰা সাম্প্ৰদায়িক সংঘৰ্ষ গোচৰত উচ্চতম ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই যিসমূহ আবেদন দাখিল কৰা হৈছিল, সেই সকলোবোৰ আবেদন বন্ধ কৰি দিয়া হ'ল। সৰ্বোচ্চ ন্যায়ালয়ে প্ৰকাশ কৰা অনুসৰি, ২০১৯ বৰ্ষত বাবৰি মছজিদ সন্দৰ্ভত ন্যায়ালয়ে ৰায় ঘোষণা কৰিছিল। এই ৰায়ৰ পৰিপ্ৰেক্ষিতত আন গোচৰৰ কোনো অৰ্থ নাই বুলি মত প্ৰকাশ কৰে সৰ্বোচ্চ ন্যায়ালয়ে। আনহাতে, গোধৰা পৰৱৰ্তী সাম্প্ৰদায়িক অশান্তিক লৈ যিসমূহ গোচৰ তৰা হৈছিল, ইয়াৰে সৰহ সংখ্যকৰে তদন্ত বিশেষ দলে সম্পূৰ্ণ কৰিছে। সেয়েহে উচ্চতম ন্যায়ালয়ে এই গোচৰৰ বিচাৰ কৰাৰ প্ৰয়োজন নাই বুলি সৰ্বোচ্চ ন্যায়ালয়ে ঘোষণা কৰিলে। উচ্চতম ন্যায়ালয়ে আজি এইদৰে কয়, 'ইতিমধ্যে এইসমূহ গোচৰৰ সন্দৰ্ভত বৃহত্তৰ বিচাৰপীঠে ৰায় দিছে। নতুনকৈ বিচাৰ কৰাৰ বাবে একো বাকী নাই। আবেদনকাৰীৰ মাজৰ কে'বাজনৰো ইতিমধ্যে মৃত্যু হৈছে। সেয়েহে সিদ্ধান্ত লোৱা হৈছে যে এইসমূহ গোচৰ বন্ধ কৰি দিয়া উচিত।'



## দেশৰ দৈনিক সংক্ৰমণ পাঁচ হেজাৰলৈ নামিল, মৃত্যু ৩০ জনৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩০ আগষ্ট ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিডৰ সংক্ৰমণ যথেষ্ট হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত এদিনত দেশত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ৫৪৩৯ জন লোক। সোমবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৭৫০০ৰো অধিক। কেৰালাত ১০০০, মহাৰাষ্ট্ৰত ৮১০, কৰ্ণাটকত ৬৫৯ আৰু তামিলনাডুত ৫১২ জন লোক বিগত এদিনত কৰ'নাত আক্ৰান্ত হ'ল। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত দেশত বিগত এদিনত ৩০ জন লোকৰ মৃত্যু হ'ল। মহাৰাষ্ট্ৰত পাঁচজন, দিল্লীত চাৰিজন, হাৰিয়ানাত তিনিজন, গোৱা, ছিকিম, অসম, ওড়িছা আৰু কৰ্ণাটকত দুজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

## কংগ্ৰেছৰ সভাপতিৰ পদত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে থাৰুৰে

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ আগষ্ট ঃ** কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ শশী থাৰুৰে দলৰ সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। অৱশ্যে এই বিষয়ত এতিয়াও চূড়ান্ত সিদ্ধান্ত লোৱা নাই কংগ্ৰেছ সাংসদজনে। কংগ্ৰেছৰ এক সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, অচিৰে বিষয়টোৰ সন্দৰ্ভত থাৰুৰে সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে। থাৰুৰে এতিয়ালৈকে এই বিষয়ত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।



মালায়ালম দৈনিক সংবাদপত্ৰ 'মাতৃভূমি'ত প্ৰকাশিত নিজৰ এক প্ৰবন্ধত থাৰুৰে উল্লেখ কৰিছে যে আদৰ্শগতভাৱে কংগ্ৰেছ ৱৰ্কিং কমিটীৰ বহু আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰাটো উচিত আছিল। থাৰুৰে লগতে কয় যে ২০২০ বৰ্ষত কংগ্ৰেছৰ যি ২৩ জন নেতাই দলৰ মুৰব্বী ছোনিয়া গান্ধীলৈ সাংগঠনিক সংস্কাৰ বিচাৰি পত্ৰ লিখিছিল, তেওঁলোকৰ মাজত তেৰোঁ আছিল। 'এজন নতুন সভাপতি নিৰ্বাচন কৰাৰ অৰ্থ হ'ল দলৰ পুনৰুজ্জীৱনৰ এক সূচনা, এয়া এই মুহূৰ্তত কংগ্ৰেছৰ বাবে অতি প্ৰয়োজন।' থাৰুৰে এইদৰে কয়। তিৰুঅনন্তপুৰমৰ সাংসদজনে লগতে কয়, 'দলৰ কি সমস্যা আছে সেয়া দূৰ কৰাৰ বাবে সভাপতিৰ এক পৰিকল্পনা থকা উচিত। লগতে ভাৰতৰ বাবেও এক দৃষ্টিভংগী থাকিব লাগিব। যিদৰেই হওক, এক নিৰপেক্ষ নিৰ্বাচন প্ৰক্ৰিয়াই সমস্যা সমাধানৰ বাবে সুস্থ উপায়।' প্ৰবন্ধত থাৰুৰে এইদৰে উল্লেখ কৰিছে।

## সুৰানীতিৰ প্ৰসংগত কেজৰিৱাললৈ পত্ৰ লিখি ক'লে আন্নাই 'আপুনিও ক্ষমতাৰ ৰাগীত...'



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ আগষ্ট ঃ** দিল্লী চৰকাৰৰ আবকাৰী নীতিৰ প্ৰসংগত প্ৰশ্ন উত্থাপন কৰিলে প্ৰবীণ গান্ধীবাদী নেতা আন্না হাজাৰেয়ে। বিতৰ্কিত আবকাৰী নীতিৰ প্ৰসংগত সমস্যাৰ সন্মুখীন হোৱা আম আদমী পাৰ্টি (আপ) মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাললৈ পত্ৰ লিখি প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে গান্ধীবাদী নেতাজনে। উক্ত পত্ৰত কেজৰিৱালক উদ্দেশি আন্নাই এইদৰে কয়, 'আপুনি স্বৰাজ নামৰ গ্ৰন্থত আদৰ্শৰ কথা লিখিছিল। তেতিয়া আপোনাৰ পৰা বহুখিনি আশা কৰিছিলো, কিন্তু ৰাজনীতিলৈ গৈ মুখ্যমন্ত্ৰী হোৱাৰ পাছত আপুনি আদৰ্শ চিন্তাধাৰাক পাহৰি গ'ল। সুৰাৰ নিচা যেনেধৰণৰ হয়, ক্ষমতাৰ ৰাগীও একেধৰণৰ। এনে লাগিছে আপুনিও ক্ষমতাৰ ৰাগীত ডুব গ'ল।' আন্নাই এই পত্ৰত দিল্লীৰ নতুন আবকাৰী নীতিক সমালোচনা কৰি কয় যে ইয়াৰ ফলত ভ্ৰষ্টাচাৰ বৃদ্ধিৰ সম্ভাৱনা আছে। 'আপোনাৰ চৰকাৰে নতুন সুৰানীতি তৈয়াৰ কৰিলে আৰু ইয়াৰ ফলত সুৰাৰ বিক্ৰী আৰু সুৰাপান বৃদ্ধি পালে। গলিয়ে গলিয়ে সুৰাৰ বিপণী খোলা গৈছে। ইয়াৰ ফলত ভ্ৰষ্টাচাৰ বৃদ্ধি পাব। এয়া জনতাৰ হিতৰ বাবে নহয়।' কেজৰিৱাল চৰকাৰৰ সুৰা নীতিক এইদৰে দোষাৰোপ কৰিলে গান্ধীবাদী নেতাজনে।

## তিনি সন্তানেই ভৰসা, তেওঁলোকৰ হাততে ব্যৱসায়ৰ দায়িত্ব অৰ্পণ আম্বানীৰ

**নিউজ ব্যুৰ', মুম্বাই, ৩০ আগষ্ট ঃ** পৰ্যায়ক্ৰমে নিজৰ বিশাল বাণিজ্যিক সাম্ৰাজ্য পৰিচালনাৰ দায়িত্ব তিনি সন্তানক অৰ্পণ কৰিলে দেশৰ আগশাৰীৰ উদ্যোগপতি তথা ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানীয়ে। অলপতে ৰিলায়েন্স জিঅ'ৰ দায়িত্ব আম্বানীয়ে অৰ্পণ কৰিছিল জ্যেষ্ঠ পুত্ৰ আকাশ আম্বানীক। কালি ৰিলায়েন্সৰ ৪৫ সংখ্যক বাৰ্ষিক সভাত কন্যা ইশা আম্বানীৰ হাতত ৰিলায়েন্স ৰিটেইলৰ দায়িত্ব অৰ্পণৰ কথা ঘোষণা কৰিলে আম্বানীয়ে। উক্ত বৈঠকতে আম্বানীয়ে ঘোষণা কৰি কয় যে কন্যা ইশা আৰু দুই পুত্ৰ আকাশ আম্বানী আৰু অনন্ত আম্বানীয়ে ইতিমধ্যে ৰিলায়েন্স পৰিয়ালত ব্যৱসায় পৰিচালনাৰ দায়িত্ব লাভ কৰিলে। ভাষণ প্ৰসংগত আম্বানীয়ে এইদৰে কয়, 'আকাশ আৰু ইশাক যথাক্ৰমে জিঅ' আৰু ৰিটেইল ব্যৱসায় পৰিচালনাৰ দায়িত্ব দিয়া হৈছে। আচলতে আৰম্ভণিৰে পৰা তেওঁলোক আমাৰ উপভোক্তা ব্যৱসায়ৰ স'তে জড়িত আছিল। কণিষ্ঠ পুত্ৰ অনন্তয়ো যথেষ্ট আগ্ৰহৰে ব্যৱসায়ত জড়িত হৈছে। অধিকাংশ সময় অনন্তই জামনগৰত সময় অতিবাহিত কৰিছে। তেওঁলোক তিনিওজনৰে চিন্তা-ধাৰা ৰিলায়েন্সৰ প্ৰতিষ্ঠাপক ধীৰুভাই আম্বানীৰ দৰে।' অৱশেষত ধাৰণা কৰাৰ দৰেই আম্বানীয়ে তেওঁৰ তিনি সন্তানৰ হাতত ৰিলায়েন্স সাম্ৰাজ্য পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰিলে।



## বান বিধ্বস্ত পাকিস্তানলৈ সহায়ৰ হাত আগবঢ়াব মোদীয়ে

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ আগষ্ট ঃ** ভয়াৱহ বানত বিধ্বস্ত হোৱা পাকিস্তানৰ প্ৰতি সমবেদনা ব্যক্ত কৰিলে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰতিবেশী দেশৰ অৱস্থা দ্ৰুত স্বাভাৱিক হোৱাৰ কামনাৰে টুইট কৰি মোদীয়ে কয়, 'পাকিস্তানৰ বানৰ ভয়াৱহতা প্ৰত্যক্ষ কৰি আমি অত্যন্ত দুঃখিত। প্ৰাকৃতিক বিপৰ্যয়ৰ কাৰণত যিসকল ক্ষতিগ্ৰস্ত হ'ল, নিজৰ প্ৰিয়জনক হেৰুৱালে, সেইসকলো পৰিয়ালৰ প্ৰতি আমি সমবেদনা জনালো। আশা কৰো অতি শীঘ্ৰে এই বিপৰ্যয় আঁতৰিব আৰু পৰিস্থিতি স্বাভাৱিক হ'ব।' ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, মানবতাৰ খাতিৰত পাকিস্তানলৈ কিছু সাহায্য প্ৰেৰণৰ কথা চিন্তা-চৰ্চা কৰিছে নতুন দিল্লীয়ে। পাকিস্তানলৈ সাহায্য প্ৰেৰণৰ বাবে চৰকাৰৰ শীৰ্ষ স্তৰত আলোচনা চলা বুলিও বাতৰি প্ৰচাৰিত হৈছে। উল্লেখ্য যে ২০১৪ বৰ্ষত কেন্দ্ৰত বিজেপি চৰকাৰ গঠন হোৱাৰ পাছৰে পৰা পাকিস্তানলৈ প্ৰাকৃতিক বিপৰ্যয়ৰ সময়ত ভাৰতে সাহায্য প্ৰদান বন্ধ ৰাখিছে। ইয়াৰ পূৰ্বে ২০০৫ আৰু ২০১০ত তদানীন্তন ইউ পি এ চৰকাৰে পাকিস্তানলৈ সাহায্য প্ৰেৰণ কৰিছিল।



## ন কোটিটকীয়া গুটখাৰ বিজ্ঞাপন প্ৰত্যাখ্যান কাৰ্তিকৰ



**নিউজ ব্যুৰ', মুম্বাই, ৩০ আগষ্ট ঃ** মহাতাৰকা অভিনেতা অক্ষয় কুমাৰ, শ্বাহৰুখ খান আৰু অজয় দেৱগনে যি কাম কৰিব নোৱাৰিলে সেয়া বাস্তৱত কৰি দেখুৱালে অভিনেতা কাৰ্তিক আৰিয়ানে। কে'বা কোটিটকীয়া গুটখাৰ বিজ্ঞাপনত অংশ লোৱাৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে নতুন প্ৰজন্মৰ অভিনেতাজনে। প্ৰকাশিত বাতৰি অনুসৰি কাৰ্তিকক এটা গুটখা প্ৰস্তুতকাৰক কোম্পানীয়ে তথাকথিত পাণমছলাৰ বিজ্ঞাপনত অংশ লোৱাৰ বাবদ আঠৰ পৰা ন কোটি টকাৰ পাৰিশ্ৰমিক প্ৰদানৰ প্ৰস্তাৱ দিছিল। কিন্তু পাণমছলাৰ বিজ্ঞাপনত অভিনয় কৰিবলৈ অস্বীকাৰ কৰিলে কাৰ্তিকে। উল্লেখ্য যে অক্ষয়, অজয়, শ্বাহৰুখ আদিয়ে বিভিন্ন ব্ৰেণ্ডৰ পাণমছলাৰ বিজ্ঞাপনত অভিনয় কৰি আহিছে। কিন্তু স্বাস্থ্যৰ বাবে ক্ষতিকাৰক এনে সামগ্ৰীৰ বিজ্ঞাপনত অভিনয় কৰিবলৈ অস্বীকাৰ কৰি কাৰ্তিকে অনুৰাগীৰ হৃদয় জয় কৰিলে।

## দেশত কৰ্মসংস্থাপন সৃষ্টিত ৰিলায়েন্সৰ নতুন অভিলেখৰ দাবী আম্বানীৰ



**নিউজ ব্যুৰ', মুম্বাই, ৩০ আগষ্ট ঃ** সোমবাৰে দেশৰ আগশাৰীৰ উদ্যোগ প্ৰতিষ্ঠান ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজে ৪৫ সংখ্যক বাৰ্ষিক সভা অনুষ্ঠিত কৰিছিল। এই সভাত অংশ লৈ দেশৰ আগশাৰীৰ উদ্যোগপতি তথা ৰিলায়েন্সৰ মুৰব্বী মুকেশ আম্বানীয়ে কোম্পানীটোৰ ভৱিষ্যৎ পৰিকল্পনাৰ সন্দৰ্ভত কেতবোৰ তথ্য দাঙি ধৰে। ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজে দেশত কৰ্মসংস্থাপন সৃষ্টিত নতুন অভিলেখ স্থাপন কৰা বুলি দাবী কৰি আম্বানীয়ে কয় যে তেওঁলোকৰ ব্যৱসায়ৰ স'তে জড়িত প্ৰায় ২.৩২ লাখ চাকৰি সৃষ্টি কৰাটো সম্ভৱ হৈছে। আম্বানীয়ে দাবী কৰা অনুসৰি ৰিলায়েন্স ৰিটেইল এতিয়া ভাৰতৰ বৃহত্তম নিয়োগকৰ্তাৰ অন্যতম এটা। ৰিলায়েন্সৰ ৰপ্তানি যথেষ্ট বৃদ্ধি পাইছে আৰু দেশৰ বাৰ্ষিক পণ্য ৰপ্তানিৰ প্ৰায় ৮.৪ শতাংশ ৰিলায়েন্সৰ হাতত থকা বুলিও আম্বানীয়ে সদৰী কৰে।

## এইবাৰ ফিলিপাইন্সক ব্ৰহ্মছ ক্ষেপণাস্ত্ৰ যোগান ধৰিব ভাৰত-ৰাছিয়াই



**নিউজ ব্যুৰ', মানিলা, ৩০ আগষ্ট ঃ** দক্ষিণ চীন সাগৰত আধিপত্য স্থাপনত চীনে অহৰহ চেষ্টা চলাই আহিছে। ফলত ফিলিপাইন্সসহ একাধিক দেশৰ স'তে সীমান্ত সংঘাতত জড়িত হৈছে চীন। এনে পৰিস্থিতিতে বেইজিঙৰ ওপৰত চাপ বৃদ্ধি কৰি অহা বছৰত ফিলিপাইন্সক অত্যাধুনিক ব্ৰহ্মছ ক্ষেপণাস্ত্ৰ যোগান ধৰিবলৈ সাজু হৈছে ভাৰত আৰু ৰাছিয়া। ভাৰত আৰু ৰাছিয়াৰ যৌথ উদ্যোগত তৈয়াৰী ব্ৰহ্মছ ক্ষেপণাস্ত্ৰ ২০২৩ বৰ্ষত ফিলিপাইন্সে লাভ কৰিব। ইয়াৰ বাবে ইতিমধ্যে ভাৰত আৰু ৰাছিয়াই ফিলিপাইন্সৰ স'তে আলোচনাত অংশ ল'লে। শব্দতকৈ তিনিগুণ দ্ৰুত গতিৰ এই ক্ষেপণাস্ত্ৰ লাভ কৰিলে ফিলিপাইন্সৰ প্ৰতিৰক্ষা অধিক শক্তিশালী হ'ব। যোৱা জানুৱাৰীতে ব্ৰহ্মছ এৰ'স্পেচৰ স'তে ফিলিপাইন্সে চুক্তিবদ্ধ হৈছিল।

# দলবদ্ধ আক্ৰমণত আহত মহিলাই মৃত্যুৰে যুঁজিছে চিকিৎসালয়ত

## বাইহাটা আৰক্ষীৰ কোনো সঁহাৰি নাপায় সংবাদ মাধ্যমৰ আশ্ৰয় ল'লে অসহায় স্বামীয়ে

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ৩০ আগষ্ট ঃ** 'অপৰাধীৰ লগত বুজাবুজি কৰি কেছটো ৰেজিষ্টাৰ কৰা নাই আজিলৈ। এনে আৰক্ষীৰ পৰা ৰাইজে কি ন্যায় পাব বুলি আশা কৰে যদি ৰক্ষকেই ভক্ষক হয়? সেয়েহে আপোনালোকে এইবোৰৰ ওপৰত নিউজ কৰিব লাগে।' এইদৰেই ন্যায় ব্যৱস্থাটোৰ প্ৰতি বিষোদগাৰ কৰিলে বাইহাটা চাৰিআলিৰ এজন অসহায় লোকে। আৰক্ষীৰ দ্বাৰা উপেক্ষিত হৈ সম্প্ৰতি সংবাদ মাধ্যমৰ শৰণাপন্ন হৈছে কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত বৰহাটাৰ দুষ্কৃতিকাৰীৰ দলবদ্ধ আক্ৰমণৰ লগতে শ্লীলতা হানিৰ সন্মুখীন হৈ সম্প্ৰতি চিকিৎসালয়ত মৃত্যুৰে যুঁজি থকা এগৰাকী মহিলাৰ অসহায় অসহায় স্বামীয়ে। আৰক্ষীৰ ৰহস্যজনক স্থিতিৰ বাবে ঘৰ, থানা, কৰ্মৰত কোম্পানী আৰু হাস্পতাললৈ তাঁতবাটি কাঢ়ি ভাগৰি পৰা বৰহাটাৰ ধৰ্ম ডেকাৰ পুত্ৰ ভৱেশ ডেকাৰ সম্প্ৰতি ন্যায় ব্যৱস্থাটোৰ প্ৰতিয়ে আস্থা নোহোৱাৰ দৰে হৈ পৰিছে। যাৰ বাবে তেওঁ সংবাদ মাধ্যমলৈ একাধিক ম'বাইল বাৰ্তা প্ৰেৰণ কৰি নিজৰ অসহায় অৱস্থাটোৰ কথা সদৰী কৰাৰ লগতে সমগ্ৰ ঘটনাত সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনাইছে। ডেকাই অভিযোগ কৰিছে যে ঘটনাৰ আঠ দিনৰ পাছতো আৰক্ষীয়ে কোনো গোচৰ পঞ্জীয়ন কৰা নাই।

ডেকাই অভিযোগ কৰা মতে, এটা প্ৰতিবেশী পৰিয়ালৰ দলবদ্ধ আক্ৰমণত গুৰুতৰভাৱে আহত হৈ তেওঁৰ পত্নীয়ে এতিয়া চিকিৎসালয়ত মৃত্যুৰে সংগ্ৰাম কৰি আছে। অভিযোগ অনুসৰি, বৰহাটাৰ বাবুল শৰ্মা নামৰ লোকজনৰ পত্নী আৰু দুই সন্তানে নিজৰ ঘৰৰ আৱৰ্জনা, শৌচাগাৰৰ দুৰ্গন্ধময় পানী, বৰষুণৰ পানী আদি ডেকাৰ চৌহদত পেলাই তেওঁলোকৰ ঘৰৰ পৰিৱেশ পুতিগন্ধময় কৰি মানুহ থাকিব নোৱৰা অৱস্থাৰ সৃষ্টি কৰি আহিছে। তদুপৰি কূট-কৌশলেৰে ডেকাৰ পৰিয়ালৰ বাসভূমিও বেদখলৰ অপচেষ্টাত নিমজ্জিত হৈ আহিছে। এই বিষয়ে আপত্তি জনোৱাত যোৱা ২০ আগষ্টৰ পুৱা শৰ্মাৰ পৰিয়ালটোৰ সংশ্লিষ্ট সদস্যত্ৰয়ে দলবদ্ধভাৱে আক্ৰমণ কৰাতে ক্ষান্ত নাথাকি ডেকাৰ পত্নী কিৰণ ডেকাৰ কাপোৰ-কানিও চিৰাচিৰ কৰে। লগতে অকলশৰীয়া অৱস্থাত থকা মহিলাগৰাকীৰ মূৰৰ লগতে সৰ্ব শৰীৰতে কোৰেৰে গুৰুলা-গুৰুলকৈ কোবাই তেওঁক গুৰুতৰভাৱে আহত কৰি মুমূৰ্ষু অৱস্থাত পেলাই আঁতৰি যায়। ইয়াৰ পাছত মৃতপ্ৰায় অৱস্থাত মহিলাগৰাকীক এখন ব্যক্তিগত হাস্পতাললৈ নিয়াত তেওঁক আইচিউত ভৰ্তি কৰোৱা হয়। সেইদিনাৰ পৰা চিকিৎসালয়খনত ১৬ আগষ্টলৈকে মহিলাগৰাকীয়ে মৃত্যুৰে যুঁজি থাকিবলগা হয়। পৰৱৰ্তী সময়ত স্বামীয়ে ধনৰ অভাৱতে সম্পূৰ্ণ সুস্থ নোহোৱা সত্বেও পত্নীক ঘৰলৈ আনি চিকিৎসা চলাই সুস্থ কৰি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। যদিও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মহিলাগৰাকী এতিয়াও বিপদমুক্ত হোৱা নাই। উক্ত ঘটনাৰ পাছতে ডেকাই বাইহাটা চাৰিআলি আৰক্ষী থানাত আনৰ দ্বাৰা লিখাই এখন এজাহাৰ দাখিল কৰিছিল যদিও আৰক্ষীয়ে এই পৰ্যন্ত কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ কৰিছে। আৰক্ষীৰ ভূমিকাক কেন্দ্ৰ কৰি সম্প্ৰতি অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## উড়িয়া জনগোষ্ঠীৰ নোৱাখাই উৎসৱ উপলক্ষে পহিলা ছেপ্টেম্বৰত বিটিআৰত স্থানীয় বন্ধ ঘোষণা

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৩০ আগষ্ট ঃ** ৰাজ্যত বসবাস কৰা উড়িয়া জনগোষ্ঠীসকলৰ পৰম্পৰাগত নোৱাখাই উৎসৱ উপলক্ষে পহিলা ছেপ্টেম্বৰত বিটিআৰত স্থানীয় বন্ধৰ ঘোষণা কৰিছে বিটিআৰ প্ৰশাসনে। বিটিচি চৰকাৰৰ যুটীয়া সচিব সুজিত বাগলাৰীয়ে এক নিৰ্দেশ যোগে এই কথা ঘোষণা কৰিছে। উড়িয়া জনগোষ্ঠীৰ পৰম্পৰাগত কৃষি ভিত্তিক উৎসৱ নোৱাখাই উৎসৱত বিটিআৰ অঞ্চলত স্থানীয় বন্ধ ঘোষণা কৰাত অসম উড়িয়া যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি লক্ষ্মীধৰ তান্তি আৰু সাধাৰণ সম্পাদক পংকজ মহানন্দে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক ধন্যবাদ জ্ঞাপন কৰে। অসম উড়িয়া যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি লক্ষ্মীধৰ তান্তিয়ে সদৰী কৰা মতে, যোৱা ১১ আগষ্টত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ ৰাজনৈতিক সচিব মাধৱ ছেত্ৰীৰ অধ্যক্ষতাত বিটিআৰ চৰকাৰ কে'বাগৰাকী কাৰ্যবাহী সদস্য তথা অসম উড়িয়া যুৱ-ছাত্ৰী পৰিষদৰ এক প্ৰতিনিধি দলৰ মাজত বিটিআৰত বসবাস কৰা উড়িয়া জনগোষ্ঠীৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়নৰ লগতে বিভিন্ন সমস্যা সমাধানৰ দাবীত আলোচনা অনুষ্ঠিত হৈছিল। উক্ত আলোচনাত অসম উড়িয়া যুৱ-ছাত্ৰ পৰিষদে উত্থাপন কৰা আনকে'বাটাও দাবীৰ ভিতৰত অন্যতম দাবী আছিল পহিলা ছেপ্টেম্বৰত নোৱাখাই উৎসৱত বিটিআৰত স্থানীয় বন্ধ ঘোষণা কৰা।



নগাঁৱৰ নৱৰূপ জাতীয় বিদ্যাপীঠত শংকৰদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন।

## হালাকুৰাত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় সেৱা বাহিনীৰ প্ৰতিষ্ঠা দিৱসৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

**আগমনী, ৩০ আগষ্ট ঃ** শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় সেৱা বাহিনীৰ ২৬ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লাইখুঁটা কালি ধুবুৰী জিলাৰ হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত স্থাপন কৰা হয়। উল্লেখ্য যে শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় সেৱা বাহিনীৰ ২৬ সংখ্যক প্ৰতিষ্ঠা দিৱস অক্টোবৰৰ সাত আৰু আঠ তাৰিখত ধুবুৰী জিলাৰ হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত অনুষ্ঠিত কৰাৰ প্ৰস্তুতিৰেই কালি আনুষ্ঠানিকভাৱে লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে ধুবুৰী জিলা শাখা শংকৰদেৱ সংঘৰ সভাপতি প্ৰদেশ চন্দ্ৰ ৰাভাই। শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বিত্ত আৰু পৰিকল্পনা বিভাগৰ প্ৰধান সঞ্চালক বাবুল বৰা অনুষ্ঠানটোত মুখ্য অতিথিৰূপে উপস্থিত থাকে। জাতি গঠন, যুৱ শক্তিক একত্ৰীকৰণ, সকলোকে সাংস্কৃতিবান কৰি গঢ়ি তোলা আৰু সকলোকে মানুহ হিচাপে গঢ়ি তোলাৰ বাবে শংকৰদেৱ সংঘই কাম কৰি আহিছে আৰু অহৰহ কাম কৰি যাব। তাৰ লক্ষ্যৰে যুৱ সমাৰোহৰ এই আয়োজন বুলি সংঘৰ বিষয়ববীয়াই জানিবলৈ দিয়ে। ধৰ্ম ৰক্ষা কৰি নিজৰ জীৱন আহুতি দিয়া মহাপুৰুষসকলক স্মৰণ কৰাৰ লগতে মহাপুৰুষসকলৰ আদৰ্শৰে নিজকে আগুৱাই লৈ যোৱাৰ বাবেও সংঘৰ কৰ্মকৰ্তাসকলে আহ্বান জনায়। লাইখুঁটা স্থাপনৰ স'তে সংগতি ৰাখি কালি পুৱা পাঁচ বজাত পৰিৱেশ নিকাকৰণ, ৭-৩০ বজাত নাম-প্ৰসংগ আৰু ১১-৩০ বজাত ৰাজহুৱা সভা অনুষ্ঠিত হয়। লাইখুঁটা স্থাপন অনুষ্ঠানত শংকৰদেৱ সংঘৰ স'তে জড়িত শুভাকাংক্ষী, শংকৰদেৱ সংঘৰ বিষয়ববীয়াসকল, আইমাতৃসকল লগতে অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। আইমাতৃসকলে লাইখুঁটা স্থাপন অনুষ্ঠানত বিভিন্ন কাৰ্যসূচীৰে উৎসৱমুখৰ কৰি তোলে।

## সৰবৰহী মহিলা মনোমতী দেৱীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩০ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ সাংবাদিক, শিল্পী পেঞ্চনাৰ, সাহিত্যিক পেঞ্চনাৰ দিলীপ কুমাৰ শৰ্মাৰ মাতৃ মনোমতী দেৱী (৮৪)ৰ আজি দিনৰ এক বজাত নলবাৰী জিলাৰ মাখিবাহাত দেহাৱসান হোৱাত নলবাৰীৰ লগতে গোৱালপাৰা জিলাত শোকৰ ছাঁ পৰিছে। শিল্পী পেঞ্চনাৰ প্ৰয়াত প্ৰসন্ন কুমাৰ শৰ্মাৰ কন্যা আৰু ৰাজিক কৃতী শিক্ষকৰ বঁটাৰে বিভূষিত হৰিনাথ শৰ্মাৰ পত্নী দেৱীয়ে বাৰ্ধক্যজনিত কাৰণত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত দেৱীয়ে পাঁচ পুত্ৰ, এগৰাকী কন্যাসহ বহু আত্মীয়ক ইহসংসাৰত এৰি যায়। গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি দিলীপ কুমাৰ শৰ্মাই মাতৃহাৰা হোৱাত জিলা সাংবাদিক সন্থাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নলবাৰী জিলা সমিতিৰ অধিবেশনৰ প্ৰস্তুতি

অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ৩০ আগষ্ট ঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নলবাৰী জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনখন নলবাৰী চহৰ সমিতিৰ আতিথ্যত ঐতিহ্যমণ্ডিত নলবাৰী শ্ৰীশ্ৰীহৰিমন্দিৰ প্ৰাংগণত অহা চাৰি ছেপ্টেম্বৰত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি, সেইদিনা পুৱা শ্ৰীশ্ৰীহৰি মন্দিৰত বন্তি প্ৰজ্বলন কৰি অধিবেশনৰ আৰম্ভ কৰিব সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নলবাৰী জিলা সমিতিৰ সম্পাদক ভুৱনেশ্বৰ কলিতা (ধন)য়ে। পতাকা উত্তোলন কৰিব নলবাৰী জিলা সমিতিৰ সভাপতি সৰ্বেশ্বৰ কলিতাই। তাৰ পাছতে স্মৃতি তৰ্পণ আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে চহৰ সমিতিৰ সভাপতি হেমন্ত পাটগিৰী আৰু সহ-সম্পাদক নয়ন কলিতাই। পুৱা ন বজাত গছপুলি ৰোপণ কৰিব সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ চটাইবাৰী, ঘগ্ৰাপাৰ, বৰাজোল, খাতিকুছি, বাঁহজানী, দতৰা, উপৰ বৰভাগ, বলোৰা, দিহজাৰী, চাপ্লেকুছি, দেহাৰকুছি, চামতা, পশ্চিম বৰভাগ, সানেকুছি, জাগৰা, পানীগাঁও, বৰভাগ, সন্ধা, কালাগ আৰু কমাৰকুছি আঞ্চলিক সমিতিৰ সভাপতিসকলে। ১০.৩০ বজাত প্ৰতিনিধি সভা উদ্বোধন কৰিব সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সাংগঠনিক সম্পাদক নগেন কলিতাই। দিনৰ ১১ বজাত মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰিব সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সম্পাদক প্ৰতুল কুমাৰ কলিতাই। সভাখন সঞ্চালনা কৰিব নলবাৰী জিলা সমিতিৰ সভাপতি সৰ্বেশ্বৰ কলিতাই। আনহাতে, সম্বৰ্ধনা অনুষ্ঠানত নলবাৰী জিলাৰ কলিতা জনগোষ্ঠীৰ অৱসৰপ্ৰাপ্ত বিষয়া-কৰ্মচাৰী আৰু উচ্চ মাধ্যমিক-উচ্চতৰ মাধ্যামিক চূড়ান্ত পৰীক্ষাত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনাব। সভাত মুখ্য অতিথিৰূপে আসন অলংকৃত কৰিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দিব সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়ে। সভাখনত নলবাৰীৰ জাতীয় সংগঠনৰ সভাপতি, নলবাৰী হৰিমন্দিৰ সমিতিৰ সম্পাদক নগেন ডেকা, দলীয় সংগঠনৰ সভাপতি, আমচাৰ সভাপতি, উকীল সন্থাৰ সভাপতি, সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ বাগ্‌সা আৰু তামুলপুৰ জিলা সমিতিৰ সভাপতিসকলক অতিথিৰূপে আমন্ত্ৰণ কৰিছে।

## ক্ষতিগ্ৰস্ত কৃষকক বীজ যোগান কাছাৰ জিলা কৃষি বিভাগৰ

**শিলচৰ, ৩০ আগষ্ট ঃ** কেতিয়াবা ধাৰাসাৰ বৰষুণ, কেতিয়াবা বানপানীৰ ফলত কাছাৰত কৃষি ক্ষেত্ৰত ব্যাঘাত জন্মাৰ পাছত এইবাৰ খৰাং বতৰৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে কৃষকে। যাৰ বাবে কাছাৰৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলে যাতে জিলাখনৰ কৃষকসকলে অনুকূল পৰিস্থিতিতো শস্যৰ খেতি কৰিব পাৰে তাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। কাছাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী আব্দুৰ ৰহমানে কয় যে কেতিয়াবা প্ৰচণ্ড বৰষুণ আৰু কেতিয়াবা খৰাং প্ৰকৃতিৰ খেল যি অব্যাহত থাকিব আৰু কৃষি খণ্ডক আগুৱাই নিয়াৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। চলিত বৰ্ষৰ বানপানীৰ কথা উল্লেখ কৰি তেওঁ কয় যে শালি ধানৰ কৃষকসকল বানপানীৰ ফলত বিভিন্ন ধৰণে বাধাৰ সৃষ্টি হৈছে। যাৰ ফলত উৎপাদন সময় পলম হৈছে। ইয়াৰ পাছতে কৃষি বিজ্ঞান কেন্দ্ৰই বাহাদুৰ ছাবৱান জাতটোৰ অনুদান বিতৰণ আৰম্ভ কৰে, যিয়ে কম সময়ৰ ভিতৰতে উৎপাদন কৰে আৰু বানপানীৰ পানীত অধিক সময় জীয়াই থাকিব পাৰে। ৰহমানে কয় যে বীজৰ বিছনা নিদিয়াকৈ ড্ৰাম ছিডাৰৰ জৰিয়তে পোনপটীয়াকৈ ধান সিঁচিলে ভাল উৎপাদন পোৱাটো সম্ভৱ। এনেদৰে খেতি কৰিলে অধিক উৎপাদন পোৱাৰ উপৰি বহু কম খৰচত অধিক মাটিত খেতি কৰা সম্ভৱ। প্ৰায় ডেৰ ঘণ্টাত এজন লোকে অন্ততঃ এক বিঘা মাটি সিঁচিব পাৰে। কৃষিভূমি যাতে খালী হৈ নাথাকে তাৰ বাবে কৃষি বিজ্ঞানীসকলে বিভিন্ন প্ৰচেষ্টা হাতত লৈছে। এই ক্ষতি দূৰ কৰিবলৈ কৃষকসকলক ৰবি শস্যক অধিক গুৰুত্ব দিবলৈ কোৱা হৈছে কাৰণ বানপানীৰ ফলত শস্যত কিছু প্ৰভাৱ পৰিছে। বিভিন্ন স্থানত চলি থকা প্ৰশিক্ষণ শিবিৰৰ জৰিয়তে ব্যৱসায়িক ভিত্তিক ৰবি খেতিৰ বাবে কৃষকসকলক সংবেদনশীল কৰি তোলা হৈছে। ৰবি শস্যৰ খেতি কৰি শৈল পথাৰত হোৱা ক্ষতি দূৰ কৰিব লাগে। তেওঁ লগতে কয় যে কৃষকসকল গ্ৰামাঞ্চলত বিয়পি পৰিছে, কৃষকসকল যিমানেই দূৰৈত নাথাকক কিয়, কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলে তেওঁলোকৰ স'তে পোনপটীয়াকৈ যোগাযোগ কৰি পৰামৰ্শ দিয়ে। ইতিমধ্যে কাছাৰ জিলাৰ বিভিন্ন গ্ৰামাঞ্চলৰ কৃষকসকলৰ স'তে সজাগতা শিবিৰৰ আয়োজন কৰা হৈছে। মাস্কলাই খেতিৰ ওপৰত গুৰুত্ব দি কে'বাটাও স্থানত প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। মাস্কলাই বহুত লাভজনক। এবিঘা মাটিৰ বাবে তিনি কেজি বীজৰ প্ৰয়োজন। ইতিমধ্যে কৃষি বিজ্ঞানৰ দ্বাৰা মাস্কলাইৰ বীজ বিতৰণ কৰা হৈছে আৰু মাটিৰ পৰিমাণ নিৰ্ণয় কৰি মাস্কলাই যোগান ধৰা হৈছে। তেওঁ লগতে কয় যে মাহজাতীয় শস্যৰ মাজত মচুৰ দাইল, ৰাজমা বা ফাৰাছ দাইলৰ লগতে সৰিয়হৰ খেতি কৰিবলৈও কৃষকসকলক উৎসাহিত কৰা হৈছে। কাছাৰ জিলাত চলিত বৰ্ষত পুনৰ আৰম্ভ হ'ব কাউনৰ প্ৰদৰ্শনীমূলক খেতি। বিশেষকৈ শাক-পাচলি উৎপাদনত কাছাৰ জিলাক স্বাৱলম্বী কৰাৰ স্বাৰ্থত জিলাখনৰ বিভিন্ন প্ৰান্তত প্ৰদৰ্শনীমূলক কৃষিৰ জৰিয়তে কৃষকসকলক ব্যৱসায়িক কৃষিৰ প্ৰতি আকৰ্ষিত কৰাৰ প্ৰয়াস কৰা হৈছে। সেয়ে জিলাখনৰ কৃষকসকলক এতিয়াৰে পৰা ৰবি বীজৰ বিষয়ে চিন্তা কৰিবলৈ আৰম্ভ কৰিবলৈ আহ্বান জনোৱা হৈছে। বানপানীৰ পাছত পশুধন বচাবলৈ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলে বিভিন্ন স্থানত পশু চিকিৎসা শিবিৰৰো আয়োজন কৰিছে যাতে পশুধন ৰক্ষা কৰিব পৰা যায়। এই শিবিৰসমূহত গৰু, ম'হ, ছাগলী, ভেড়া আৰু প্ৰকৃতি জীৱ-জন্তুৰ চিকিৎসা কৰা হয় আৰু কৃষি বিজ্ঞান কেন্দ্ৰই প্ৰয়োজনীয় ঔষধ যোগান ধৰে।

## ভৱানীপুৰৰ মেধিকুছিত থিঅ'ছ'ফিকেল অৰ্ডাৰ অৱ ছাৰ্ভিচৰ বান সাহায্য বিতৰণ



অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ৩০ আগষ্ট ঃ** পাঠশালাৰ জ্যোতি থিঅ'ছ'ফিয়েল অৰ্ডাৰ অৱ ছাৰ্ভিচৰ উদ্যোগত, থিঅ'ছ'ফিকেল অৰ্ডাৰ অৱ ছাৰ্ভিচ, ইণ্ডিয়া এণ্ড আসাম-গুৱাহাটীৰ সহযোগত পৰহি ভৱানীপুৰ বিধানসভা সমষ্টিৰ মেধিকুছি গাঁৱত বানাক্ৰান্ত ৰাইজৰ মাজত বিভিন্ন সামগ্ৰী বিতৰণ কৰে। জ্যোতি থিঅ'ছ'ফিকেল অৰ্ডাৰ অৱ ছাৰ্ভিচৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত, ৰাজ্যিক বঁটাপ্ৰাপক শিক্ষক ৰামকৃষ্ণ তালুকদাৰে সংগঠনটোৰ লক্ষ্য, উদ্দেশ্য ব্যাখ্যা কৰি আনুষ্ঠানিকভাৱে কাৰ্যসূচী ভাগ মুকলি কৰে। ইয়াৰ পাছতে সংগঠনটোৰ বিষয়ববীয়াসকল ক্ৰমে ড° জগন্নাথ পাটগিৰি, হিৰিণ্বেশ্বৰ কটকী, ৰামকৃষ্ণ চৌধুৰী, মাধৱ পাটোৱাৰী, শৰৎ তালুকদাৰ, দেৱানন দত্ত, দিলীপ কুমাৰ মেধিয়ে মেধিকুছিৰ বানাক্ৰান্ত ৰাইজৰ মাজত আঁঠুৱা, বিছনা চাদৰ, কম্বল খোৱা পানীৰ বটল আদি বিতৰণ কৰে।

## কাছাৰ মহাবিদ্যালয়ৰ ঘটনাৰ তদন্ত আৰম্ভ

**শিলচৰ, ৩০ আগষ্ট ঃ** যোৱা ২১ আগষ্টত ৰাজ্য চৰকাৰৰ চতুৰ্থ শ্ৰেণীৰ পদৰ বাছনি পৰীক্ষাৰ দিনা ৰাজ্য চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সঞ্চালক ধৰ্মকান্ত মিলিয়ে শিলচৰ কাছাৰ মহাবিদ্যালয় কেন্দ্ৰত অধ্যক্ষ সিদ্ধাৰ্থ শংকৰ নাথৰ বিৰুদ্ধে উত্থাপিত গাফিলতিৰ অভিযোগৰ তদন্ত কৰে। অভিযোগ মতে, কাছাৰ জিলাৰ ৰাজ্যপাল ৰোহন কুমাৰ ঝাই উচ্চ শিক্ষা বিভাগৰ কৰ্তৃপক্ষক খবৰ দিয়ে। এই তদন্তৰ আধাৰত মিলিয়ে মঙলবাৰে মহাবিদ্যালয়লৈ গৈ অধ্যক্ষৰ সাক্ষ্য লৈছিল। তদুপৰি মহাবিদ্যালয়খনৰ আন আন শিক্ষক-শিক্ষয়িত্ৰীসকলে তেওঁলোকৰ ভাষণ শুনিছিল। ইয়াৰ পাছতে তেওঁ জিলা দণ্ডাধীশৰ কাৰ্যালয়লৈ গৈ অতিৰিক্ত জিলা দণ্ডাধীশ দীপক জিদুঙৰ সাক্ষ্য লয়।

## মঙলদৈত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ পৰা দুৰ্বৃত্তই লুটিলে ১.৭০ লাখ টকা

### এটিএম কাৰ্ড সলাই দুৰ্বৃত্তই কৰিলে লুট

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩০ আগষ্ট ঃ** এটিএম কাৰ্ড সলনি কৰি মঙলদৈ চহৰৰ এগৰাকী অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ পৰা দুৰ্বৃত্তই লুট কৰিলে লক্ষাধিক টকা। এই ঘটনাই সম্প্ৰতি সমগ্ৰ চহৰতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, যোৱা ২৭ আগষ্টত মঙলদৈ চহৰৰ ইণ্ডাষ্ট্ৰি চ'কৰ নিবাসী তথা জিলা পৰিবহণ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সোণেশ্বৰী ডেকাই চহৰৰ ভেবাৰঘাটস্থিত ভাৰতীয় ষ্টেট বেংকৰ বজাৰ শাখাৰ এটিএমৰ পৰা কিছু ধন উলিয়াই ঘৰলৈ আহে। অৱশ্যে কৰ্মচাৰীগৰাকীয়ে ঘৰলৈ অহাৰ পাছতহে তেওঁৰ এটিএম কাৰ্ডখন সলনি হোৱা বুলি ধৰিব পাৰে। দুৰ্বৃত্তই কি কৌশলেৰে এটিএম কাৰ্ডখন সলনি কৰিলে সেয়া টলকিবই নোৱাৰিলে ডেকাই। ইতিমধ্যে তেওঁ এৰি থৈ অহা এটিএম কাৰ্ডখনেৰে দুৰ্বৃত্তই কৌশলেৰে লুটি নিয়ে ১.৭০ লাখ টকা। লগে লগে ডেকাৰ ঘৰখনত হুৱাদুৱাৰ সৃষ্টি হয়। ঘটনা সন্দৰ্ভত ভুক্তভোগী ডেকাই আজি মঙলদৈ সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। উল্লেখ্য যে মঙলদৈত কিছুদিনৰ পৰা অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকল দুষ্ট চক্ৰৰ লক্ষ্য হৈ পৰিছে।

## হোজাইত নিয়মীয়া সাহিত্য পাঠৰ অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**হোজাই, ৩০ আগষ্ট ঃ** সুদীৰ্ঘ দুটা বছৰৰ বিৰতিৰ পাছত যোৱা ২৮ আগষ্টত হোজাই সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত হয় নিয়মীয়া সাহিত্য পাঠৰ এই বৰ্ষৰ প্ৰথম বৈঠক। প্ৰায় ৩০ গৰাকী সদস্য-সদস্যাৰ উপস্থিতিত বিভিন্ন কবিতা, গল্প, কথিকা আৰু গীত পৰিৱেশন কৰে। এইসমূহ গল্প-কবিতাৰ সমীক্ষা কৰে পদ্মকান্ত বৰাই। অনুষ্ঠান সঞ্চালনা কৰে কল্পনা দেৱী গোস্বামীয়ে। হোজাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ চামচুল হক আৰু বৰ্তমান সভাপতি দয়াল ক্ৰ'ৰ উদ্যোগত অনুষ্ঠিত এই সাহিত্য পাঠ অনুষ্ঠানৰ ব্যৱস্থাপনাত যোগেন দত্ত, উৎপল বৰুৱা, সুৰেণ বৰকটকী আৰু অনুপ মজুমদাৰে সহায় কৰে। এই বৰ্ষৰ পৰৱৰ্তী দ্বিতীয় বৈঠক অহা ২৫ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব।

## ত্ৰয়োদশ আৰক্ষী বেটেলিয়নত যুৱক-যুৱতীৰ প্ৰশিক্ষণ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৩০ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যৰ শীৰ্ষ আৰক্ষী বিষয়াসকলৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই লখিমপুৰৰ লীলাবাৰীস্থিত ত্ৰয়োদশ অসম আৰক্ষী বেটেলিয়নৰ মুখ্য কাৰ্যালয়ে কালিৰে পৰা আৰক্ষী, সামৰিক আৰু অৰ্ধ সামৰিক বাহিনীত নিয়োগৰ বাবে আগ্ৰহী যুৱকসকলক বাছনি পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰাকৈ এক ৪৫ দিনীয়া শাৰীৰিক প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত ত্ৰয়োদশ অসম আৰক্ষী বাহিনীৰ অধিনায়ক ফকৰুল ইছলামে সদৰী কৰা মতে, প্ৰথমবাৰৰ বাবে হাতত লোৱা এই প্ৰশিক্ষণত একোটা দলত ৩০ জনকৈ প্ৰশিক্ষাৰ্থী থাকিব। প্ৰথমটো প্ৰশিক্ষাৰ্থী দলৰ প্ৰশিক্ষণ সম্পূৰ্ণ হোৱাৰ পাছত পৰৱৰ্তী দলৰ প্ৰশিক্ষণ আৰম্ভ হ'ব। শিবিৰত আগ্ৰহী যুৱতীসকলকো প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হ'ব। প্ৰশিক্ষণৰ পূৰ্বে বাহিনীৰ চিকিৎসা বিষয়া ডাঃ অনুভৱ ভৰালীৰ তত্ত্বাৱধানত প্ৰশিক্ষাৰ্থীসকলৰ সক্ষমতা, উচ্চতা আদিৰ পৰীক্ষা লোৱা হয়।

## শংকৰদেৱ নাট্যদলৰ আখৰা গৃহ মুকলি

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৩০ আগষ্ট ঃ** বজালী মহকুমাৰ অন্তৰ্গত কৰ্দৈগুৰীৰ শংকৰদেৱ নাট্যদলে অষ্টম বৰ্ষত ভৰি দিলে। বিগত বৰ্ষকেইটাত নামনি অসমৰ বিভিন্ন অনুষ্ঠান যেনে- শাৰদীয় দুৰ্গা পূজা, বাসন্তী পূজা, লক্ষ্মী পূজা, শ্যামা পূজা, ৰাস মহোৎসৱ, দৌলোৎসৱ, মাঘমেলা, ফাগুন মাহৰ উৎসৱ আদিত অপেছাদাৰীভাৱে নাট্যাভিনয় কৰি দৰ্শক ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা নাট্য দলটোৱে এইবেলিও ২০২২-২৩ৰ বাবে নাটক মঞ্চস্থ কৰাৰ মন মেলিছে। সেই উপলক্ষে কালি নাট্য দলটোৱে বিভিন্ন কাৰ্যসূচীৰে আখৰা গৃহ মুকলি কৰে। কালি আখৰা গৃহ মুকলিৰ কাৰ্যসূচী অনুসৰি পুৱা আঠ বজাত



নাট্য ধ্বজা উত্তোলন কৰে মন্মথ মেধিয়ে। পুৱা ৮-৩০ বজাত বৃক্ষৰোপণ কৰে হিমাংশু পাঠক আৰু বীৰেন তালুকদাৰে। পুৱা ন বজাত আখৰা গৃহ মুকলি কৰে সমাজসেৱক গজেন্দ্ৰ তালুকদাৰে। পুৱা ১০ বজাত ভাগৱত পাঠ কৰে পাঠক ধীৰেণ কলিতাই। ইয়াৰ পাছত এক মাংগলিক পৰিৱেশৰ মাজেৰে নাট উন্মোচন কৰে গিৰীশ বিদ্যাপীঠ বিশেষ হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক তথা নাট্যকাৰ অমৰেন্দ্ৰ শৰ্মাই। নাট্যকাৰ তথা অভিনেতা বিশ্বজিৎ পাঠকে 'ঘাতক' নাটখনৰ এটি সংলাপ আৰু অভিনেতা অনুপ তালুকদাৰে 'ৰামলীলা' নাটকখনৰ এটি সংলাপেৰে নাটকৰ আখৰাৰ আৰম্ভ কৰে। ইতিমধ্যে নাট্য দলটোৱে অভিজিৎ ভট্টাচাৰ্যৰ 'দেউতা' আৰু 'ৰামলীলা' আৰু বিশ্বজিৎ পাঠকৰ 'ঘাতক' নাট তিনিখন মঞ্চস্থ কৰাৰ মানস কৰিছে। ২০২২-২৩ নাট্য বৰ্ষৰ বাবে সাজু হোৱা অপেছাদাৰী নাট্য দলটোত অভিনয় কৰিব অনুপ তালুকদাৰ, ভূপেন ৰয়, বিশ্বজিৎ পাঠক, ধীৰেন কলিতা, ডিম্বেশ্বৰ দাস, হেমেন কলিতা, ৰিপু দাস, নিতুল পাঠক, দেৱলীলা বৰুৱা, দিব্যলতা বৰুৱাৰ লগতে কে'বাগৰাকী ন-পুৰণি শিল্পীয়ে। নাট্য দলটোৰ মুখ্য পৃষ্ঠপোষক ৪১ নম্বৰ ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ, পৃষ্ঠপোষক অমৰেন্দ্ৰ শৰ্মা, সচিব বিশ্বজিৎ পাঠক, সংগীত নাৰায়ণ বৰুৱা, ব্যৱস্থাপক পংকজ কলিতা, প্ৰতিনিধি গোপাল মজুমদাৰ, উপদেষ্টা গজেন তালুকদাৰ। নাট্য দলটোৰ যোগাযোগ নম্বৰ হৈছে ৯৩৮৭৯৯৫২০৭ আৰু ৭০০২৮৯৫৮৩৫।

## বকোৰ গাৰো মাধ্যমৰ হাইস্কুল এখন বন্ধ কৰাৰ সিদ্ধান্ত

### ৰাজপথলৈ ওলাই অহাৰ হুংকাৰ গাৰো ছাত্ৰ সন্থাৰ

অগ্ৰদূত বাৰ্তা

**বকো, ৩০ আগষ্ট ঃ** ৰাজ্য চৰকাৰে অসমৰ হাইস্কুলসমূহ ছেইণ্ট মেৰিজ, ডনবস্ক'তকৈও দেখাত ভাল কৰাৰ কথা ঘোষণা কৰাৰ সময়তে আজি দক্ষিণ কামৰূপৰ দুখন গাৰো মাধ্যমৰ বিদ্যালয়ৰ এখন বন্ধ কৰাৰ সিদ্ধান্তৰ প্ৰতিবাদ জনালে গাৰো ছাত্ৰ সন্থা আৰু পাঁচ হেজাৰ গাৰো জনতাই। প্ৰতিবাদী সভা আৰু হাতে হাতে ফেষ্টুন, প্লেকাৰ্ড লৈ প্ৰতিবাদ সাৰস্ত্য কৰিলে প্ৰতিবাদকাৰীয়ে। উল্লেখ্য যে অসম-মেঘালয় সীমান্তৱৰ্তী বকোৰ গোহালকোনা হাইস্কুলখনত বৰ্তমানে ১৯১গৰাকী ছাত্ৰ-ছাত্ৰী অধ্যয়নৰত। ইয়াৰে ভিতৰত ৫২গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে সাজু হৈছে। একেদৰে হীৰক জয়ন্তী বৰ্ষ উদযাপনৰ প্ৰস্তুতি চলাই থকা অৱস্থাত হাইস্কুলখন তলা বন্ধৰ তালিকাত স্থান পোৱাত ক্ষোভিত হৈ পৰিছে স্থানীয় লোক। আজি গোহালকোনা হাইস্কুল সমীপৰ খেলপথাৰত ৰাজহুৱা সভা অনুষ্ঠিত কৰি গাৰো ছাত্ৰ সন্থা আৰু পাঁচ হেজাৰ গাৰো জনতাই বিদ্যালয়খন বন্ধ কৰাৰ সিদ্ধান্তক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। গাৰো ছাত্ৰ সন্থা অসম মণ্ডলৰ সভাপতি মেকট্ৰেডলি ডি ছাংমাই সংবাদ মাধ্যমৰ আগত অৱগত কৰে যে ৰাজ্য চৰকাৰখনে দীৰ্ঘদিন ধৰি গাৰো মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা নাই। দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টি, ছয়গাঁও সমষ্টিৰ ভিতৰত মাত্ৰ বকো সমষ্টিত দুখন গাৰো মাধ্যমৰ হাইস্কুল আছে। অসম-মেঘালয় সীমান্তৱৰ্তী হাহিম আৰু গোহালকোনাত একোখনকৈ গাৰো মাধ্যমৰ হাইস্কুল আছে। সভাপতিজনে পুনৰ কয়, 'গোহালকোনা হাইস্কুলখনত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষাগুৰুৰ অভাৱ। আনকি প্ৰধান শিক্ষকৰ সলনি সহকাৰী শিক্ষকে বিদ্যালয়খন চলাই আছে। বিদ্যালয়খন প্ৰয়োজনীয় সা-সুবিধাৰ অভাৱত আছে। শিক্ষাগত মান উন্নত কৰাৰ বাবে ৰাজ্য চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিলে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী আগুৱাই যাব পাৰিব। গতিকে ৰাজ্য চৰকাৰে বিদ্যালয়খন বন্ধ কৰাৰ পৰিৱৰ্তে গাৰো মাধ্যমৰ বিদ্যালয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে।' একেদৰে কামৰূপ জিলা গাৰো ছাত্ৰ সন্থাৰ সভাপতি ফন্দিন আৰ মাৰাকে ৰাজ্য চৰকাৰখনক আঙুলিয়াই কয় যে, বিদ্যালয়খন বন্ধ কৰাৰ ৰাজ্য চৰকাৰখনৰ সিদ্ধান্তক গাৰো ছাত্ৰ সন্থাই কোনোপধ্যেই মানি নলয়। যদিহে গাৰো ছাত্ৰ সন্থা আৰু গাৰো জনতাৰ দাবী চৰকাৰখনে মানি নলয়, তেন্তে যুটীয়াভাৱে ৰাজপথ কঁপাই তুলিব বুলি হুংকাৰ দিয়ে। প্ৰতিবাদী সভাত উপস্থিত স্থানীয় সমাজ কৰ্মী জনছন জে ছাংমাই বিদ্যালয়খন বন্ধ কৰাৰ পূৰ্বে চৰকাৰক পুনৰবাৰ চালি-জাৰি চাবলৈ টানি অনুৰোধ জনায়। তেওঁ কয় যে ইতিমধ্যে বিদ্যালয়খনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পদাৰ্পণ কৰি ১০ লাখ টকা প্ৰদান কৰি অনাগত দিনত লাগিলে পুনৰ সাহায্য প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দি গৈছিল। গতিকে তেনে অৱস্থাত বিদ্যালয়খন বন্ধ কৰাৰ পূৰ্বে ২০২১-২২ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত শূন্য ফলাফল হোৱাৰ প্ৰকৃত কাৰণ জনা দৰকাৰ আছে চৰকাৰ তথা বিভাগীয়ভাৱে। অন্যথা বিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰীসকলৰ ভৱিষ্যত অন্ধকাৰ হৈ পৰিব বুলি তেওঁ কয়।

## শুৱালকুছিত যোগ কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৩০ আগষ্ট ঃ** 'যোগ সাধনে মানুহক নিৰোগী শৰীৰ প্ৰদানৰ লগতে মানৱীয়তা প্ৰদান কৰে। শৰীৰ সংকুচিত কৰি শংকু বিন্দুত উপনীত হ'ব পৰাই যোগৰ উত্তম সাধন।' এই ভাষ্য মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ। শুৱালকুছিৰ ন'পাৰাত কালি সাধনা যোগ চেণ্টাৰ নামৰ এটা যোগ কেন্দ্ৰ মুকলি কৰি তেওঁ আজিৰ যুৱ প্ৰজন্ম যোগৰ প্ৰতি আকৰ্ষিত হোৱা বুলি কয়। এয়া সমাজৰ বাবে শুভ লক্ষণ বুলিও মন্তব্য কৰে। অনুষ্ঠানত ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ চিকিৎসা চেণ্টাৰৰ প্ৰতিষ্ঠাপক সভাপতি যোগাচাৰ্য সুভাশীষ কৰে যোগ আৰু মানৱ শৰীৰ পৰিপূৰক ব্যাখ্যা কৰে। নিৰন্তৰ যোগ সাধনাই শৰীৰৰ ইৰা পিংগলা আৰু সুসুন্না নাৰী পৰিশোধন কৰি শৰীৰ নিৰোগী কৰাৰ লগতে মানুহক যোগীলৈ পৰিৱৰ্তন কৰে বুলি কয়। বন্তি প্ৰজ্বলন কৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ যোগ আৰু প্ৰাকৃতিক চিকিৎসা বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বলিনাৰায়ণ ফুকনে। সন্মানীয় বক্তা হিচাপে উপস্থিত থাকে মাধন বৰা চহৰীয়া, সহকাৰী অধ্যাপক যোগ আৰু প্ৰাকৃতিক চিকিৎসা বিভাগ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, শুৱালকুছি এফ আৰ ইউৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ দীপক দাস, ডাঃ শ্যামন্ত কলিতা, দিগন্ত শৰ্মা আৰু বিজেপিৰ শুৱালকুছি মণ্ডলৰ সভাপতি হেম বৈশ্য উপস্থিত থাকে।

## Solved GS Question Paper of Assam Public Service Commission's Combined Competitive (Pre) Exam

**The following is the solved General Studies question paper of Combined Competitive (Preliminary) Examination 2009 of the Assam Public Service Commission. Read the solved questions to upgrade your preparation for various competitive examinations.**



**21. World's largest producer of gold is**
(A) China
(B) USA
(C) South Africa
(D) Canada
Ans: (A)

**22. When was Mizoram converted into a Union Territory?**
(A) 1969
(B) 1972
(C) 1949
(D) 1951
Ans: (B)

**23. Which is the world's longest railway line?**
(A) Trans-Siberian line
(B) Texas Railway line
(C) Trans-Austin line
(D) Trans-American line
Ans: (A)

**24. For a healthy adult Indian, the Body Mass Index (BMI) Should be in the range of**
(A) 11.51 - 18
(B) 18.5 - 24.9
(C) 25-30
(D) None of the Above
Ans: (B)

**25. Black hole is an object to be found**
(A) at the bottom of oceans
(B) in the sky
(C) inside a current – carrying conductor
(D) None of the above
Ans: (A)

## ইণ্ডিয়ান ক'ষ্ট গাৰ্ডত গেজেটেড বিষয়া নিযুক্তি

**স**ম্প্ৰতি ইণ্ডিয়ান ক'ষ্ট গাৰ্ড অৰ্থাৎ ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে পুৰুষ আৰু মহিলা এছিছটেণ্ট কমাণ্ডেণ্ট (গ্ৰুপ 'এ' গেজেটেড বিষয়া) পদত নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছে। আগ্ৰহী আৰু অহৰ্তাসম্পন্ন প্ৰাৰ্থীয়ে এই পদৰ বাবে আবেদন দাখিল কৰিব পাৰিব। এই সন্দৰ্ভত সবিশেষ জানিবলৈ প্ৰাৰ্থীয়ে ইণ্ডিয়ান ক'ষ্ট গাৰ্ডৰ ৱেবছাইট ভিজিট কৰিব লাগিব।

প্ৰকাশিত বিজ্ঞপ্তি অনুসৰি, অহা সাত ছেপ্টেম্বৰৰ ভিতৰত প্ৰাৰ্থীয়ে আবেদন পত্ৰ দাখিল কৰিব লাগিব। প্ৰাৰ্থীয়ে অনলাইনযোগে আবেদন দাখিল কৰিব লাগিব। আবেদনপত্ৰ



ইণ্ডিয়ান ক'ষ্ট গাৰ্ডৰ ৱেবছাইটত উপলব্ধ। মুঠ খালী পদৰ সংখ্যা ৭১ টা। ইয়াৰে জেনেৰেল ডিউটি (জি ডি)/ চিপিএল (এছএছএ)ৰ ৫০ টা পদ, টেক (ইঞ্জিনিয়াৰিঙ)ৰ ২০ টা পদ আৰু টেক (ইলেকট্ৰ'নিক)ৰ এটা পদত প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব।

**আবেদনৰ যোগ্যতা ঃ** জেনেৰেল ডিউটি পদৰ বাবে প্ৰাৰ্থী যিকোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা ন্যূনতম ৬০ শতাংশ নম্বৰসহ ডিগ্ৰীধাৰী হ'ব লাগিব। তদুপৰি প্ৰাৰ্থীৰ দ্বাদশ শ্ৰেণীত পদাৰ্থ বিজ্ঞান আৰু গণিতত কমেও ৫৫ শতাংশ নম্বৰ থাকিব লাগিব। ডিপ্ল'মা গ্ৰহণৰ পাছত স্নাতক ডিগ্ৰীধাৰীয়েও আবেদন কৰিব পাৰিব। কৰ্মাচিয়েল পাইলট লাইচেন্স-দ্বাদশ শ্ৰেণীত পদাৰ্থ বিজ্ঞান আৰু গণিতত কমেও ৫৫ শতাংশ নম্বৰ থাকিব লাগিব। ডিপ্ল'মাধাৰী প্ৰাৰ্থীয়েও আবেদন কৰিব পাৰিব, কিন্তু দ্বাদশত পদাৰ্থ বিজ্ঞান আৰু গণিতত ন্যূনতম ৫৫ শতাংশ নম্বৰ লাভ কৰিব লাগিব। টেকনিকেল মেকানিকেল স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা নেভেল আৰ্কিটেকচাৰ বা মেকানিকেল বা মেৰিন বা অট'ম'টিভ বা মেকাট্ৰনিক্স বা ইণ্ডাষ্ট্ৰিয়েল এণ্ড প্ৰ'ডাকছন বা মেটালাৰ্জি বা এৰ'ন'টিকেল ইঞ্জিনিয়াৰিঙৰ ডিগ্ৰী থাকিব লাগিব।

**নিৰ্বাচন প্ৰক্ৰিয়া ঃ** মুঠ পাঁচটা পৰ্যায়ত প্ৰাৰ্থীক নিযুক্তিৰ বাবে নিৰ্বাচন কৰা হ'ব। পৰ্যায় ১- চিজিচি এটি, পৰ্যায়-২-প্ৰাৰ্থীৰ ভেৰিফিকেচন, ডকুমেণ্ট পৰীক্ষা, পৰ্যায়-৩-ফাইনেল ছিলেকচন ব'ৰ্ড, পৰ্যায়-৪ মেডিকেল সক্ষমতা পৰীক্ষা আৰু পৰ্যায়- ৫ ইণ্ডাকচন। পাঁচটা পৰ্যায়ত সফলতা লাভ কৰা প্ৰাৰ্থীক ইণ্ডিয়ান ক'ষ্ট গাৰ্ডত গেজেটেড বিষয়াৰ পদত নিযুক্তি দিয়া হ'ব।

## শৈশৱত পিতৃৰ স'তে বেচিছিল চাহ, টিউচন কৰি পঢ়িছিল দিল্লীৰ কলেজত ঃ আইআৰটিএছ, আইপিএছৰ পাছত হ'ল আইএএছ বিষয়া

**প্ৰেৰণা**

**চে**ষ্টাৰ অসাধ্য একো নাই। মানুহে নিজৰ চেষ্টাতহে জীৱনত সফলতা অৰ্জন কৰিব পাৰে। এই কথাৰে এক জীৱন্ত প্ৰমাণ হৈছে উত্তৰাখণ্ড নিবাসী ভাৰতীয় প্ৰশাসনিক সেৱা (আইএএছ)ৰ বিষয়া হিমাংশু গুপ্তা। জীৱনত চৰম দাৰিদ্ৰ্যৰ সন্মুখীন হৈও হাৰ নামানি নিজৰ লক্ষ্যত উপনীত হৈছিল উত্তৰাখণ্ডৰ এইজন যুৱক। সৰুৰে পৰা এশ এবুৰি সমস্যাৰ সন্মুখীন হৈ অহা হিমাংশুৱে কেতিয়াও হতাশ নহৈ কঠোৰ পৰিশ্ৰম অব্যাহত ৰাখি ভাৰতৰ সবাতোকৈ কঠিন সৰ্বভাৰতীয় নিযুক্তি পৰীক্ষাত এবাৰ নহয়, তিনিবাৰকৈ সফলতা অৰ্জন কৰিছিল। দাৰিদ্ৰ্যৰ মাজতো যিসকল যুৱক-যুৱতীয়ে পৰিশ্ৰম আৰু নিজৰ চেষ্টাৰ বলত জীৱনত সফল হ'ব বিচাৰে, তেওঁলোকৰ বাবে হিমাংশু এক প্ৰেৰণাৰ উৎস।

উত্তৰাখণ্ডৰ চিতাৰগঞ্জ জিলাৰ বাসিন্দা হিমাংশু শৈশৱৰ পৰাই পঢ়া-শুনাত বৰ ভাল আছিল। বিদ্যালয়ৰ পৰীক্ষাত তেওঁ ভাল নম্বৰ লাভ কৰিছিল; কিন্তু ঘৰৰ আৰ্থিক অৱস্থা বৰ ভাল নোহোৱাত হিমাংশুৱে অভাৱ-অনাটনৰ মাজত দিন অতিবাহিত কৰিব লগা হৈছিল। ধনৰ অভাৱত অধ্যয়নৰ বাবে প্ৰয়োজনীয় কিতাপ-পত্ৰ, অন্যান্য সামগ্ৰী যোগাৰ কৰাত হিমাংশুৱে সমস্যাৰ সন্মুখীন হৈছিল। হিমাংশুৰ পিতৃয়ে এখন সৰু চাহৰ দোকানৰে ধন উপাৰ্জন কৰি পৰিয়াল চলাইছিল। বিদ্যালয়ৰ পৰা ঘৰলৈ অহাৰ পাছত হিমাংশুৱে পিতৃৰ চাহৰ দোকানলৈ গৈ সহায় কৰি দিছিল। এইদৰে দেউতাকৰ চাহৰ দোকানত কাম কৰি হিমাংশুৱে অধ্যয়ন অব্যাহত ৰাখিছিল। ইংৰাজী শিকাৰ বাবে শৈশৱত হিমাংশুৱে প্ৰতিদিনে ৭০ কিলোমিটাৰ দূৰত্বলৈকে শিক্ষকৰ ঘৰলৈ যাব লগা হৈছিল। এইদৰে অধ্যয়ন কৰি হিমাংশুৱে দশম আৰু দ্বাদশৰ পৰীক্ষাত ভাল নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈছিল। ইয়াৰ পাছত তেওঁ উত্তৰাখণ্ড ত্যাগ কৰি উচ্চ শিক্ষা গ্ৰহণৰ বাবে দিল্লীলৈ গৈছিল। দিল্লীত হিমাংশুৱে হিন্দু কলেজত নামভৰ্তি কৰিছিল। কিন্তু কলেজত নামভৰ্তিৰ পাছতে আৰ্থিক সমস্যাৰ সন্মুখীন হোৱাত হিমাংশুৱে টিউচন পঢ়াবলৈ আৰম্ভ কৰে। এইদৰে টিউচন কৰি লাভ কৰা ধনেৰে দিল্লীত নিজৰ অধ্যয়ন আৰু থকা-খোৱাৰ ব্যয় বহন কৰিছিল আজিৰ আইএএছ বিষয়া হিমাংশুৱে।

এবাৰ নহয়, হিমাংশুৱে একেৰাহে তিনিবাৰকৈ ইউপিএছচিৰ পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা অৰ্জন



কৰিছিল। প্ৰথমবাৰৰ চেষ্টাতে হিমাংশুৱে ইউপিএছচিৰ এই পৰীক্ষাত সফলতা অৰ্জন কৰিছিল। কিন্তু প্ৰথমবাৰ তেওঁ কেৱল আইআৰটিএছৰ পদত নিযুক্তি লাভ কৰাত পুনৰ ইউপিএছচিৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত লৈছিল। ইয়াৰ পাছত পুনৰ কঠোৰ পৰিশ্ৰম কৰি ইউপিএছচিৰ পৰীক্ষাত অৱতীৰ্ণ হৈ হিমাংশুৱে ২০১৯ বৰ্ষত দ্বিতীয়বাৰৰ চেষ্টাত ভাৰতীয় আৰক্ষী সেৱা (আইপিএছ)ৰ বাবে নিৰ্বাচিত হৈছিল। কিন্তু এইবাৰো সন্তুষ্ট নহ'ল হিমাংশু। হিমাংশুৰ লক্ষ্য আছিল এজন আইএএছ বিষয়া হোৱা। নিজৰ মনৰ এই ইচ্ছা পূৰণ কৰিবলৈ আকৌ এবাৰ ইউপিএছচি এই কঠিন পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ প্ৰস্তুতি আৰম্ভ কৰিলে হিমাংশুৱে। এইবাৰ হিমাংশুৱে পূৰ্বতকৈও অধিক সময় পৰীক্ষাৰ প্ৰস্তুতিত ব্যয় কৰিলে আৰু কঠোৰ পৰিশ্ৰমৰে তৃতীয়বাৰলৈ একেৰাহে ইউপিএছচিৰ পৰীক্ষাত অৱতীৰ্ণ হ'ল। তৃতীয় চেষ্টাত হিমাংশু আইএএছ বিষয়া নিৰ্বাচিত হ'ল। হিমাংশুৰ সফলতাই প্ৰমাণ কৰে যে একাগ্ৰতাৰে নিজক সাজু কৰিলে ইউপিএছচিৰ পৰীক্ষাত সফলতা অৰ্জন কৰাটো কঠিন নহয়। হিমাংশুৱে এক সাক্ষাৎকাৰত কৈছিল যে লক্ষ্যত উপনীত হ'বলৈ হ'লে চেষ্টা ধৈৰ্য সহকাৰে নিৰন্তৰ অব্যাহত ৰাখিব লাগিব। ইউপিএছচিৰ পৰীক্ষাৰ বাবে কলেজ-বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ দৰে পদ্ধতিগতভাৱে অধ্যয়ন কৰিলে সফলতা লাভত সহায়ক হয় বুলিও হিমাংশুৱে কয়।

## আৰ্মি স্কুলত পিজিটি, টিজিটি, প্ৰাইমেৰী শিক্ষকৰ পদত দিব নিযুক্তি

**চ**ৰকাৰী শিক্ষকৰ পদত কৰ্মৰত হ'ব বিচৰা অৰ্হতাধাৰীৰ বাবে নিযুক্তিৰ সুযোগ আগবঢ়াইছে আৰ্মি স্কুলে। আৰ্মি ৱেলফেয়াৰ এডুকেচন ছ'চাইটি (এডব্লিউইএছ)য়ে প'ষ্ট গ্ৰেজুৱেট টিচাৰ (পিজিটি), ট্ৰেইনড গ্ৰেজুৱেট টিচাৰ (টিজিটি) আৰু প্ৰাইমেৰী টিচাৰ পদ(পিআৰটি)ত নিযুক্তিৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। প্ৰাৰ্থীয়ে অহা পাঁচ অক্টোবৰৰ ভিতৰত আবেদন পত্ৰ দাখিল কৰিব লাগিব। আবেদনকাৰী প্ৰাৰ্থীলৈ লিখিত নিযুক্তি পৰীক্ষাৰ বাবে এডমিট কাৰ্ড অহা ২০ অক্টোবৰত প্ৰেৰণ কৰা হ'ব। লিখিত পৰীক্ষা পাঁচ আৰু ছয় নৱেম্বৰত অনুষ্ঠিত হ'ব। পৰীক্ষাৰ ফলাফল ২০ নৱেম্বৰত ঘোষণা কৰা হ'ব।

**প্ৰাৰ্থীৰ অৰ্হতা ঃ** প'ষ্ট গ্ৰেজুৱেট টিচাৰ (পিজিটি)ৰ বাবে আবেদনকাৰী কমেও ৫০ শতাংশ নম্বৰসহ স্নাতকোত্তৰ ডিগ্ৰীধাৰী হ'ব লাগিব। তদুপৰি প্ৰাৰ্থীয়ে বিএডত কমেও ৫০ শতাংশ নম্বৰ লাভ কৰিব লাগিব।

ট্ৰেইনড গ্ৰেজুৱেট টিচাৰ (টিজিটি) পদৰ বাবে প্ৰাৰ্থীয়ে কমেও ৫০ শতাংশ নম্বৰসহ স্নাতক ডিগ্ৰী আৰু বিএড ডিগ্ৰী লাভ কৰিব লাগিব।

প্ৰাইমেৰী টিচাৰ (পিআৰটি) পদৰ বাবে আবেদনকাৰীৰ শৈক্ষিক অৰ্হতা কমেও ৫০ শতাংশ নম্বৰসহ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। লগতে প্ৰাৰ্থীৰ দুবছৰীয়া ডি.ইএল.ইডি/বি.ইএল.ইডি ডিপ্ল'মা থাকিব লাগিব। বিএড ডিগ্ৰীধাৰীয়েও আবেদন কৰিব পাৰিব।



**বয়সৰ সীমা আৰু অভিজ্ঞতা**

**নবীন প্ৰাৰ্থী ঃ** নতুন প্ৰাৰ্থীৰ ক্ষেত্ৰত বয়স ৪০ বছৰৰ ভিতৰত হ'ব লাগিব। অভিজ্ঞতা জৰুৰী নহ'ব।

**অভিজ্ঞ প্ৰাৰ্থী ঃ** প্ৰাৰ্থীৰ বয়স ৫৭ বছৰৰ অধিক হ'ব নালাগিব। লগতে নিৰ্দিষ্ট শ্ৰেণীৰ শিক্ষকৰ পদত বিগত ১০ বছৰত কমেও পাঁচ বছৰৰ কৰ্ম অভিজ্ঞতা থাকিব লাগিব।

**প্ৰাৰ্থীৰ নিৰ্বাচন প্ৰক্ৰিয়া ঃ** পিজিটি, টিজিটি আৰু পিআৰটি পদত নিযুক্তিৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। নিৰ্বাচিত প্ৰাৰ্থীক আৰ্মি স্কুলত নিৰ্দিষ্ট পদত নিযুক্তি দিয়া হ'ব।

**আবেদন কেনেকৈ কৰিব ঃ** অৰ্হতাধাৰী ইচ্ছুক প্ৰাৰ্থীয়ে এইসমূহ পদৰ বাবে অনলাইনত আবেদন কৰিব লাগিব। পদসমূহৰ সন্দৰ্ভত সবিশেষ তথ্য আহৰণ আৰু আবেদনৰ বাবে প্ৰাৰ্থীয়ে www.awesindia.com ৱেবছাইট লগ ইন কৰিব লাগিব।

## এনআইএত বিভিন্ন পদ খালী, আবেদন কৰক এতিয়াই




**কে**ন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ নেচনেল ইনভেষ্টিগেচন এজেন্সী (এনআইএ)ত ছেকচন অফিচাৰ/অফিচ ছুপাৰিণ্টেডেণ্ট (এছ অ'/অ' এছ), এছিছটেণ্ট, একাউনটেণ্ট, ষ্টেন'গ্ৰাফাৰ গ্ৰেড-১ আৰু আপাৰ ডিভিজন ক্লাৰ্ক (ইউডিচি) পদৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে। আগ্ৰহী আৰু অৰ্হতাসম্পন্ন প্ৰাৰ্থীয়ে পদসমূহৰ বাবে আবেদন জনাব পাৰিব।

প্ৰাৰ্থীয়ে অহা ১২ ছেপ্টেম্বৰৰ ভিতৰত আবেদন জমা দিব লাগিব। প্ৰকাশিত বিজ্ঞাপনত উল্লেখ কৰা মতে ছেকচন অফিচাৰ/অফিচ ছুপাৰিণ্টেডেণ্টৰ তিনিটা পদ, এছিছটেণ্টৰ নটা পদ, একাউনটেণ্টত এটা পদ, ষ্টেন'গ্ৰাফাৰ গ্ৰেড-১ৰ ২৩ টা পদ আৰু ইউডিচিৰ ১২ টা পদত নিযুক্তি দিয়া হ'ব। আবেদনৰ বাবে প্ৰাৰ্থীয়ে সবিশেষ তথ্য https://www.nia.gov.in ৱেবছাইট ভিজিট কৰি আহৰণ কৰিব পাৰিব। উক্ত ৱেবছাইটৰ 'ৰিক্ৰুইটমেণ্ট' অপচনত ক্লিক্ কৰি প্ৰয়োজনীয় অৰ্হতা আৰু আবেদনৰ নিয়ম জানিব পাৰিব।

## থোৰতে নিয়োগ বাৰ্তা

### আই টি বি পি কনিষ্টবল নিযুক্তি



**ভা**ৰত তিব্বত সীমান্ত আৰক্ষী বাহিনী (আই টি বি পি)ত কনিষ্টবল পদত নিযুক্তিৰ বাবে আবেদন প্ৰক্ৰিয়া আৰম্ভ হৈছে। আগ্ৰহী প্ৰাৰ্থীয়ে কনিষ্টবল পদত নিযুক্তিৰ বাবে আই টি বি পিৰ ৱেবছাইট ভিজিট কৰিব লাগিব। এই পদত নিযুক্তিৰ বাবে আবেদন প্ৰক্ৰিয়া ২৯ আগষ্ট ২০২২ৰ পৰা আৰম্ভ হৈছে। ইচ্ছুক প্ৰাৰ্থীয়ে অহা ২৭ ছেপ্টেম্বৰৰ ভিতৰত আবেদন দাখিল কৰিব লাগিব। আই টি বি পিয়ে মুঠ ৫২ টা কনিষ্টবল পদত অৰ্হতাসম্পন্ন প্ৰাৰ্থীক নিযুক্তি দিব। এইসমূহ পদৰ ৪৪ টা পদ পুৰুষ প্ৰাৰ্থীৰ বাবে আৰু আঠটা পদ মহিলা প্ৰাৰ্থীৰ বাবে সংৰক্ষিত। পদৰ বাবে আবেদন কৰিবলৈ প্ৰাৰ্থীয়ে recruitment.itbpolice.nic.in ৱেবছাইট ভিজিট কৰিব লাগিব।

### ৰাজস্থান উচ্চ ন্যায়ালয়ত ২৭৫৬ পদত নিযুক্তি



ৰাজস্থান উচ্চ ন্যায়ালয়ে জুনিয়ৰ জুডিচিয়েল এছিছটেণ্ট, জুনিয়ৰ এছিছটেণ্ট আৰু ক্লাৰ্ক গ্ৰেড ২ পদত নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। এইসমূহ পদৰ বাবে আবেদন প্ৰক্ৰিয়া ২২ আগষ্টৰ পৰা আৰম্ভ হৈছে। প্ৰাৰ্থীয়ে অহা ২২ ছেপ্টেম্বৰৰ ভিতৰত অনলাইনযোগে আবেদন দাখিল কৰিব লাগিব। ৰাজস্থান উচ্চ ন্যায়ালয়ে মুঠ ২৭৫৬ টা খালী পদত নিযুক্তি প্ৰদান কৰিব। এইসমূহ পদৰ ২০৫৮ টা ক্লাৰ্কৰ পদ, ৩২০ টা জুনিয়ৰ জুডিচিয়েল এছিছটেণ্টৰ পদ আৰু ৩৭৮ টা জুনিয়ৰ এছিছটেণ্টৰ পদ। প্ৰাৰ্থীয়ে আবেদনৰ বাবে https://hcraj.nic.in ৱেবছাইট ভিজিট কৰিব লাগিব।

## জুনিয়ৰ ইঞ্জিনিয়াৰৰ পদত নিযুক্তি দিব এছ এছ চিয়ে



**ক**ৰ্মচাৰী বাছনি আয়োগ (এছ এছ চি)-এ চিভিল, ইলেক্ট্ৰিকেল জুনিয়ৰ ইঞ্জিনিয়াৰ পদত নিযুক্তিৰ বাবে বিজ্ঞপ্তি প্ৰকাশ কৰিছে। প্ৰাৰ্থীয়ে দুই ছেপ্টেম্বৰৰ ভিতৰত আবেদন দাখিল কৰিব লাগিব। ইচ্ছুক প্ৰাৰ্থীয়ে এছ এছ চিৰ ৱেবছাইট ভিজিট কৰি অনলাইনযোগে আবেদন জমা দিব পাৰিব। পদত নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলক লেভেল ৬ৰ অধীনত মাহে ৩৫,৪০০ টকাৰ পৰা ১,১২,৪০০ টকালৈকে বেতন আৰু অন্যান্য ভাট্টা প্ৰদান কৰা হ'ব।

**কি কি পদত নিযুক্তি দিয়া হ'ব ঃ** এছ এছ চিয়ে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিভিন্ন মন্ত্ৰণালয়ত জুনিয়ৰ ইঞ্জিনিয়াৰৰ খালী থকা পদত নিযুক্তি প্ৰদান কৰিব। এই নিযুক্তি পৰীক্ষাৰ জৰিয়তে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে কেন্দ্ৰীয় জল গৱেষণা শক্তিকেন্দ্ৰ, কেন্দ্ৰীয় জল আয়োগ আৰু আন কে'বাটাও বিভাগত কণিষ্ঠ অভিযন্তা পদত নিযুক্তি দিয়া হ'ব। মন্ত্ৰণালয় আৰু বিভাগসমূহত চিভিল জুনিয়ৰ ইঞ্জিনিয়াৰ, ইলেক্ট্ৰিকেল জুনিয়ৰ ইঞ্জিনিয়াৰ, মেকানিকেল জুনিয়ৰ ইঞ্জিনিয়াৰ আৰু কোৱাণ্টিটি ছাৰ্ভেইং এণ্ড কণ্ট্ৰেক্টছ জুনিয়ৰ ইঞ্জিনিয়াৰ পদত নিযুক্তি দিয়া হ'ব।

**আবেদনৰ নিয়ম ঃ** সাধাৰণ, অন্যান্য পিছপৰা সম্প্ৰদায় আৰু ই ডব্লিউ এছ শ্ৰেণীৰ প্ৰাৰ্থীয়ে ১০০ টকাৰ আবেদন মাচুল জমা দিব লাগিব। অনুসূচিত জাতি-জনজাতি শ্ৰেণীৰ প্ৰাৰ্থীয়ে আবেদন মাচুল জমা দিব নালাগে। প্ৰাৰ্থীয়ে আবেদন মাচুল ডেবিট কাৰ্ড, ক্ৰেডিট কাৰ্ড, নেট বেংকিঙৰ জৰিয়তে আদায় দিব পাৰিব। অনলাইন আবেদনৰ বাবে প্ৰাৰ্থীয়ে ssc.nic.in ৱেবছাইট ভিজিট কৰিব লাগিব।

**নিৰ্বাচন প্ৰক্ৰিয়া ঃ** এছ এছ চিয়ে জুনিয়ৰ ইঞ্জিনিয়াৰ পদত নিযুক্তিৰ বাবে অনুষ্ঠিত কৰিবলগা পৰীক্ষাৰ প্ৰথম প্ৰশ্ন কাকত কম্পিউটাৰ আধাৰিত হ'ব। দ্বিতীয়খন প্ৰশ্ন কাকত লিখিত ধৰণৰ হ'ব। দুয়োখন প্ৰশ্ন কাকতত লাভ কৰা নম্বৰৰ আধাৰত নিযুক্তিৰ বাবে প্ৰাৰ্থীক বাছনি কৰা হ'ব। এছ এছ চিয়ে কম্পিউটাৰ আধাৰিত পৰীক্ষা নৱেম্বৰ ২০২২ত অনুষ্ঠিত কৰিব। লিখিত পৰীক্ষাৰ সন্দৰ্ভত এছ এছ চিয়ে প্ৰাৰ্থীক পৰৱৰ্তী সন্দৰ্ভত অৱগত কৰিব। পদৰ সবিশেষ আৰু আবেদনৰ বাবে প্ৰাৰ্থীয়ে ssc.nic.in ৱেবছাইট ভিজিট কৰক।

## মাত্ৰ ৫০০০ টকা বিনিয়োগ কৰি উপাৰ্জন কৰিব পাৰিব মাহে বিপুল ধন ঃ ডাকঘৰত আছে সুযোগ

**বি**নিয়োগৰ জৰিয়তে আপুনি উপাৰ্জনৰ পথ মুকলি কৰিব বিচাৰে নেকি? হয়, মাত্ৰ ৫০০০ টকা বিনিয়োগ কৰিয়ে এই ব্যৱসায়ৰ জৰিয়তে আপুনি মাহে লাভ কৰিব পাৰিব এক ভাল উপাৰ্জন। ইয়াৰ বাবে আপুনি গ্ৰহণ কৰিব লাগিব প'ষ্ট অফিচ অৰ্থাৎ ডাকঘৰৰ ফ্ৰেঞ্চাইজী। বৰ্তমানে ভাৰতত প্ৰায় ১-৫৫ লাখ ডাকঘৰ আছে। কিন্তু ইয়াৰ পাছতো এনে বহু অঞ্চল আছে, য'ত ডাকঘৰ নাই। এই কথাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় ডাক বিভাগে ডাকঘৰৰ ফ্ৰেঞ্চাইজী দিছে।

ডাকঘৰৰ ফ্ৰেঞ্চাইজীৰ জৰিয়তে আয় কমিছনৰ ৰূপত আদায় দিয়া হয়। ইয়াৰ বাবে ডাকঘৰৰ সেৱা আৰু সামগ্ৰীৰ যোগান ধৰা হয়। এই সকলো সেৱা আৰু সামগ্ৰী বিক্ৰী কৰি কমিছন লাভ কৰিব পাৰি। এজন ফ্ৰেঞ্চাইজীয়ে যিমানে অধিক ডাকঘৰৰ সেৱা তথা সামগ্ৰী বিক্ৰী কৰিব, সিমানে অধিক পৰিমাণৰ কমিছন তেওঁ লাভ কৰিব। ডাকঘৰৰ ফ্ৰেঞ্চাইজী লোৱাৰ বাবদ ৫,০০০ টকা বিনিয়োগ কৰিব লাগে। এনে ফ্ৰেঞ্চাইজীৰ মাধ্যমৰে ডাক টিকট, ষ্টেচনাৰী নানা সামগ্ৰী, স্পীড প'ষ্ট, মনি অৰ্ডাৰৰ দৰে সেৱা আগবঢ়োৱা হয়। প্ৰতি সেৱাৰ বাবদ ফ্ৰেঞ্চাইজীক ভাৰতীয় ডাক বিভাগে নিৰ্ধাৰিত পৰিমাণৰ কমিছন আদায় দিয়ে আৰু এয়াই হৈছে উপাৰ্জন।

**ডাকঘৰৰ ফ্ৰেঞ্চাইজী লোৱাৰ অৰ্হতা**



- ফ্ৰেঞ্চাইজী লোৱাৰ বাবে আবেদনকাৰীৰৰ ন্যূনতম বয়স ১৮ বছৰ হ'ব লাগিব।
- দেশৰ যিকোনো নাগৰিকে আবেদন কৰিব পাৰে।
- আবেদনকাৰী কমেও অষ্টমশ্ৰেণী উত্তীৰ্ণৰ প্ৰমাণপত্ৰধাৰী হ'ব লাগিব।
- আবেদন কৰিবলৈ প্ৰথমে এখন আবেদন পত্ৰ পূৰণ কৰিব লাগিব।
- আবেদনকাৰী নিৰ্বাচিত হ'লে ভাৰতীয় ডাক বিভাগৰ স'তে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব লাগিব।

ফ্ৰেঞ্চাইজীৰ বাবদ আবেদনকাৰীয়ে মাত্ৰ ৫,০০০ টকা ব্যয় কৰিব লাগিব। ফ্ৰেঞ্চাইজী আৰম্ভ কৰাৰ পাছত আপুনি কমিছনৰ মাধ্যমৰে ধন লাভ কৰিব। আপুনি কিমান উপাৰ্জন কৰিব সেয়া ডাক সেৱা-সামগ্ৰীৰ বিক্ৰীৰ পৰিমাণত নিৰ্ভৰ কৰিব। https : // www.indiapost.gov.in/VAS/DOP-POFFiles/Frenchise.pdf লিংকত ক্লিক্ কৰি ফ্ৰেঞ্চাইজীৰ বাবে আবেদন কৰিব লাগিব।

উক্ত লিংকৰ পৰা আবেদন পত্ৰ ডাউনলোড কৰি ল'ব লাগিব।

**কিমান টকা কমিছন হিচাপে উপাৰ্জন কৰিব পাৰি?**

- ৰেজিষ্টাৰ্ড চিঠি ইত্যাদি বুকিঙৰ বাবদ তিনি টকা
- স্পীড প'ষ্টৰ চিঠি-পাৰ্চেলৰ বুকিঙত পাঁচ টকা
- ১০০ৰ পৰা ২০০ টকাৰ মানি অৰ্ডাৰ বুকিং কৰিলে ৩.৫০ টকা
- ২০০ টকাৰ অধিক মানি অৰ্ডাৰ বুকিঙত পাঁচ টকাৰ কমিছন
- প্ৰতি মাহত ১০০০ টকাৰ অধিক ৰেজিষ্টাৰ্ড আৰু স্পীড প'ষ্টৰ বুকিঙত অতিৰিক্ত ২০ শতাংশ কমিছন
- ডাক টিকট, প'ষ্টেল ষ্টেছনাৰী আৰু মানি অৰ্ডাৰ ফৰ্ম বিক্ৰীৰ ক্ষেত্ৰত বিক্ৰী মূল্যৰ পাঁচ শতাংশ।
- ৰেভিনিউ টিকট, চেণ্ট্ৰেল ৰিক্ৰুইটমেণ্ট ফি ষ্টাম্প বিক্ৰীসহ ৰিটেইল ছাৰ্ভিচত ডাক বিভাগৰ হোৱা আয়ৰ ৪০ শতাংশ ফেঞ্চাইজীয়ে কমিছন হিচাপে লাভ কৰিব পাৰে।

## এয়াৰপ'ৰ্ট অথ'ৰিটি অৱ ইণ্ডিয়াত ১৫৬ পদ খালী



**এ**য়াৰপ'ৰ্ট অথ'ৰিটি অৱ ইণ্ডিয়া (এ এ আই) ই তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, কৰ্ণাটক, কেৰালা, পুডুচেৰী আৰু লাক্ষাদ্বীপত খালী থকা ১৫৬ টা পদত নিযুক্তিৰ বাবে অৰ্হতাধাৰী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। এইসমূহ পদৰ বাবে আবেদনকাৰীৰ শৈক্ষিক অৰ্হতা দ্বাদশ শ্ৰেণী উত্তীৰ্ণৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীধাৰী হ'ব লাগিব। এক ছেপ্টেম্বৰৰ পৰা আবেদন পত্ৰ aai.aero/en/careers/recruitment ৱেবছাইটত উপলব্ধ হ'ব।

**পদৰ সবিশেষ ঃ** জুনিয়ৰ এছিছটেণ্ট (ফায়াৰ ছাৰ্ভিচ)-১৩২ পদ
জুনিয়ৰ এছিছটেণ্ট (অফিচ)-১০ পদ
ছিনিয়ৰ এছিছটেণ্ট (একাউণ্ট)-১৩ পদ
ছিনিয়ৰ এছিছটেণ্ট (অফিচিয়েল লেংগুৱেজ)-১ পদ

**বয়সৰ সীমা ঃ** এইসমূহ পদৰ বাবে আবেদনকাৰীৰ বয়স ২৫ আগষ্ট, ২০২২ত কমেও ১৮ বছৰ আৰু সৰ্বাধিক ৩০ বছৰ হ'ব লাগিব। সংৰক্ষিত শ্ৰেণীৰ আবেদনকাৰীয়ে চৰকাৰী নিয়ম অনুসৰি বয়সৰ উৰ্ধ্বসীমাৰ ক্ষেত্ৰত ৰেহাই লাভ কৰিব।

**শৈক্ষিক যোগ্যতা ঃ** শিক্ষাগত অৰ্হতাৰ সবিশেষ জানিবৰ বাবে প্ৰাৰ্থীয়ে এয়াৰপ'ৰ্ট অথ'ৰিটি অৱ ইণ্ডিয়াৰ ৱেবছাইট ভিজিট কৰিব লাগিব।

**বেতন ঃ**
**জুনিয়ৰ এছিছটেণ্ট (ফায়াৰ ছাৰ্ভিচ)** ঃ ৩১,০০০-৯২,০০০ টকা
**জুনিয়ৰ এছিছটেণ্ট (অফিচ) ঃ** ৩১,০০০-৯২,০০০ টকা
**ছিনিয়ৰ এছিছটেণ্ট (একাউণ্ট) ঃ** ৩৬,০০০-১,১০,০০০ টকা
**ছিনিয়ৰ এছিছটেণ্ট (অফিচিয়েল লেংগুৱেজ) ঃ** ৩৬,০০০-১,১০,০০০ টকা

**আবেদন মাচুল ঃ** এই পদৰ আবেদন মাচুল অসংৰক্ষিত, অন্যান্য পিছপৰা সম্প্ৰদায় আৰু ই ডব্লিউ এছ শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে ১,০০০ টকা। মহিলা/অনুসূচিত জাতি/অনুসূচিত জনজাতি/প্ৰাক্তন সৈনিক, দিব্যাংগ শ্ৰেণীৰ প্ৰাৰ্থী আৰু এএআইত এবছৰ প্ৰশিক্ষণ সফলতাৰে সম্পূৰ্ণ কৰা প্ৰাৰ্থীয়ে আবেদন মাচুল আদায় দিব নালাগে।

# শিৱসাগৰ অসামৰিক চিকিৎসালয়ত কে'বালক্ষ টকাৰে নিৰ্মাণ কৰা আই চি ইউ কক্ষৰ নহ'ল মুকলি

**■ ছমাহৰ পূৰ্বে সম্পূৰ্ণ হৈ উঠা কক্ষটো পৰিচালনা কৰিবলৈ বিমোৰত পৰিছে চিকিৎসালয়ৰ কৰ্তৃপক্ষ**

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ৩০ আগষ্ট ঃ** চৰকাৰে ৰাজ্যৰ স্বাস্থ্য খণ্ডক উন্নতিৰ জখলালৈ আগুৱাই নিয়াৰ সময়তে বিভাগটোৰ অমনোযোগিতাৰ বাবে বহু লাখ টকাৰে ৰোগীৰ বাবে নিৰ্মাণ কৰি উলিওৱা এটা আইচিইউ কক্ষ আজি ছমাহ ধৰি মুকলি কৰিবলৈ নোৱাৰা কাৰ্যই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে শিৱসাগৰত। জানিব পৰা মতে, শিৱসাগৰ জিলাখনৰ একমাত্ৰ চৰকাৰী চিকিৎসালয় শিৱসাগৰ অসামৰিক চৰকাৰী চিকিৎসালয়খনত কে'বালাখ টকাৰে চিকিৎসালয়খনত ৰোগীৰ বাবে নিৰ্মাণ কৰিছিল সকলো অত্যাধুনিক সা-সৰঞ্জামৰ স'তে ২৪ খন বিছনাযুক্ত এটিআইচিইউ কক্ষ। আজিৰ পৰা প্ৰায় ছমাহ মানৰ পূৰ্বে সম্পূৰ্ণভাৱে নিৰ্মাণ কৰি উলিওৱা কক্ষটো কিন্তু আজিও ৰোগীৰ বাবে মুকলি কৰি নিদিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চৰকাৰখনে স্বাস্থ্য বিভাগটোক আগবঢ়াই নিয়াৰ স্বাৰ্থত অহোপুৰুষাৰ্থ চেষ্টা অব্যাহত ৰাখিছে যদিও সেয়া কিন্তু তাৰ ওলোটা ছবিহে পৰিলক্ষিত হৈছে চিকিৎসালয়খনত। কাৰণ চিকিৎসালয়খনত আটকধুনীয়াকৈ আইচিইউ কক্ষটো নিৰ্মাণ কৰি দিলেও যদিও প্ৰকৃতাৰ্থত পৰিচালনা কৰাৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত এনেদৰে ছয়মাহ ধৰি ব্যৱহাৰ নকৰাকৈ পেলাই থৈছে কক্ষটো। জানিব পৰা মতে, চিকিৎসালয়খনত আছে তিনিটাকৈ বৃহৎ জেনেৰেটৰ। ইয়াৰ বাবে গড়ে মাহে প্ৰায় প্ৰয়োজন হয় ৫০০ ৰ পৰা ৬০০ লিটাৰ ডিজেল। গৰমৰ দিনত ইয়াৰ পৰিমাণ বৃদ্ধি পায়। এই জেনেৰেটৰ কেইটা চলাবলৈ চৰকাৰী ধনৰ পৰিৱৰ্তে চিকিৎসালয় কৰ্তৃপক্ষই চিকিৎসা কৰিবলৈ অহা ৰোগীয়ে টিকটৰ বাবদ দিয়া সংগৃহিত ধনৰ পৰাই ব্যৱহাৰ কৰে। এনে স্থলত নতুনকৈ নিৰ্মাণ কৰা আইচিইউ কক্ষটোত থকা বহুকেইটা শীত-তাপ নিয়ন্ত্ৰণ যন্ত্ৰ থকাৰ বাবে বিদ্যুত নাথাকিলে জেনেৰেটৰ চলাবলৈ প্ৰয়োজন হ'ব ঘণ্টাত প্ৰায় ৪০ লিটাৰ ডিজেল। অৰ্থাৎ প্ৰতি ঘণ্টাত ডিজেলৰ বজাৰ মূল্য অনুসৰি, প্ৰতিদিনে প্ৰয়োজন হ'ব প্ৰায় ৩৫০০ টকাৰ। এনে স্থলত যদি কেতিয়াবা বতাহ-ধুমুহাৰ বাবে ২৪ ঘণ্টাই চিকিৎসালয়খনত বিদ্যুৎ ব্যাহত হয় তেন্তে এদিনতেই কক্ষটো পৰিচালনা কৰিবৰ বাবে প্ৰয়োজন হ'ব প্ৰায় ৮০-৮৫ হেজাৰ টকা। এনেবোৰ পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই মুকলি কৰিব পৰা নাই কক্ষটো। এই সন্দৰ্ভত চিকিৎসালয় কৰ্তৃপক্ষই উৰ্দ্ধতন মহলক অৱগত কৰিছে যদিও কোনো ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিলক্ষিত হোৱা নাই। সম্প্ৰতি বিমোৰত পৰিছে চিকিৎসালয়ৰ কৰ্তৃপক্ষ। ইফালে, চিকিৎসালয়খনত বিদ্যুত নথকাৰ সময়ত আন বহু সমস্যাই গা কৰি উঠাও পৰিলক্ষিত হৈছে। কাৰণ চিকিৎসালয়খনৰ জেনেৰেটৰ বা অন্য খা-খৰচৰ বাবদ ৰোগীৰ টিকটৰ পৰা সংগ্ৰহ কৰা টকাৰে পৰিচালনা কৰিব লগা হয়। সেয়েহে ৩০৯ খন বিছনাযুক্ত তথা কে'বাবাৰো চৰকাৰীভাৱে সন্মান লাভ কৰা চিকিৎসালয়খনত চৰকাৰে এটা ভিআইপি অথবা ডেডিকেটেট লাইনৰ ব্যৱস্থা কৰি দিলে চিকিৎসালয়খন পৰিচালনা কৰাৰ সুবিধা হ'ব যে সেয়া নিশ্চিত। জনসাধাৰণে বিষয়টোৰ ক্ষেত্ৰত চৰকাৰখনক গুৰুত্ব দিবলৈ আহ্বান জনাইছে।

# গোৱালপাৰাৰ শৰৎ দাস পুনৰ সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি নিৰ্বাচিত

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ৩০ আগষ্ট ঃ** গোৱালপাৰা জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি শৰৎ দাস পুনৰ সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি ৰূপে নিৰ্বাচিত হৈছে। উল্লেখ্য যে ২৭ আৰু ২৮ আগষ্টত শিলচৰত সদৌ অসম কৰ্মচাৰী পৰিষদৰ ৩৭ সংখ্যক বাৰ্ষিক অধিৱেশনৰ সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত ৫২ খন জিলা পৰিষদৰ লগতে কৰ্মচাৰী পৰিষদৰ অন্তৰ্ভুক্ত অসমৰ বিভিন্ন বিভাগৰ সংস্থা-সংঘসমূহৰ ভোটদান প্ৰক্ৰিয়াৰ জৰিয়তে পুনৰবাৰ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি ৰূপে নিৰ্বাচিত হৈ গোৱালপাৰালৈ গৌৰৱ কঢ়িয়াই আনিছে দাসে। এই সন্দৰ্ভত আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত দাসক শুভেচ্ছা জ্ঞাপন কৰিছে গোৱালপাৰা জিলা কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি অনিৰুদ্ধ দাস, সাধাৰণ সম্পাদক ভগদত্ত নাথ আৰু যুটীয়া সম্পাদক ৰফিউল কৰিম আৰু নিপন দাসে। লগতে শদিয়াৰ পৰা ধুবুৰীলৈ সকলো প্ৰতিনিধি আৰু সদৌ অসম কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা বাসৱ কলিতাকো ধন্যবাদ জ্ঞাপন কৰিছে গোৱালপাৰা জিলা কৰ্মচাৰী পৰিষদৰ নেতৃবৃন্দই।

# বোকাখাতৰ ট্ৰেফিক পইণ্ট ভাঙিলে ট্ৰাকে

অগ্ৰদূত বাৰ্তা
**বোকাখাত, ৩০ আগষ্ট ঃ** বোকাখাত নগৰৰ প্ৰাণকেন্দ্ৰ মুখ্য চাৰিআলিত থকা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ ট্ৰেফিক ছিগনেল পইণ্টটো আজি এখন ট্ৰাকৰ (এছ-২৩ বি চি-০৯৯৭) খুন্দাত ভাগি চূৰমাৰ হয়। সেই সময়ত যানবাহন আৰক্ষীৰ এজন লোকে কাষত থকা সৰু চালিঘৰত কৰ্তব্যৰত অৱস্থাত আছিল। অৱশ্যে ট্ৰাকখনৰ চালক বা আৰক্ষীৰ কোনো হতাহত হোৱা নাই। উল্লেখ্য যে ট্ৰেফিক ছিগনেল পইণ্টটো জৰাজীৰ্ণ হৈছিল। ট্ৰাকখনৰ সামান্য খুন্দাতে ভাগি পৰে। যানবাহন নিয়ন্ত্ৰণ কৰা ঠাইতে উদণ্ড ট্ৰাকচালকে ঘটনা সংঘটিত কৰা এই ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

# নাজিৰাত 'ৰঙা বাছৰ' কৰ্ম জীৱনৰ পৰা বিদায় সম্বৰ্ধনা শিল্পী দিলীপ দাসক



অগ্ৰদূত বাৰ্তা
**নাজিৰা, ৩০ আগষ্ট ঃ** ১৯৮৫ ৰ পৰা অসম ৰাজ্যিক পৰিবহণ নিগমৰ কৰ্মচাৰী হিচাপে নিযুক্তি লাভ কৰা শিল্পী দিলীপ দাসৰ কাইলৈ চৰকাৰী নিয়মানুসৰি অৱসৰৰ সময় হোৱাত কালি অসম ৰাজ্যিক পৰিবহণ নিগমৰ নাজিৰা আস্থানত ৰাজহুৱা এক বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। অধ্যাপক ড° জীৱন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত শিল্পীজনক নিগমৰ নাজিৰা আস্থানৰ কৰ্মচাৰীসকলৰ তৰফৰ পৰা সম্বৰ্ধনা পত্ৰসহ সঁফুৰা, গামোচা, চেলেং চাদৰেৰে আনুষ্ঠানিক বিদায় সম্বৰ্ধনা যচা হয়। উল্লেখ্য যে গীতি-শিল্পৰে চহকী মনৰ গৰাকী দিলীপ দাসে ৰেডিঅ'টোক সংগী হিচাপে সদায় কাষত ৰখাৰ লগতে ২৯ বছৰ কাল কেৱল নাজিৰা আস্থানতে সেৱা আগবঢ়াই যায়। সভাত উপস্থিত বিভিন্ন ব্যক্তিসকলৰ ফালৰ পৰাও অৱসৰপ্ৰাপ্ত শিল্পী-কৰ্মচাৰীজনক গামোচা, গ্ৰন্থ আৰু উপহাৰেৰে বিপুল সম্বৰ্ধনা জনোৱা হয়। বিশিষ্ট অতিথিৰূপে অ'এন জি চিৰ উৎপাদন বিভাগৰ মহাপ্ৰৱন্ধক শান্তনু মেদক, শংকৰদেৱ সংঘৰ নাজিৰা জিলা শাখাৰ সভাপতি দেবেন কোঁৱৰ, সংবাদসেৱী ভাস্কৰজ্যোতি বৰগোহাঞি, সংবাদসেৱী দিলীপ হাজৰিকা, সাংস্কৃতিক কৰ্মী ৰাজেশ দত্ত, সত্যজিৎ দাস, প্ৰধানাচাৰ্য গোপাল বৰুৱা, সমাজকৰ্মী শ্যাম দাস, অৱসৰপ্ৰাপ্ত অ'এন জি চিৰ বিষয়া লক্ষীৰাম লাচিত, সংবাদকৰ্মী ভাস্কৰজ্যোতি মহন্ত, বিশ্ববিশ্ৰুত- সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সমল সংগ্ৰাহক আনচাৰুল ইছলাম হাজৰিকা আদি ব্যক্তিসকলে নিষ্ঠাবান কৰ্মচাৰী হিচাপে দিলীপ দাসৰ একাগ্ৰতা, দায়বদ্ধতা, শিষ্টাচাৰৰ বিষয়ত পূৰ্ণ প্ৰশস্তি আগবঢ়ায়। অনাতাঁৰ কেন্দ্ৰৰ স্বীকৃত শিল্পী দিলীপ দাসৰ গীতৰ চৰ্চাৰ লগতে নাজিৰা তথা শিৱসাগৰ জিলাৰ ভিন্ন প্ৰান্তত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীসমূহত দৰ্শক- শ্ৰোতালৈ সাংস্কৃতিক মাত্ৰাৰে যোগাই অহা অৱদানক বক্তাসকলে শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে অৱসৰৰ পৰৱৰ্তী সময়ত গীতি কৰ্মৰ জৰিয়তে বিস্তাৰিতভাৱে সাংস্কৃতিক সেৱা আগবঢ়াই যোৱাৰ আশা প্ৰকাশ কৰে। নিজ বক্তব্যত শিল্পী দিলীপ দাসে অসম পৰিবহণ নিগমক ৰক্তৰ প্ৰৱাহিত ধাৰাত বহন কৰি যোৱা বুলি প্ৰকাশ কৰাৰ লগতে নিগমৰ কৰ্মচাৰীৰ এসময়ত দৰমহা বন্ধ হৈ পৰা অৱস্থাতো কাম অব্যাহত ৰাখি পৰিয়াল পোহ-পালনৰ বাবে অট'ৰিক্সা চলাই ধন আহৰণ কৰাৰ বিষয়ে প্ৰকাশ কৰে। নিজে ৰচনা কৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামত উৎসৰ্গিত বহু প্ৰচাৰিত সংস্কৃতিৰ বিশাল, এই আকাশ খনিৰ, উজ্জ্বল এটা জ্যোতিষ্ক হোৱা। গীতটি আৰু সাহিত্যিক ইমৰাণ শ্বাহ ৰচিত স্ব-সুৰাৰোপৰ গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক নিজ বিদায় সভাৰ সৌষ্ঠৱ বঢ়াই তোলে। আনহাতে, ভৱানন্দ বৰা, প্ৰণীতা লাচিত, নিবেদিতা ফুকন, ড° ৰাজেন্দ্ৰমোহন দেৱ শৰ্মা, নীৰু দত্ত, মঞ্জু ঘৰফলীয়া, শান্তনু বৰগোহাঞি আদি ব্যক্তিসকলে গীত পৰিৱেশন আৰু কবিতাৰ আবৃত্তিৰে অনুষ্ঠানটো জীপাল কৰি তোলে।

# এজন যুৱকৰ নেতৃত্বত যাতে ১০যুৱক-যুৱতী সংস্থাপিত হয় তাৰ বাবে যত্ন কৰক

**■ ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ছয়গাঁও মহাবিদ্যালয়ত বিশেষ অভিনন্দন অনুষ্ঠান**

**ছয়গাঁও, ৩০ আগষ্ট ঃ** ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কালি ছয়গাঁও মহাবিদ্যালয়ৰ চম্পকজ্যোতি প্ৰেক্ষাগৃহত বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত বিদ্যালয়-মহাবিদ্যালয়সমূহৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ষ্টাৰ আৰু ডিষ্টিংচন নম্বৰ সহিতে উত্তীৰ্ণ হৈ ছয়গাঁও অঞ্চললৈ সুনাম কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন আৰু সেই বিদ্যালয় অথবা মহাবিদ্যালয়ৰ মুৰব্বীসকলক সম্বৰ্ধনা জনোৱা হয়। মুকলি তথা বিশেষ অভিনন্দন সভাত সভাপতিত্ব কৰে ছয়গাঁও আঞ্চলিক ছাত্ৰ-ছাত্ৰীৰ সভাপতি সোণমইনা শালৈয়ে। সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক নিৰোদ কুমাৰ দাসে সভা উদ্বোধন কৰি ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰশংসা কৰে। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে হিমন্ত বিশ্ব শৰ্মা চৰকাৰখনে মাতৃভাষাৰ বিদ্যালয়সমূহ ধ্বংস কৰাৰ এক ভয়াৱহ ষড়যন্ত্ৰ কৰাৰ বাবে ক্ষোভ প্ৰকাশ কৰি শিক্ষামন্ত্ৰী ৰণোজ পেগুক জাতিটো ধ্বংস নকৰি মেৰুদণ্ড পোন কৰি সিদ্ধান্ত ল'বলৈ কয়। সভাত নিখিল ৰাভা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক প্ৰদীপ ৰাভাই নৱপ্ৰজন্ম চাকৰিমুখী হোৱাৰ পৰিৱৰ্তে এজন যুৱকৰ নেতৃত্বত যাতে ১০ জন যুৱক-যুৱতী সংস্থাপিত হয় তাৰ বাবে যত্ন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী ৰিচা ভৰদ্বাজ উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলক গীতেৰে মুগ্ধ কৰে। আমন্ত্ৰিত অতিথিৰূপে উপস্থিত আছিল ছয়গাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ কমল ঠাকুৰীয়া, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ধীৰাজ ৰাজবংশী, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি ভৰজ্যোতি ডেকা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহ-সাধাৰণ সম্পাদক ভৰেশ দাস, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক ধ্ৰুৱ তালুকদাৰ, ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা নুৰ ইছলাম, পংকজ কলিতা প্ৰমুখ্যে ভালেমান ছাত্ৰ নেতা।



# জামুগুৰিহাটত চোৰৰ ধাৰাবাহিক চাফাই অভিযান অব্যাহত

**চুৰি কৰি গৃহৰ ভিতৰত মল ত্যাগ কৰি গ'ল চোৰে**

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ৩০ আগষ্ট ঃ** জামুগুৰিহাটত চোৰৰ ধাৰাবাহিক চাফাই অভিযান অব্যাহত আছে। অঞ্চলটোৰ কুসুমটোলাত এগৰাকী প্ৰৱক্তা আৰু আন এগৰাকী অৱসৰপ্ৰাপ্ত প্ৰৱক্তাৰ গৃহত চোৰে চাফাই অভিযান চলোৱাৰ পাছত এইবাৰ চেঁচাসত্ৰত চোৰে লুটি নিলে গৃহস্থৰ আঠযোৰকৈ কাঁহৰ বাচন-বৰ্তনৰ লগতে নগদ ধন আৰু আ-অলংকাৰ। চেঁচাসত্ৰৰ পূৰ্ণজ্যোতি গোস্বামীৰ গৃহত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰে সংঘটিত কৰে এই চুৰিকাণ্ড। চোৰে গৃহস্থৰ ঘৰত মল ত্যাগ কৰি একপ্ৰকাৰে অত্যাচাৰো চলায়। উল্লেখ্য যে যোৱা ২০টা দিনৰ ভিতৰত জামুগুৰিহাটত এতিয়ালৈকে কে'বাটাও চুৰিকাণ্ড সংঘটিত হোৱাৰ পাছত ৰাইজ শংকিত আৰু উদ্বিগ্ন হৈ পৰিছে।

# জামুগুৰিহাটত আছুৰ বিশেষ অভিনন্দন অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ৩০ আগষ্ট ঃ** অহা চাৰি ছেপ্টেম্বৰত জামুগুৰিহাটত অনুষ্ঠিত হ'ব আছুৰ বিশেষ অভিনন্দন অনুষ্ঠান। সদৌ জামুগুৰি ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হ'ব লগা অভিনন্দন অনুষ্ঠানত ২০২২ত সুখ্যাতিৰে উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হ'ব। দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা অনুষ্ঠান পুৱা ১১ বজাত উদ্বোধন কৰিব শোণিতপুৰ জিলাৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই। আছু নেতা দেৱ দীপাংকৰ শইকীয়াই আঁত ধৰিব লগা আৰু শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিত নাথৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা অভিনন্দন অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। অনুষ্ঠানত সন্মানীয় অতিথিৰূপে সদৌ অসম কলেজ শিক্ষক সন্থাৰ সম্পাদক ড° জয়ন্ত বৰুৱাকে ধৰি কে'বাগৰাকী সন্মানীয় ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। স্থানীয় বাপুজী ভৱনত জামুগুৰিহাটৰ পাঁচশৰো অধিক কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনাবলগীয়া এই সম্বৰ্ধনা অনুষ্ঠানত সকলোৰে উপস্থিতি কামনা কৰিছে সদৌ জামুগুৰি ছাত্ৰ সন্থাই।

# দেৰগাঁৱত মহিলা প্ৰৱঞ্চকক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**দেৰগাঁও, ৩০ আগষ্ট ঃ** দেৰগাঁও আৰক্ষীৰ দলে যোৱা নিশা বঙালগাঁৱৰ এজন ব্যক্তিৰ ভাড়া ঘৰৰ পৰা এগৰাকী মহিলা প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে যোৰহাটৰ স্নেহা বৰদলৈ নামৰ এগৰাকী মহিলা প্ৰৱঞ্চকে কে'বাজনো ব্যৱসায়ীৰ পৰা নগদ ধন আৰু বস্তু লৈ উধাও হয়। ২১ আগষ্টত ধৃত স্নেহা বৰদলৈয়ে দেওবৰীয়া বজাৰৰ ফল-মূলৰ ব্যৱসায়ী মহেশ দাসৰ পৰা ৬,৭০০ টকাৰ ফল-মূল আৰু নগদ ১,০০০ টকা, দেৰগাঁও চাৰিআলিৰ বস্ত্ৰ বিপণী 'কৈলাশপতি'ৰ পৰা ২,২০০ টকাৰ কাপোৰ আৰু নেঘেৰিটিঙৰ মৎস্য ব্যৱসায়ী জিতুমণি দাসৰ পৰা ছহেজাৰ টকাৰ মাছ আৰু ২৩৯ টকাৰ ৰিচাৰ্জ লয়। এটা সপ্তাহ ব্যৱসায়ীসকলে মহিলা গৰাকী আহিব বুলি ৰৈ আছিল; কিন্তু তেওঁ যিটো ফোন নম্বৰ দিছিল সেইটো ফোন ৰিছিভ নকৰে। ব্যৱসায়ীসকলে উপায়ান্তৰ হৈ দেৰগাঁও আৰক্ষী থানাত গোচৰ তৰে। ধৃত মহিলাগৰাকী অকল দেৰগাঁৱতে নহয় যোৰহাটৰ বহু ব্যৱসায়ীকো প্ৰৱঞ্চনা কৰি আহিছিল। ভুক্ত ভোগীৰ গোচৰৰ ভিত্তিত নিশাই মহিলাগৰাকীক আৰক্ষীয়ে আটক কৰি সোধ-পোচ আৰম্ভ কৰিছে।

# গোলাঘাটৰ চাহ বাগিচাত চিলাই মেচিন-খাদ্যৰ পেকেট বিতৰণ হোজাইৰ সংগঠনৰ

অগ্ৰদূত বাৰ্তা
**হোজাই, ৩০ আগষ্ট ঃ** হোজাইৰ অগ্ৰণী স্বেচ্ছাসেৱী সংস্থা মৰ্কজুল মা আৰিফে কালি গোলাঘাটৰ চোটজান চাহ বাগিচাত বাগিচা কৰ্মীসকলৰ মাজত চিলাই মেচিন আৰু খাদ্য সামগ্ৰী বিতৰণ কৰে। প্ৰাপ্ত তথ্য মতে, 'মৰ্কজুল মা আৰিফ'ৰ ৰিলিফ বিভাগৰ কো-অৰ্ডিনেটৰ মৌলানা তনজিম ফাৰুকীৰ নেতৃত্বত যোৱা এটা দলে চাহ বাগিচাৰ মহিলাক স্বাৱলম্বী কৰাৰ উদ্দেশ্যে ১২টা ছিলাই মেচিন প্ৰদান কৰে। লগতে ৫০টা পৰিয়ালৰ মাজত চাউল, দাইল, বিস্কুট, তেল আদি খাদ্য সামগ্ৰীৰ একোটাকৈ টোপোলা প্ৰদান কৰে। ইফালে, চাহ বাগিচাৰ আঠটা পৰিয়ালৰ শিক্ষাৰ্থীৰ উচ্চ শিক্ষাৰ বাবে মাহে দুই হেজাৰকৈ জলপানি প্ৰদানৰ ব্যৱস্থা কৰে সংস্থাটোৱে। সংস্থাটোৰ সভাপতি ড° চামচুল হক চৌধুৰীয়ে কয় যে মৰ্কজুল মা আৰিফে জন্মলগ্নৰে পৰা জাতি-ধৰ্ম নিৰ্বিশেষে মানৱীয় সাহায্য আগবঢ়াই আহিছে। মৰ্কজুল মা আৰিফৰ জলপানি লাভ কৰি কে'বাশ শিক্ষাৰ্থীয়ে চিকিৎসক, অভিযন্তা আদি ডিগ্ৰী লাভ কৰিছে। অনাগত দিনতো এই প্ৰচেষ্টা অব্যাহত থাকিব। গোলাঘাটৰ এই কাৰ্যসূচীত মছৰুল আহমদ চৌধুৰী আৰু ফখৰ উদ্দিনো উপস্থিত আছিল।

# মগজুৰ বাবে সুৰুচি সম্পন্ন সাহিত্যৰ প্ৰয়োজন ঃ ডাঃ ভূঞা

**■ ৰঙিয়াৰ ৰণদিয়া সাহিত্য সভাৰ অন্তৰংগ অনুষ্ঠান**

অগ্ৰদূত বাৰ্তা
**ৰঙিয়া, ৩০ আগষ্ট ঃ** 'শাৰীৰিক, মানসিক, সামাজিক আৰু আৰ্থিক এই চাৰিওটা দিশৰ পৰা সুস্থ হ'লেহে এজন ব্যক্তিক সম্পূৰ্ণ সুস্থ বুলি ক'ব পাৰি। বৰ্তমান সময়ত টকা-পইচাৰ পাছত দৌৰি থাকোতে বেছিভাগ মানুহে নিজৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য হেৰুৱাব ধৰিছে। গতিকে প্ৰতিদিনে কমেও এঘন্টা শাৰীৰিক ব্যায়াম কৰা যিমান দৰকাৰ, ঠিক তেনেদৰে মানসিক স্বাস্থ্য ঠিক ৰাখিবলৈ হ'লে আমি বিভিন্ন ধৰণৰ স্বকাৰাত্মক দৃষ্টিভংগীৰ কিতাপ পঢ়াটোও সিমানেই দৰকাৰ।' এই পৰামৰ্শ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ স্নায়ুশল্য বিভাগৰ মুৰব্বী অধ্যাপক, প্ৰখ্যাত চিকিৎসক তথা ৰঙিয়াৰ সুসন্তান ডাঃ মৃণাল ভূঞাৰ। তেওঁ ৰঙিয়াৰ ৰণদিয়া শতদল সাহিত্য সভাৰ এই মাহৰ অন্তৰংগ অনুষ্ঠানৰ মধ্যমণি হিচাপে এই মন্তব্য কৰে। জন্মলগ্নৰে পৰাই ৰঙিয়াৰ ৰণদিয়া শতদল সাহিত্য সভাই প্ৰতিমাহে ধাৰাবাহিকভাৱে অনুষ্ঠিত কৰি অহা এইবাৰৰ এই মাহৰ অতিথি অনুষ্ঠানত বহু ব্যস্ততাৰ মাজতো মুখ্য অতিথিৰূপে উপস্থিত থাকি প্ৰখ্যাত চিকিৎসক ডাঃ ভূঞাই ৰাইজৰ আগত নিজৰ মনোভাব ব্যক্ত কৰে। তেওঁ কয় যে দেহৰ বাবে যেনেদৰে পুষ্টিকৰ খাদ্য দৰকাৰ, ঠিক তেনেদৰে মানসিক স্বাস্থ্যৰ বাবে সুৰুচি সম্পন্ন সাহিত্যৰ ৰস পান কৰাটো দৰকাৰ। হাইস্কুলীয়া শিক্ষা গ্ৰহণৰ সময়ৰ পৰা এতিয়ালৈ তেওঁ সময় সুযোগ উলিয়াই বিভিন্ন ধৰণৰ কিতাপ পঢ়ে বুলি কয়। তেওঁৰ মতে বেছিভাগ মানুহে মগজুৰ প্ৰায় ৯৯ শতাংশ ব্যৱহাৰ নকৰাকৈয়ে জীৱন অতিবাহিত কৰি আহিছে। মগজুক যিমানেই জোৰ দিয়া হয়, সিমানেই মগজু কৰ্মক্ষম হৈ উঠে আৰু সি তাৰ কাম কৰা আৰম্ভ কৰি দিয়ে বুলিও মতপোষণ কৰে ডাঃ ভূঞাই। একেটা অনুষ্ঠানতে অংশগ্ৰহণ কৰি বিশিষ্ট চিকিৎসক তথা অসম সাহিত্য সভাৰ হিতৈষী সভ্য ডাঃ হিতেন্দ্ৰ কলিতাই কয় যে মানুহ হিচাপে জন্মগ্ৰহণ কৰা প্ৰতিজন জীৱ শ্ৰেষ্ঠ মানুহে প্ৰকৃতি আৰু পৰিৱেশ সুস্থিৰ কৰি ৰখাৰ ক্ষেত্ৰত পদক্ষেপ ল'ব লাগিব। আৰু এই ক্ষেত্ৰত তেওঁ মুখ্য ভূমিকা গ্ৰহণ কৰি নিজেও গছপুলি ৰোপণ কৰি আছে বুলি জানিবলৈ দি সকলোকে যিমান পাৰি গছপুলি ৰোপণ আৰু তাক সংৰক্ষণৰ বাবে আহ্বান জনায়। সাহিত্যৰ লগত বৈজ্ঞানিক বিশ্লেষণ অন্তৰ্ভুক্ত কৰি সাহিত্যক আৰু অধিক ৰসাল কৰাৰ লগতে সাধাৰণ পাঠকৰ মনত সজাগতা অনাৰ ক্ষেত্ৰত সাহিত্যিকসকলে চিন্তা কৰা উচিত বুলি ডাঃ কলিতাই পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত অংশগ্ৰহণ কৰা আন এজন বিশিষ্ট অতিথি ৰঙিয়া মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক দীনেশ লহকৰে কয় যে সমাজত বহুতো সাহিত্য-সাংস্কৃতিক সংগঠন আছে যদিও ৰণ্দিয়া সাহিত্য সভাই কৰি অহা কাম-কাজবোৰে সমাজৰ সকলো ব্যক্তিৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে আৰু ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণৰ জৰিয়তে অসম সাহিত্য সভাক গণমুখীকৰণত বৰঙণি যোগাইছে। ৰণদিয়া সাহিত্য সভাই তেওঁৰ দৰে বহুতকে সাহিত্য সভাৰ প্ৰতি আকৃষ্ট কৰা বুলি লহকৰে ব্যক্ত কৰে। কথা প্ৰসংগত তেওঁ ৰঙিয়াৰ প্ৰায় ১৪ মাইল দৈৰ্ঘ্যৰ ঐতিহাসিক আৰিমত্ত গড়টো সংৰক্ষণৰ ব্যৱস্থা নকৰাত ক্ষোভ প্ৰকাশ কৰে। এই ক্ষেত্ৰত ৰণ্দিয়া সাহিত্য সভাই এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি গড়টো সংৰক্ষণৰ ক্ষেত্ৰত আগভাগ ল'বলৈ আহ্বান জনায়। সম্পাদক হেমন্ত কলিতাই আঁত ধৰা এই মনোগ্ৰাহী অনুষ্ঠানত ৰণ্দিয়া সাহিত্য সভাৰ সভ্যসকলে বিশিষ্ট অতিথি ডাঃ মৃণাল ভূঞাক প্ৰতীক সম্বলিত গামোচা, মানপত্ৰ, মুখপত্ৰ 'ৰণ্দিয়া' আৰু অন্যান্য অতিথিক গামোচাৰ লগতে মুখপত্ৰ 'ৰণ্দিয়া' অৰ্পণ কৰি সম্বৰ্ধনা জনায়। অনুষ্ঠানত শাখাৰ সভাপতি প্ৰতুল ভূঞা, উপ-সভাপতি জয়ন্ত জিত কলিতা, সহকাৰী সম্পাদক মুকেশ লহকৰ, পত্ৰিকা সম্পাদক উজ্জ্বল ডেকা, অভিনেতা পৰিচালক তথা সাংস্কৃতিক কৰ্মী পংকজ পল্লৱ শৰ্মা, পাৰ্থ প্ৰতীম শৰ্মা, জ্যোতিষ কলিতা, সাংবাদিক ফাৰুক হুছেইন, নছিউৰ ৰহমান, অধিবক্তা তথা সাংবাদিক চৈয়দ মোস্তাফা আহমেদ, সমাজকৰ্মী দুলু ভূঞা, বিষয় শিক্ষক মুকুল ভূঞা, শিক্ষয়িত্ৰী মামণি লহকৰ, বিমলা দেৱী, সবিতা মজুমদাৰ, সমাজসেৱিকা সুৰভি লহকৰ, আজীৱন সভ্য কৰেন্দ্ৰ কলিতা, ভাস্কৰ কলিতাসহ বহুকেইজন সাহিত্যানুৰাগীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি কে'বাগৰাকী সভ্যক অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ প্ৰমাণপত্ৰ বিতৰণ কৰা হয়।



*নলবাৰীত দিহানামৰ পুথি 'নামাঞ্জলি' উন্মোচনৰ অনুষ্ঠানৰ দৃশ্য।*

# ভৱানীপুৰ সমষ্টিত সাতটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন



বিশেষ সংবাদদাতা
**পাঠশালা, ৩০ আগষ্ট ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিত আজি নৱ নিৰ্মিত সাতটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ পৃথকে পৃথকে উদ্বোধন কৰে ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। উল্লেখ্য যে সমষ্টিটোৰ পুঠিমাৰী, উজান বৰবৰী, সৰুপেটা, কৰাগাড়ী, দাতিৰবৰী, চাউলীয়াবৰী আৰু হাঠিনাপুৰ-চৰাভিঠাত মুঠ সাতটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ পৃথকে পৃথকে উদ্বোধন কৰে বিধায়ক তালুকদাৰে। আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰি বিধায়ক তালুকদাৰে সংবাদ মাধ্যমৰ আগত অসম চৰকাৰৰ এক বিশেষ আঁচনিৰ জৰিয়তে প্ৰতিটো আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ বাবদ ২৫ লাখ টকাকৈ ব্যয় কৰা হৈছে বুলি ব্যক্ত কৰে। ভৱানীপুৰ বিধানসভা সমষ্টিত চলিত বৰ্ষত পুনৰ ২৪টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ হ'ব বুলিও কয়। তদুপৰি বিধায়ক তালুকদাৰে অসমৰ সকলো অংগনৱাড়ী কেন্দ্ৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ সদৃশ হ'ব লাগে বুলিও মত ব্যক্ত কৰে। আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধনী অনুষ্ঠানত বজালী জিলা উপায়ুক্ত কাবেৰী বৰকাকতি শৰ্মা, অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দেৱ, ভৱানীপুৰ খণ্ড উন্নয়ন বিষয়া ভৱানী পেগু, অভিযন্তা আলতাফুৰ ৰহমান, ভৱানীপুৰ আঞ্চলিক পঞ্চায়তৰ অধ্যক্ষ বুদ্ধদেৱ পাটগিৰিৰ লগতে কে'বাগৰাকীও চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু বহুসংখ্যক ৰাইজ উপস্থিত থাকে। আনহাতে, হাঠিনাপুৰ-চৰাভিঠা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ মুকলি কৰাৰ পাছতে অংগনৱাড়ী কেন্দ্ৰ প্ৰাংগণত দুপৰীয়াৰ পৰা অনুষ্ঠিত মুকলি সভাত বিধায়ক ফণীধৰ তালুকদাৰ, বজালী জিলা উপায়ুক্ত কাবেৰী বৰকাকতি শৰ্মাৰ লগতে কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অতিথিৰূপে বক্তৃতা প্ৰদান কৰে।

# দদৰা সাহিত্য মঞ্চৰ ২৫ সংখ্যক বৈঠক সম্পন্ন

**■ 'সাধুকথাৰ কুঁকি' শীৰ্ষক গ্ৰন্থ উন্মোচন**

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ৩০ আগষ্ট ঃ** দদৰাৰ দুৰ্গা মন্দিৰ প্ৰাংগণত কালি দদৰা সাহিত্য মঞ্চৰ ২৫ সংখ্যক সাহিত্য চ'ৰাত অৱসৰপ্ৰাপ্ত শিক্ষক তথা হাজো চক্ৰৰ শিঙিমাৰী গাঁও নিবাসী গণেশ চন্দ্ৰ বৰ্মনে লিখা 'সাধুকথাৰ কুঁকি' শীৰ্ষক এখনি গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট পৰিৱেশ বিজ্ঞানী ড° অৱনী কুমাৰ ভাগৱতীয়ে। দদৰা সাহিত্য মঞ্চৰ সভাপতি শংকৰ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত সভাত গ্ৰন্থখন উন্মোচন কৰি তেওঁ কয় যে গণেশ বৰ্মনে এয়া এক পবিত্ৰ কাম কৰিছে। সাধুকথাবোৰ এটা জাতিৰ সম্পদ। তেওঁ প্ৰসংগত আৰু কয় যে এটা সভ্য জাতিয়ে সদায় নিজৰ দীঘলীয়া ইতিহাস আৰু ঐতিহ্যক লৈ গৌৰৱ কৰে। তেওঁ আৰু কয় যে সাম্প্ৰতিক সময়ত মানুহৰ সমূহীয়া চিন্তা চেতনা সংকুচিত হৈ আহিছে। ক'ভিড কালত ই আৰু নিম্নগামী হয়। তেওঁ দদৰা সাহিত্য মঞ্চক গ্ৰামাঞ্চলৰ প্ৰতিভাসমূহক নিজৰ চিন্তা-চেতনা প্ৰকাশৰ সুযোগ দিয়া বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে এনে সাহিত্যৰ অনুষ্ঠানবোৰে সমাজখন ভাল হোৱাত বৰঙণি যোগাব পাৰে। আমাৰ সমূহীয়া সমস্যা আৰু সম্ভাৱনাবোৰৰ চৰ্চা কৰাৰ বাবে দদৰা সাহিত্য মঞ্চৰ দৰে অনুষ্ঠানবোৰৰ প্ৰয়োজন আছে। সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ দি বিশিষ্ট শিক্ষাবিদ-সাংবাদিক তথা দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পৰেশ বৈশ্যই কয় যে গণেশ বৰ্মন এজন সঁচা শিক্ষক। তেওঁৰ সাহিত্য চৰ্চাৰ প্ৰতি হেঁপাহো অদম্য। তেওঁৰ এই গ্ৰন্থখনে অসমৰ শিশু সাহিত্যৰ ভঁৰাললৈ অনবদ্য অৱদান আগবঢ়াব বুলি তেওঁ আশা প্ৰকাশ কৰে। তেওঁ আৰু কয় যে শিক্ষা আৰু সাহিত্য চৰ্চা উভয় ক্ষেত্ৰতেই মাতৃভাষাৰ গুৰুত্ব অপৰিসীম। মাতৃভাষাক অৱহেলা কৰাটোৱেই হৈছে অবিজ্ঞানসন্মত চিন্তা। সভাত বিশিষ্ট চিকিৎসক ডাঃ শ্যামন্ত কলিতাই কয় যে সাধুকথাই শিশুসকলৰ কল্পনা শক্তি আৰু সৃজনীশীলতা বৃদ্ধি কৰে। সভাত সঞ্জীৱ জ্যোতি হালৈয়েও দুযাৰ কয়। গ্ৰন্থখনৰ ৰচয়িতা গণেশ চন্দ্ৰ বৰ্মনে কয় যে এই গ্ৰন্থখন তেওঁ তেওঁৰ পৰিয়ালৰ প্ৰেৰণাত প্ৰকাশ কৰিছে। তেওঁৰ আন সৃষ্টিৰাজিও পৰ্যায় ক্ৰমে প্ৰকাশৰ দিহা কৰিব বুলি কয়। দদৰা সাহিত্য মঞ্চৰ এই অনুষ্ঠানত ড° পংকজলোচন বৈশ্য, নবীন ৰাজবংশী, মৰমী বৰা, প্ৰতিভা দাস প্ৰমুখ্যে স্থানীয় ভালেসংখ্যক পুৰুষ-মহিলা, ছাত্ৰ-ছাত্ৰীয়ে স্বৰচিত কবিতা, গল্প আদি পাঠ কৰি অনুষ্ঠান জীপাল কৰি তোলে। আৰম্ভণিতে দদৰা সাহিত্য মঞ্চৰ সম্পাদক নবীন ৰাজবংশীয়ে দদৰা সাহিত্য মঞ্চৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰে। উদ্দেশ্য ব্যাখ্যা কৰি তেওঁ কয় যে দদৰা সাহিত্য মঞ্চই সদায় মাতৃভাষাৰ অনুশীলন আৰু মাতৃভাষাত সাহিত্য চৰ্চাৰ পৰিৱেশ সৃষ্টি কৰি আহিছে। তেওঁ কয় যে আমি যি ভাষাতেই নপঢ়ো কিয় নিজৰ মাতৃভাষা চৰ্চা অবিৰতভাৱে কৰিব লাগিব। সভাপতিৰ ভাষণত বিশিষ্ট কবি, সমালোচক শংকৰ শইকীয়াই কয় যে এখন গ্ৰন্থ উন্মোচন কৰা মানে সভ্যতাৰ এটা ঢাপ আগুৱাই যোৱা। তেওঁ আৰু কয় যে জাতি এটা প্ৰধানতঃ ভাষাৰ ভিত্তিতহে গঠন হয়। ধৰ্মই জাতি নিৰূপণ নকৰে। অনুষ্ঠানত গ্ৰন্থখনৰ ৰচয়িতা গণেশ চন্দ্ৰ বৰ্মনৰ পুত্ৰ ৰূপ কুমাৰ বৰ্মনেও দুযাৰ কয়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় দদৰা সাহিত্য মঞ্চৰ সম্পাদক নবীন ৰাজবংশীয়ে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰতিভা দাসে এটি গীত পৰিৱেশন কৰে। অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# ঘগ্ৰাপাৰত বড়িগোগ বনভাগ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৩০ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কাৰ্যালয়ৰ প্ৰাংগণত আজি বড়িগোগ বনভাগ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ 'নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস' দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত চাফাই অভিযান, পতাকা উত্তোলনৰ পাছতে বৃক্ষৰোপণ কৰে ক্ৰমে সন্মিলনৰ উপ-সভাপতি ক্ৰমে অচ্যুত চন্দ্ৰ গোস্বামী আৰু অৰবিন্দ বৈশ্যই। বড়িগোগ বনভাগ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি খগেন্দ্ৰ নাথ তালুকদাৰে সঞ্চালনা কৰা আৰু সহকাৰী সম্পাদক উমেশ বৈশ্যই উদ্দেশ্য ব্যাখ্যা কৰা শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠান উদ্বোধন কৰি নলবাৰীৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ যুটীয়া সঞ্চালক ডাঃ উমেশ চন্দ্ৰ ফাংচই বড়িগোগ বনভাগ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ এনে পদক্ষেপক শলাগ লোৱাৰ উপৰি চৰকাৰে জ্যেষ্ঠ নাগৰিক সমাজলৈ আগবঢ়োৱা কে'বাটাও আঁচনিৰ কথা উল্লেখ কৰে। লগতে তেওঁ এখন সুস্থ সমাজ পাবলৈ হ'লে দৈহিক, মানসিক, সামাজিক স্বাস্থ্য অটুট ৰাখিবলৈ আহ্বান জনায়। সন্মিলনৰ প্ৰয়াত লোকসকলক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে সাম্প্ৰতিক সময়ত জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্য দিশত ল'বলগীয়া কে'বাটাও পৰামৰ্শ দিয়ে। অনুষ্ঠানত ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য বিষয়া ডাঃ সুৰেন মজুমদাৰ, ডাঃ অৰুণ বৰ্মন, ডাঃ দিলীপ কলিতাকে ধৰি অঞ্চলটোৰ বিশিষ্ট শিক্ষাবিদ, সাংবাদিক আদিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে নলবাৰী জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত জ্যেষ্ঠ নাগৰিকসকলৰ বাবে বিনামূলীয়া এটি চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। শিবিৰটোত অঞ্চলটোৰ শতাধিক জ্যেষ্ঠ নাগৰিকৰ বিশেষকৈ চকুকে ধৰি বিভিন্ন ৰোগৰ চিকিৎসা সেৱা আগবঢ়াই ক্ৰমে ডাঃ বীৰেন তালুকদাৰ, ডাঃ আয়ুৱ আলী, ডাঃ ৰূপেশ্বৰ বৈশ্য আদিয়ে। লগতে শিবিৰটোত ৰোগীসকলৰ মাজত বিনামূলীয়াকৈ ঔষধ-পাতি যোগান ধৰা হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় সন্মিলনৰ উপ-সভাপতি অচ্যুত চন্দ্ৰ গোস্বামীয়ে।

# ঢেকিয়াল আৰক্ষী চকীত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন

**খুমটাই, ৩০ আগষ্ট ঃ** অসমৰ সমাজ জীৱনৰ অন্যতম পুৰোধা ব্যক্তি, বৃহত্তৰ অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোলাঘাট জিলাৰ ঢেকিয়াল আৰক্ষী চকীতো পালন কৰা হয়। ঢেকিয়াল আৰক্ষী চকীৰ অন্তৰ্গত সমূহ গাঁওৰক্ষী বাহিনী আৰু গোলাঘাট থানা সমিতিৰ উদ্যোগত ঢেকিয়াল আৰক্ষী চকীৰ সহযোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৪ সংখ্যক তিৰোভাৱ তিথি পালন কৰে। তিথি উপলক্ষে পুৱা ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, ৰচনা প্ৰতিযোগিতা, নাম-প্ৰসংগ আদি অনুষ্ঠানৰ পাছতেই নিশালৈ স্থানীয় শিল্পীৰ দ্বাৰা 'বিপ্ৰ দামোদৰ আখ্যান দন্তবক্ৰ মুক্তিলাভ' নামৰ মহাপুৰুষীয়া নাটখন প্ৰদৰ্শন কৰে। ঢেকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গণেশ গোস্বামীয়ে উদ্বোধন কৰা ভাওনাখনত দৰ্শকৰ বিপুল সঁহাৰি পৰিলক্ষিত হয়।

# চতিয়াৰ পঞ্চায়ত সচিব শিৱ কুমাৰ ঢাকালৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**চতিয়া, ৩০ আগষ্ট ঃ** চতিয়াৰ ঘিলাধাৰীমুখৰ নিবাসী পঞ্চায়ত সচিবৰূপে কৰ্মৰত শিৱ কুমাৰ ঢাকাল (৫৮)ৰ আজি পুৱা হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যুমুখত পৰে। ১৯৬৫ৰ ১১ ফেব্ৰুৱাৰীত ঘিলাধাৰীমুখত জন্ম লাভ কৰা প্ৰয়াত ঢাকালে সীপৰীয়া হাইস্কুলৰ পৰা মেট্ৰিকত উত্তীৰ্ণ হৈ পৰৱৰ্তী সময়ত তেজপুৰ দৰং কলেজৰ পৰা বাণিজ্য বিভাগত স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৯৪ত চতিয়া এক নম্বৰ গাঁও পঞ্চায়তত সচিবৰূপে কৰ্মজীৱন আৰম্ভ কৰি প্ৰয়াত ঢাকালে মৃত্যুৰ সময়ত তেজপুৰ বিন্দুকুৰি গাঁও পঞ্চায়তৰ সচিবৰূপে কৰ্মৰত হৈ আছিল। দক্ষিণ চতিয়াৰ প্ৰতিটো অনুষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত ঢাকাল এজন সৰবৰহী আৰু অতি নম্ৰ স্বভাৱৰ ব্যক্তি আছিল। আজি পুৱা তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অসংখ্য গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জনাবলৈ তেওঁৰ বাসগৃহত উপস্থিত হয়। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ আৰু পত্নীক ইহসংসাৰত এৰি যায়।

# 'প্ৰজন্ম উন্মেষ'ৰ বিৰুদ্ধে সৰৱ জামুগুৰিহাটৰ ৩০ৰো অধিক দল-সংগঠন

**■ নটসূৰ্য বঁটাপ্ৰাপক ভোলা কটকীক অসন্মান প্ৰদৰ্শন অৰূপ শইকীয়াৰ ■ এজাহাৰ দাখিলৰ সিদ্ধান্ত**

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩০ আগষ্ট ঃ** জামুগুৰিয়া ৰাইজৰ সহযোগত 'প্ৰজন্ম উন্মেষ' নামৰ এটি স্বয়ম্ভূ সংগঠনে নট সূৰ্য বঁটা প্ৰাপক জামুগুৰিহাটৰ সংগীয়াচুক নিবাসী ভোলা কটকীক 'জামুগুৰি ৰত্ন' বঁটা প্ৰদান কৰিব বুলি চলোৱা প্ৰচাৰত আজি জাঙুৰ খাই উঠিছে জামুগুৰিহাটৰ ডেৰকুৰিৰো অধিক দল-সংগঠন। জামুগুৰিহাটৰ পৰিদৰ্শন ভৱনত জামুগুৰি বাৰেহৰীয়া ভাওনা সমিতিৰ উদ্যোগত জামুগুৰি সাহিত্য সভা, আটছা, জামুগুৰি জ্যেষ্ঠ নাগৰিক সন্থা, শ্ৰীমন্ত শংকৰদেৱ সংঘ, বাৰেচহৰীয়া ৰাইজ সভা, শংকৰদেৱ নামধৰ্ম সমাজ, নাথ যোগী সন্মিলন, বাপুজী ভৱন নাট্য সমাজ, সুন্দৰম সাংস্কৃতিক গোষ্ঠী, আখৰা, শ্যামলী লেখিকা সমিতি, কুসুমটোলা উন্নয়ন সমিতি, জামুগুৰি বিহু মেলা, জামুগুৰি পৌৰসভা, জামুগুৰি ব্যৱসায়ীক সন্থা, জামুগুৰি ক্ৰীড়া সন্থাকে ধৰি ডেৰকুৰিৰো অধিক অনুষ্ঠানে জামুগুৰিহাটৰ ৰাইজক বাৰে বাৰে অপমান, অপযশ দি অহা 'প্ৰজন্ম উন্মেষ' নামৰ স্বয়ম্ভূ অনুষ্ঠানক নিষিদ্ধ কৰিবৰ বাবে তথা আইনী ব্যৱস্থা গ্ৰহণৰ বাবে জামুগুৰি আৰক্ষী থানাত গোচৰ ৰুজু কৰাৰ সিদ্ধান্ত কৰাৰ লগতে অহা তিনি ছেপ্টেম্বৰত বাপুজী ভৱনত জামুগুৰি 'ৰত্ন বঁটা' প্ৰদান অনুষ্ঠান আয়োজন কৰিবলৈ দিয়া নহ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। সাংবাদিক মেলত 'প্ৰজন্ম উন্মেষ'ৰ স্বয়ম্ভূ অধ্যক্ষ অৰূপ শইকীয়াৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ সদস্যই। বাৰেচহৰীয়া ভাওনা সমিতিৰ সভাপতি তথা অসম সত্ৰ মহাসভাৰ প্ৰাক্তন সম্পাদক প্ৰধান ভৱ গোস্বামীয়ে কয়, 'জামুগুৰিবাসীৰ নাম লৈ নিজ খেয়াল-খুচি মতে কাৰোবাক 'জামুগুৰি ৰত্ন' উপাধি দিয়াৰ অধিকাৰ 'প্ৰজন্ম উন্মেষে ক'ত পালে?' যোগী সন্মিলনীৰ সভাপতি দণ্ডি নাথে কয়' 'একে ৰাতিতে জন্ম লৈ জামুগুৰিবাসীৰ অনুমতি নোলোৱাকৈ জামুগুৰি ৰত্নৰ দৰে বঁটা ঘোষণা কৰাৰ অধিকাৰ অৰূপ শইকীয়াক কোনেও দিয়া নাই।' জামুগুৰি বাৰেচহৰীয়া ৰাইজ সভাৰ অন্যতম বিষয়ববীয়া জয়ন্ত দাসে কয় যে প্ৰজন্ম উন্মেষ এটা পৰিয়ালৰ তিনিজন ককাই-ভনীয়ে খোলা এটা এনজিঅ'। এটা এনজিঅ'ই ভোলা কটকীৰ দৰে এজন মহান শিল্পীক অপমান কৰাৰ অধিকাৰ ক'ত পালে। সময় থাকোতেই এনেধৰণৰ পাবত গজা সংগঠনসমূহ নিষিদ্ধ নকৰিলে সমাজখন বিপথে পৰিচালিত হ'ব বুলিও মন্তব্য কৰে দাসে। শিক্ষক-সমাজকৰ্মী নিতুমনি বৰাই কয় যে প্ৰজন্ম উন্মেষ নামৰ অস্তিত্বহীন সংগঠনটোৰ অধ্যক্ষ অৰূপ শইকীয়াই জামুগুৰিবাসীক বাৰে বাৰে উপলুঙা কৰি আহিছে। ইয়াৰ যোগ্য প্ৰত্যুত্তৰ ৰাইজে দিয়া উচিত। সংবাদমেলত শিক্ষক-সমাজকৰ্মী বিশ্বজিৎ হাজৰিকা নাট্যকৰ্মী, শৈলেন বৰকটকী, খগেন বৰা, সুবৰ্ণ বৰা, লীলা ভূঞা, আটছাৰ সভাপতি ৰাধেশ্যাম তাঁতী, প্ৰহ্লাদ গায়ন, মাধৱ ওজাকে ধৰি বিভিন্নজনে প্ৰজন্ম উন্মেষ নামৰ সংগঠনক নিষিদ্ধ কৰাৰ দাবী জনোৱাৰ লগতে সংগঠনৰ অধ্যক্ষ অৰূপ শইকীয়াক জামুগুৰিবাসী ৰাইজক মানসিক আঘাত হনা কাৰ্যৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি আজিৰ পৰা দুবছৰ পূৰ্বে জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনা কমিটীক মৌলবাদীৰে তুলনা কৰি জামুগুৰিবাসীৰ ৰোষত পৰাৰ লগতে জামুগুৰিবাসীৰ ওচৰত ৰাজহুৱাভাৱে আঁঠু লৈ এইজন অৰূপ শইকীয়াই ক্ষমা খোজাৰ পাছতো এই পৰ্যন্ত অনুশোচনা নহ'ল বুলি সংবাদমেলত মন্তব্য কৰে বিভিন্নজনে।

# নগাঁৱৰ বৰঘাট বাইপাছৰ ৰেষ্টুৰেণ্টত ডকাইতি

বিশেষ সংবাদদাতা

**নগাঁও, ৩০ আগষ্ট ঃ** শেহতীয়াকৈ নগাঁৱত চুৰি, ডকাইতিকে ধৰি বিভিন্ন অপৰাধমূলক ঘটনা বৃদ্ধি হোৱাত নাগৰিকসকল উদ্বিগ্ন হৈ পৰিছে। সমান্তৰালভাৱে নগাঁৱত ড্ৰাগছৰ প্ৰচলনো ক্ৰমাৎ বৃদ্ধি হৈছে। দুদিনমান পূৰ্বে ড্ৰাগছ সেৱনৰ পৰিণতিত এজন যুৱক সতীৰ্থৰ আক্ৰমণত মৃত্যু হয়। বিভিন্ন অপৰাধজনিত ঘটনা নগাঁৱত প্ৰায়েই সংঘটিত হৈ আহিছে। যোৱা নিশাও নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত বৰঘাট বাইপাছৰ ডাকৰঘাট অঞ্চলৰ এখন ৰেষ্টোৰাঁত ডকাইতিৰ ঘটনা সংঘটিত হয়। 'দুই ভনী' নামৰ ৰেষ্টোৰাঁত নিশা চাৰিজনীয়া দুৰ্বৃত্তৰ এটা দল প্ৰৱেশ কৰি লুটপাট চলায়। দুৰ্বৃত্তৰ দলে ৰেষ্টোৰাঁত মালিক আৰু কৰ্মচাৰীক প্ৰহাৰ কৰাৰ লগতে নগদ ৫০ হেজাৰ টকা লুট কৰি নিয়ে। তদুপৰি দুৰ্বৃত্তৰ দলে ৰেষ্টোৰাঁখনৰ আচবাব পৰ্যন্ত লণ্ডভণ্ড কৰে। ঘটনা সন্দৰ্ভত ৰেষ্টুৰেণ্টখনৰ কৰ্তৃপক্ষই আৰক্ষীক খবৰ দিয়ে যদিও আৰক্ষী পলমকৈ অহাৰ অভিযোগ উত্থাপন কৰিছে ৰেষ্টোৰাঁৰ কৰ্তৃপক্ষই। ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে যদিও বাতৰি লিখা সময়লৈকে কাকো গ্ৰেপ্তাৰ কৰা হোৱা নাই।



*নিত্য প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিকে ধৰি বিভিন্ন সমস্যা সমাধানৰ দাবীত নদুৱাৰত এছইউচিআইৰ বিক্ষোভ কাৰ্যসূচী।*

# কমলপুৰত ইক'টেক পেপাৰ্ছৰ কৰ্কট ৰোগৰ বিনামূলীয়া পৰীক্ষণ তথা সজাগতা শিবিৰ

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ৩০ আগষ্ট ঃ** কমলপুৰ দলমাস্থিত ইক'টেক পেপাৰ্ছৰ চৌহদত আজি মাৰোৱাৰী যুৱ মঞ্চৰ সৌজন্যত, ফাইনাৰৰ উদ্যোগত তথা ইক'টেক পেপাৰ্ছৰ সহযোগত মহাব্যাধি কৰ্কট ৰোগৰ এক বিনামূলীয়া পৰীক্ষণ আৰু সজাগতা শিবিৰৰ সম্পন্ন হৈ যায়। ইক'টেক পেপাৰ্ছৰ মহাপ্ৰৱন্ধক প্ৰভাত প্ৰাণ কোঁৱৰ আৰু প্ৰৱন্ধক ৰাজু পালে জানিব দিয়া মতে, সমগ্ৰ উত্তৰ কামৰূপ সামৰি অনুষ্ঠিত বিনামূলীয়া পৰীক্ষণ আৰু সজাগতা শিবিৰত অঞ্চলটোৰ ৩০০ শতাধিক ৰোগীক গুৱাহাটীৰ এপল' হাস্পতালৰ অভিজ্ঞ চিকিৎসক তথা বিশেষজ্ঞৰ দৰে ৰোগীসকলৰ কৰ্কট ৰোগৰ আনুষংগিক বিভিন্ন পৰীক্ষা-নিৰীক্ষা বিনামূলীয়াকৈ সম্পাদন কৰে। শিবিৰত ৩০০ গৰাকী ৰোগীৰ পৰীক্ষা কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি জ্যেষ্ঠ বিষয়া দুগৰাকীয়ে জানিব দিছে আৰু অত্যন্ত জটিল তথা ব্যয়বহুল উক্ত ৰোগবিধৰ পৰীক্ষণ বিনামূলীয়াকৈ কৰা হৈছে।

# নিউকেষ্টল ইউনিভাৰছিটিত নামভৰ্তিৰ সুযোগ তেজপুৰৰ ৰাহুলৰ

ষ্টাফ ৰিপ'ৰ্টাৰ



**তেজপুৰ, ৩০ আগষ্ট ঃ** তেজপুৰৰ এজন মেধাবী ছাত্ৰ ৰাহুল বৰাই ইংলণ্ডৰ নিউকেষ্টল ইউনিভাৰছিটিত নামভৰ্তিৰ সুযোগ লাভ কৰিছে। উল্লেখ্য যে তেজপুৰৰ বাৰহলীয়া নিবাসী অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক লক্ষীধৰ বৰা আৰু সহকাৰী শিক্ষয়িত্ৰী মানসী বৰাৰ পুত্ৰ ৰাহুলে ২০২২-২৩ৰ স্নাতকোত্তৰ পাঠক্ৰমত অধ্যয়ন কৰিবৰ বাবে ইউনাইটেড ইউনিভাৰছিটিৰ নৰ্থ-ইষ্ট ইংলণ্ডৰ নিউকেষ্টল ইউনিভাৰছিটিত নামভৰ্তিৰ বাবে এই সুবিধা লাভ কৰিছে। এই বিশ্ববিদ্যালয়ত নামভৰ্তি কৰাৰ বাবে ব্ৰিটিছ কাউন্সিলে অনুষ্ঠিত কৰা আইইএলটিএছ পৰীক্ষাত অৱতীৰ্ণ হৈ সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পাছত বিশ্বৰ কে'বাখনো বিশ্ববিদ্যালয়ত জলপানি সহ নামভৰ্তিৰ সুবিধা পাইছিল ৰাহুলে। ইয়াৰ ভিতৰত ইউএছএৰ চেম্পিয়ন ইউনিভাৰছিটি, ইংলণ্ড ইউনিভাৰছিটি অৱ চাচেকচ আৰু নিউকেষ্টল ইউনিভাৰছিটিৰ নাম উল্লেখযোগ্য। আনহাতে, ৰাহুলে এনচিআইডিএ ইন্টাৰনেছনেল ইউনিভাৰছিটিৰ পৰা ২০২২ত চিনেমা আৰু টেলিভিছন বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰিছিল। বৰ্তমান নিউকেষ্টল ইউনিভাৰছিটিত নাম ভৰ্তি কৰা বিদেশী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এটি স্কলাৰছিপ পৰীক্ষাত মুষ্টিমেয় সংখ্যক ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা এটা জলপানি লাভ কৰাৰ যোগ্যতা অৰ্জন কৰিছে তেজপুৰৰ এইজন মেধাবী ছাত্ৰই। উল্লেখ্য যে উক্ত পৰীক্ষাটোত ভাৰতৰ লগতে কানাডা, তুৰ্কী, কেনিয়া, টানজানীয়া, দক্ষিণ আফ্ৰিকা, আমেৰিকা আৰু মালয়েছিয়াসহ আঠখন দেশৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হৈছিল। শৈশৱৰ পৰাই মেধাৱী ৰাহুলে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল।

# খেতি পথাৰত বন মৰা ঔষধ মাৰি ধ্বংস লাখ লাখ টকাৰ ফচল

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩০ আগষ্ট ঃ** বিশ্বনাথৰ নিৰলাবস্তিৰ এজন কৃষকৰ খেতিপথাৰত নিশা দুষ্কৃতিকাৰীয়ে বন মৰা ঔষধ ছটিয়াই ধ্বংস কৰিলে বহু লাখ টকাৰ ফচল। প্ৰায় ছবিঘা মাটিৰ খেতিত জিকা, কবি, বেঙেনা, ভেণ্ডী আৰু অনান্য খেতিৰ ফচল ধ্বংস কৰা ঔষধ ছটিয়াই সম্পূৰ্ণ ফচল শেষ কৰাৰ পৰিকল্পনা কৰিছে দুষ্কৃতিকাৰীয়ে। কেৱল ফচলেই নহয়, কবি পুলিতো এই ঔষধ ছটিয়াই ধ্বংস কৰে লাখ টকাৰ কবি পুলি। উল্লেখ্য যে বিশ্বনাথৰ বালিপুখুৰী অঞ্চলৰ নিৰলাবস্তিৰ হবিবুৰ ৰহমান নামৰ কৃষকজনে ২০-২৫ বছৰ ধৰি এই কৃষিকৰ্মৰ দ্বাৰাই নিজৰ পৰিয়াল পোহপাল দি আহিছে। কেৱল নিজৰ পৰিয়ালেই নহয়, এই কৃষিকাৰ্যত আন কেইবাটাও লোকক জড়িত কৰাই কৰ্ম সংস্থাপন দি আহিছে হবিবুৰ ৰহমানে। কিন্তু হবিবুৰে কৃষিকৰ্মৰ দ্বাৰা স্বাৱলম্বী হোৱা দেখি কাৰ মনত ঈৰ্ষা জন্ম হৈছে, এয়া ৰহস্যৰ আৱৰ্তত। কিয়নো তিনিমাহ মান পূৰ্বে হবিবুৰৰ ঘৰত পোহা প্ৰতিদিনে ১২ লিটাৰ গাখীৰ দিয়া গৰুকো কোনো লোকে বিহ পান কৰায় মাৰি পেলাই যদিও বিষয়টো হবিবুৰে গুৰুত্ব সহকাৰে লোৱা নাছিল। কিন্তু যোৱা নিশা হবিবুৰৰ কৃষিপামত দুষ্কৃতিকাৰীয়ে যি ঘটনা সংঘটিত কৰিলে এই ঘটনাক লৈ এতিয়া বাৰুকৈয়ে চিন্তিত হৈ পৰিছে হবিবুৰ। কাৰণ যি ধৰণে কোনো দুষ্কৃতিকাৰীয়ে হবিবুৰৰ ক্ষতিসাধন কৰিবলৈ চেষ্টা কৰিছে। সেই দুষ্কৃতিকাৰীয়ে সুবিধা পালে হবিবুৰ তথা হবিবুৰৰ পৰিয়ালৰ প্ৰাণৰ প্ৰতি ভাবুকি অহা শংকা আহি পৰিছে। যাৰ বাবে হবিবুৰে আজি এই সন্দৰ্ভত উচিত তদন্ত বিচাৰি আৰক্ষীৰ কাষ চাপিব বুলিও জানিব দিয়ে।

# ক্ষেত্ৰীত দুৰ্ঘটনাত যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ৩০ আগষ্ট ঃ** আজি পুৱাৰ ভাগত ক্ষেত্ৰীৰ ৩৭ নম্বৰ ঘাইপথত সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হয়। মৃত যুৱকজনক ঔজাৰীৰ অমৃত দাস (৩০) বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে সদৰী কৰা মতে অমৃতে নিজ য়ামাহা লিবেৰ বাহনখনেৰে জাগিৰোডলৈ বুলি গৈ থকা সময়তে পিছফালৰ পৰা এএছ-০১ ডিএছ-১৩৩৯ নম্বৰৰ হুণ্ডাই গ্ৰেণ্ড আই-১০ বাহনখনে মটৰ চাইকেলখনক তীব্ৰ বেগত মহটিয়াই নিয়ে। ফলত দুচকীয়া বাহনখনত থকা যুৱকজন থিতাতে মৃত্যু হয়। ইতিমধ্যে আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা বাহনখন জব্দ কৰিছে।

# ভাস্কৰ্য শিল্পী দিলীপ সিঙৰ শিল্প প্ৰতিভাই আজিও নাপালে স্বীকৃতি

**পত্নী পুষ্পাঞ্জলি কৌৰৰ আক্ষেপ**

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৩০ আগষ্ট ঃ** যাৰ অসাধাৰণ শিল্প প্ৰতিভাৰ প্ৰতিটো নিপুণ চানেকিৰ ভাবমূৰ্তিয়ে সবাক ৰূপত মূৰ্তিমান হৈ উঠে- যাৰ হাতৰ পৰশত এছটি কাঠ নতুবা এটা শিলে বহু কথা ক'ব পাৰে, তেওঁ হ'ল লখিমপুৰৰ গৌৰৱ তথা প্ৰয়াত ভাস্কৰ্য শিল্পী দিলীপ সিং। চাবতিস্থিত সোণাৰী গাঁৱৰ নিৱাসী দিলীপ সিঙৰ কৰ্মশৈলীয়ে আজিও বিভিন্ন স্থানত বিভিন্ন সময়ত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। কাঠ আৰু শিলেৰে নিৰ্মিত বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি, নামঘৰৰ মণিকূটৰ আসন, নামঘৰৰ জয়-বিজয় মূৰ্তি, ছহিদ বেদী, লখিমপুৰ শংখ চিনেমা টকীজৰ বেৰত অসমীয়া সংস্কৃতিৰ নক্সা, নকাড়ী নামঘৰৰৰ বাটচ'ৰা, বৃহত্তৰ নকাড়ী সন্মিলনৰ সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণৰ বিশিষ্ট ব্যক্তিক লৈ ভ্ৰমণ কৰা সুসজ্জিত ৰথ আদিয়ে লখিমপুৰ, ঢকুৱাখনা, লালুক নাওবৈচা, আৰু লখিমপুৰ চহৰ গাঁৱে-ভূঞে উজ্জ্বল নিদৰ্শন হৈ জিলিকি আছে। উল্লেখ্য যে প্ৰতিভাৰ



৫০ শতাংশ জন্মসূত্ৰে লাভ কৰা সিঙে সৰুৰে পৰা শিল্প কৰ্মত গভীৰভাৱ মনোনিৱেশ কৰিছিল। সিঙৰ কোনো নিৰ্দিষ্ট গুৰু নাছিল যদিও একান্ত আগ্ৰহ আৰু প্ৰচেষ্টাৰ বলত য'ৰ-ত'ৰ পৰা মৌ-মাখিৰ দৰে জ্ঞান আহৰণ কৰি নিজৰ কৰ্মত খটুৱাইছিল। শিল্পী দিলীপ সিঙৰ পত্নী পুষ্পাঞ্জলি কৌৰে সদায় স্বামীৰ কাষতে বহি চিচ মৰা ৰং কৰা আদি কামত প্ৰতিনিয়ত সহযোগিতা কৰি তেওঁৰ স্বামীক অনুপ্ৰাণিত কৰিছিল। সিঙৰ শিল্প প্ৰতিভা কৰ্মৰাজি সম্পৰ্কে সুধা এক প্ৰশ্নৰ উত্তৰত সিঙৰ পত্নী পুষ্পাঞ্জলি কৌৰে কয় যে তেওঁৰ শিল্পকৰ্মসমূহ লখিমপুৰ বিভিন্ন স্থানত ভাস্কৰ ৰূপত বিদ্যমান হৈ থাকিলেও তেওঁৰ প্ৰতিভাই আজিও স্বীকৃতি নোপোৱাটো পৰিতাপৰ কথা। ১৯৬৬ত জন্মগ্ৰহণ কৰা দিলীপ সিং জন্ম সূত্ৰে পাঞ্জাবী শিখ সম্প্ৰদায়ৰ হ'লেও তেওঁৰ পৰিয়াল হাড়ে-হিমজুৱে অসমীয়া। সিঙৰ শিল্প প্ৰতিভাই উপৰি এজন দক্ষ অভিনেতা আছিল। লীলাবাৰী নেফাত লক্ষ্মী পূজাত আজিৰ পৰা ৩০ বছৰ আগতে বালী বধ ভাওনাত কিষ্কিন্ধা ৰজা বালীৰ চৰিত্ৰত কৰা অভিনয় লীলাবাৰীবাসীয়ে কোনো কালে পাহৰিব নোৱাৰিব। তদুপৰি ৰাস মহোৎসৱত কংসৰ ভাও বিভিন্ন স্থানত সফল অভিনয় কৰিছিল। প্ৰয়াত কেৰ সিং আৰু সুভদ্ৰতা কৌৰৰ কনিষ্ঠ পুত্ৰ দিলীপ সিং উচ্চ ৰক্তচাপ ক্ৰিয়া বন্ধ ২০১২ত পৰলোক প্ৰাপ্তি ঘটে। সিঙৰ মৃত্যুৰ পাছত তিনি সন্তানৰ মাতৃ পুষ্পাঞ্জলি কৌৰে এতিয়া বৰ কষ্টৰে জীৱন নিৰ্বাহ কৰিছে। পত্নী পুষ্পাঞ্জলি কৌৰে মৰণোত্তৰভাৱে চৰকাৰক শিল্পী পেঞ্চনৰ বাবে কাতৰ অনুৰোধ জনোৱাৰ লগতে লখিমপুৰ বাসীক এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

# শিৱসাগৰ কলেজত ৰাষ্ট্ৰীয় পৰ্যায়ৰ চেমিনাৰ সম্পন্ন

**ভাৰতৰ লগতে বিদেশৰ কে'বাগৰাকী গৱেষণাকাৰীৰ অংশগ্ৰহণ**

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৩০ আগষ্ট ঃ** অসমৰ এখন অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান শিৱসাগৰ মহাবিদ্যালয়, জয়সাগৰে ইতিমধ্যে উদ্‌যাপন কৰিছে বৰ্ষজোৰা মহাৰজত বৰ্ষ। মহাৰজতৰ লগত সংগতি ৰাখি বিভিন্ন অনুষ্ঠানৰ সমান্তৰালকৈ কলেজ প্ৰাংগণত দুদিনীয়াকৈ অনুষ্ঠিত হয় দুখনকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ। সম্পূৰ্ণ অফলাইন আৰু অনলাইন দুয়োটা মাধ্যমত অনুষ্ঠিত এই আলোচনাচক্ৰখনত মুঠ পাঁচ সত্ৰ অনুষ্ঠিত হয়। এই আলোচনা সত্ৰত প্ৰায় ডেৰ শতাধিক কলেজ, বিশ্ববিদ্যালয়ৰ শিক্ষক, গৱেষণাকাৰী ছাত্ৰ-ছাত্ৰী তথা ভাৰতৰ বাহিৰত অধ্যয়ন কৰি থকা কে'বাগৰাকী গৱেষণাকাৰীয়ে গৱেষণা পত্ৰ পাঠ আৰু আলোচনা কৰে। আলোচনাচক্ৰখনৰ প্ৰাৰম্ভণিতে এক উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। ডাইনেমিক অৱ হিউমেনিটিছ এণ্ড ছ'চিয়েল ছাইন্সঃ ইমাৰজিং ইণ্টাৰফেচেচ অৱ ফ্লাক্সঃ আৰু এনভাৰমেণ্ট এণ্ড ক্লাইমেট চেঞ্জ ইন নৰ্থ ইষ্ট ইণ্ডিয়াঃ চেলেঞ্জেজ এণ্ড চাষ্টেনেবিলিটি শীৰ্ষক আলোচনাচক্ৰখন কলা আৰু বিজ্ঞান বিভাগৰ যৌথ উদ্যোগত আৰু মহাৰজত জয়ন্তী বৰ্ষৰ বৰ্ষজোৰা কাৰ্যসূচী অংশৰূপে অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে দিল্লী জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক অৰ্চনা উপাধ্যায়, বিজ্ঞান বিভাগৰ ফালৰ পৰা উপস্থিত থাকে অধ্যাপক ড° শান্তনু গোস্বামী।



আলোচনাচক্ৰখনৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰে সতী সাধিনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড°জ্যোতিপ্ৰসাদ শইকীয়াই। প্ৰাধ্যাপক অৰ্চনা উপাধ্যায়ে ড° পৰাগ ৰাজখোৱা আৰু উত্তম বৰুৱাৰ সম্পাদনাৰ কলা বিষয়ৰ আলোচনাচক্ৰৰ সাৰাংশ গ্ৰন্থখন আৰু ড° শান্তনু গোস্বামীয়ে ডাঃ প্ৰভাত নাথ, ড° স্বপ্নীল হাজৰিকা আৰু পৰাগজ্যোতি গগৈৰ সম্পাদনাত বিজ্ঞান বিষয়ৰ সাৰাংশ গ্ৰন্থখন উন্মোচন কৰে। আলোচনাচক্ৰখনৰ সমন্বয়ক ড° ৰেখা বৰঠাকুৰে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰফুল্ল চন্দ্ৰ কলিতাই আদৰণি ভাষণ আগবঢ়ায়। প্ৰথমদিনাৰ আলোচনা সত্ৰখনৰ সন্ধিয়া অনুষ্ঠিত হয় অনলাইন মাধ্যমত এক সত্ৰ। সেই সত্ৰখনত অধ্যক্ষৰ আসন গ্ৰহণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক আদিল উল য়াচিনে। এই সত্ৰত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে আমেৰিকাৰ এথেন্সৰ জৰ্জিয়া বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপিকা ড° আৰুণী কাশ্যপে। আৰু এই সত্ৰতে গৱেষণা পত্ৰ পাঠ কৰে বিশেষকৈ আমেৰিকাৰ মিচিগান বিশ্ববিদ্যালয়ৰ গৱেষণা ছাত্ৰী চন্দ্ৰিকা বৰুৱা, ৰদ ইজলেণ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰী অৰ্গা গোস্বামীয়ে। দ্বিতীয় দিনাৰ সত্ৰত সমল ব্যক্তিৰূপে উপস্থিত থাকে বিশিষ্ট লেখিকা তথা সাহিত্য একাডেমী বঁটাপ্ৰাপক, পদ্মশ্ৰী জয়শ্ৰী গোস্বামী মহন্তই। এই দুদিনীয়া আলোচনা সত্ৰ পৰিচালনা কৰে সমন্বয়ক ড° প্ৰণামিকা গোস্বামী, ড° গায়ত্ৰী গোস্বামী, ড° মায়াশ্ৰী গোস্বামী, ড° বলীন হাজৰিকা, ড° ত্ৰিদিব মহন্ত, অধ্যাপক নৱজ্যোতি শৰ্মা, ড° অসমী চলিহা। আবেলি অনুষ্ঠিত সামৰণি অনুষ্ঠানত সভাপতিত্ব কৰে কলেজৰ উপাধ্যক্ষ ড° দিগন্ত কুমাৰ শৰ্মাই। ৰলংথন ইনবনে আঁত ধৰা অনুষ্ঠানত কে'বাগৰাকীয়েও নিজৰ মত ব্যক্ত কৰে। ড° সন্দিপ্ত চক্ৰৱৰ্তী আৰু ড° প্ৰভাত চন্দ্ৰ নাথে সত্ৰসমূহৰ আলোচনাৰ বিষয়বস্তুৰ ওপৰত এক মূল্যায়ন আগবঢ়ায়। সত্ৰখনত শিৱসাগৰ কলেজ পৰিচালনা সমিতিৰ সভাপতি তথা মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ড° প্ৰকাশ কটকীকে ধৰি কেঁবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল। সত্ৰখনত অংশগ্ৰহণকাৰীসকলক একোখন মানপত্ৰ প্ৰদানৰ দ্বাৰা আলোচনাচক্ৰৰ সামৰণি পৰে।

## অসমীয়া মাধ্যমৰ বিদ্যালয়ক লৈ তেজপুৰৰ তৰুণ অসম সংঘৰ স্থিতি

# তৃতীয় শ্ৰেণীৰ পৰা অংক-বিজ্ঞান ইংৰাজী মাধ্যমত শিক্ষা দিয়াৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ পোষকতা

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৩০ আগষ্ট ঃ** ৰাজ্যৰ বিদ্যালয়সমূহত যদিহে তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু অংকৰ পাঠদান ইংৰাজী মাধ্যমত কৰা হয় তেনেহ'লে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুসৰি, ৰাজ্যসমূহত শিশুক মাতৃভাষাত শিক্ষাদান কৰাৰ যি নিৰ্দেশনা তাক উলংঘা কৰা হ'ব। সেয়েহে তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজী মাধ্যমত অংক আৰু বিজ্ঞানৰ শিক্ষা প্ৰদান বিষয়টোৰ সকলো দিশ পৰ্যালোচনা কৰিবলৈ তেজপুৰৰ অন্যতম সামাজিক অনুষ্ঠান তৰুণ অসম সংঘই এক বিবৃতিৰ জৰিয়তে চৰকাৰলৈ আহ্বান জনাইছে। উল্লেখ্য যে সমগ্ৰ ৰাজ্যজুৰি চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে প্ৰৱল প্ৰতিবাদ হোৱাৰ সময়তে তেজপুৰত ১৯৩০ তে গঢ় লৈ উঠা সামাজিক অনুষ্ঠান তৰুণ অসম সংঘই এই স্পৰ্শকাতৰ বিষয়টোৰ সন্দৰ্ভত নিজৰ স্থিতি প্ৰকাশ কৰি কেতবোৰ সিদ্ধান্ত গ্ৰহণেৰে চৰকাৰলৈ এক বিবৃতিৰ জৰিয়তে আহ্বান জনাইছে। এই সন্দৰ্ভত সংঘৰ সভাপতি ৰবীন্দ্ৰনাথ শৰ্মাই আজি তেজপুৰত প্ৰদান কৰা প্ৰেছ বিবৃতিত ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি ৰাজ্যসমূহত শিশুক মাতৃভাষাত শিক্ষা প্ৰদানৰ পোষকতা কৰে। বিবৃতিটোত এইবুলি অৱতাৰণা কৰিছে যে অসমৰ বিদ্যালয়সমূহত যদিহে তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু অংকৰ পাঠদান ইংৰাজী মাধ্যমত কৰা হয় তেনেহ'লে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুসৰি, ৰাজ্যসমূহত শিশুক মাতৃভাষাত শিক্ষাদান কৰাৰ যি নিৰ্দেশনা তাক উলংঘা কৰা হ'ব। অসমীয়া মাধ্যমত পঢ়া বিদ্যাৰ্থীসকলৰ তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজী মাধ্যমত অংক আৰু বিজ্ঞানৰ শিক্ষা প্ৰদানত অসুবিধা নহ'বৰ বাবে অসম বিজ্ঞান সমিতিয়ে প্ৰস্তুত কৰা বিজ্ঞান কোষ আৰু বিজ্ঞান অভিধানৰ সহায় লৈ পাঠ্যপুথি প্ৰস্তুত কৰি পাঠদান আৰু পাঠগ্ৰহণ সহজ কৰি তুলিব পৰা যায়। শিক্ষকে যেতিয়া পাঠদান কৰে তেতিয়া একে সময়তে ইংৰাজী আৰু অসমীয়া প্ৰতিশব্দৰ জ্ঞান প্ৰদান কৰা দেখা যায়। আনহাতে, এই দুটা বিষয়ৰ বহু শব্দ ইংৰাজীতে লিখা হয়। অসমীয়া মাধ্যমত পঢ়িও জগতত স্বকীয় প্ৰতিভাৰে জিলিকি থকা গণিতজ্ঞ নাইবা বিজ্ঞানী বহুতো আছে। অভিভাৱকসকলৰ নিজ সন্তানক ভাল স্কুলত ভাল শিক্ষকৰ অধীনত উপযুক্ত শিক্ষা দিয়াৰ আকাংক্ষাক সন্মান আৰু গুৰুত্ব দিয়া উচিত। তেওঁলোকৰ ব্যক্তিগত খণ্ডৰ স্কুলৰ প্ৰতি আকৰ্ষিত হোৱাৰ মূল কাৰণ হ'ল, সুস্থ বাতাবৰণ, উপযুক্ত আন্তঃগাঁথনি, অভিভাৱক, শিক্ষক, নিয়মীয়া পৰিদৰ্শন, দক্ষতাবৰ্ধক পাঠ্যক্ৰম বহিৰ্ভূত কাৰ্যকলাপ আৰু পৰীক্ষাৰ উন্নত ফলাফল। সেয়ে এইবোৰ কাৰক যদি অসমীয়া মাধ্যমৰ স্কুলবোৰত উপলব্ধ হয় তেনেহ'লে নিম্নগামী ছাত্ৰৰ সংখ্যাই যি ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে তাক প্ৰতিৰোধ কৰিব পৰা যাব। ইংৰাজী মাধ্যমত পঢ়া বিদ্যাৰ্থীসকল অধিক মেধাৱী আৰু স্মাৰ্ট হোৱাৰ ফলত প্ৰতিযোগিতামূলক পৰীক্ষাবোৰত সহজে সফল হ'ব পাৰিব বুলি যি এক ভ্ৰান্ত ধাৰণাৰ আলমত গণিত আৰু বিজ্ঞান বিষয় দুটাৰ পাঠদানৰ ব্যৱস্থা কৰিব খোজা হৈছে সি সম্পূৰ্ণ অমূলক।

কিয়নো, এজন লোকে সফলতাৰ উচ্চ শিখৰলৈ উধাবৰ বাবে বিশেষ কোনো এক ভাষাৰ পাৰদৰ্শিতাৰ পৰিৱৰ্তে একাগ্ৰতা, নিষ্ঠা, প্ৰায়োগিক স্থান আৰু ধৈৰ্য আদি গুণসমূহৰহে প্ৰয়োজন। অসমত আধাতে স্কুল এৰা ল'ৰা-ছোৱালীৰ সংখ্যা দেশৰ ভিতৰতে বেছি। গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজীত শিকালে স্কুল এৰা বিদ্যাৰ্থীৰ সংখ্যা আৰু বাঢ়িব কিয়নো শিশুক জটিল কথা বোধগম্য কৰাবলৈ মাতৃভাষাৰ কোনো বিকল্প নাই। আনহাতে, বৰ্তমান স্কুলসমূহত এই দুটা বিষয়ৰ উপযুক্ত শিক্ষকৰো অভাৱ; তেনেক্ষেত্ৰত ইংৰাজীতে গণিত আৰু বিজ্ঞান বুজাবৰ বাবে শিক্ষকসকলৰ পাৰদৰ্শিতাৰ নিশ্চয়তা চৰকাৰে দিব পাৰিবনে বুলি বিবৃতিটোত প্ৰশ্ন উত্থাপনৰে তৰুণ অসম সংঘৰ তৰফৰ পৰা উল্লেখ কৰে যে কম সংখ্যক ছাত্ৰ-ছাত্ৰী থকা স্কুলবোৰক আন স্কুলৰ লগত চামিলকৰণৰ বাবে অসম চৰকাৰে যি আঁচনি গ্ৰহণ কৰিছে সেইটোৱে মূল সমস্যাৰ সমাধান কৰিব নোৱাৰে। গতিকে অসমীয়া মাধ্যমৰ শিক্ষা ব্যৱস্থাত থকা কেৰোণবোৰ চিনাক্ত কৰি তাৰ সমাধানৰ ব্যৱস্থা হাতত ল'লেহে এই সমস্যা সমাধান হ'ব বুলি আশা কৰিব পাৰি। নহ'লে বৰ্তমানৰ স্থিতাৱস্থা বাহাল থাকিলে এসময়ত অসমত চৰকাৰী অসমীয়া মাধ্যমৰ স্কুল নাথাকিবগৈ, তাৰ ঠাইত কেৱলমাত্ৰ ব্যক্তিগত খণ্ডৰ স্কুলহে থাকিবগৈ। এই গুৰুত্বপূৰ্ণ দিশসমূহ সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণৰে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ ভাষা সম্পৰ্কীয় প্ৰস্তাৱত থকা নিৰ্দেশ অনুযায়ী পাঠদান-পাঠগ্ৰহণ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ সংঘৰ তৰফৰ পৰা প্ৰেছ বিবৃতিৰ জৰিয়তে অনুৰোধ জনাইছে।






সম্প্ৰীতি শৰ্মা, তৃতীয় শ্ৰেণী, ৰুক্মিণীগাঁও।

# মুকুতা আৰু সোণৰ বান্ধোন

**গায়ত্ৰী দেৱী বৰঠাকুৰ**

*যোৱা সংখ্যাৰ পাছৰ পৰা* তাৰ এই কাম দেখি মোমায়েক খঙত অগ্নিশৰ্মা হ'ল। এনেও আগদিনাৰ খং আছেই...। তেওঁ থপিয়াই সোণক ধৰিলে। বেচেৰা সোণ পৰি গ'ল মোমায়েকৰ ফান্দত।

মুকুতাই মনতে ভাবিলে, 'এই কথাই কথা নহয়। কিবা এটা কৰিব লাগিব। মোৰ কাৰণেইতো সি এইবোৰ কাম কৰিছে।' হঠাতে সোণৰ বেগৰ পৰা চিৰা উলিয়াওতে দেখা ভোট জলকীয়াকেইটা লৈ মুকুতাৰ মনত পৰি গ'ল..। সি দৌৰে গৈ দুহাতত দুটা প্লাষ্টিকৰ বেগ বান্ধি ল'লে। তাৰ পাছত জলকীয়া দুটামান অতি সাৱধানে হাতত সানি লৈ দৌৰি-দৌৰিয়েই মুকুতাহঁতৰ ওচৰ পালেগৈ আৰু টলকিব পৰাৰ আগতেই মোমায়েকৰ চকুয়ে-নাকে-মুখে সকলোতে সানি দিলে সেই বিধ মাৰণাস্ত্ৰ..



আৰু ক'লে, 'কংস মামা, আজি কি হ'ব তোমাৰ দশা..'

ফেক্টৰীৰ বাকীসকল মানুহে সোণ-মুকুতাৰ এই কামবোৰ বৰ ভাল পালে। দুটা সৰু ল'ৰাক এনেদৰে কামত খটুওৱা কথাটো তেওঁলোকে বৰ ভাল পোৱা নাছিল। কঠোৰ ব্যৱহাৰৰ বাবেই তেওঁলোকেও মালিকক পেটে-পেটে বৰ এটা ভালপোৱা নাছিল। মোমায়েক ডাক্তৰৰ শৰণাপন্ন হ'ল আৰু পাছদিনা ধল পুৱাই অৰ্থাৎ আগষ্টৰ প্ৰথমটো ৰবিবাৰৰ পুৱাই 'চম্ভালিব নোৱাৰো এই দুটা কচুগুটিক' বুলি কৈ চমজাই থৈ গ'লহি সিহঁতক মালা বাইদেউৰ ওচৰত; সিহঁতৰ আপোন ঘৰ 'নৱপ্ৰভাত' আশ্ৰমত। আশ্ৰমত আনন্দৰ পৰিৱেশ। মালাবাইদেউ বহুত সুখী হ'ল তাহাঁতক ঘূৰাই পায়। যদুকায়ে ইতিমধ্যে তেওঁক জনাইছিল মুকুতাৰ লগত সোণো যোৱাৰ ৰহস্য।

সঁচাই এয়া নৱপ্ৰভাত মুকুতা আৰু সোণৰ বন্ধুত্বৰ। আগষ্টৰ প্ৰথমটো দেওবাৰে সিহঁতে দুয়ো উদ্‌যাপন কৰিলে 'আন্তৰ্জাতিক বন্ধুত্ব দিৱস'...আশ্ৰমৰ বাকীসকলৰে লগত।

সিহঁতে আশ্ৰমৰ পৰা যোৱাৰ দিনা আছিল ৰাষ্ট্ৰসংঘই স্বীকৃতি প্ৰদান কৰা 'বন্ধুত্বৰ আন্তৰ্জাতিক দিৱস'। সোণে মুকুতাক ঘূৰাই আনিলে 'আন্তৰ্জাতিক বন্ধুত্বৰ দিৱস' আগষ্টৰ প্ৰথমটো ৰবিবাৰত। মুকুতা আৰু সোণ বান্ধ খাই থাকিল বন্ধুতৰ এনাজৰী ডালত চিৰজীৱন... সোণে সদায়ে আৱৰি থাকিল মুকুতাক মৰমেৰে। দুয়োৰে বন্ধুত্ব জিলিকি থাকিল সোণত বান্ধ খাই থকা মুকুতাৰ দৰেই...চিৰদিনলৈ...।

# শিক্ষক দিৱসৰ সূচনা



**পাঁচ** ছেপ্টেম্বৰ দিনটোক সমগ্ৰ ভাৰতবৰ্ষই শিক্ষক দিৱসৰূপে পালন কৰি আহিছে। আচলতে প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটোক আমি সকলো ভাৰতীয়ই শিক্ষক দিৱসৰূপে পালন কৰো। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ হ'ল স্বাধীন ভাৰতৰ দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি। তাৰ উপৰি তেওঁৰ পৰিচয় হ'ল এগৰাকী মহান শিক্ষাবিদ তথা দাৰ্শনিক পণ্ডিত হিচাপে।

প্ৰকৃততে 'শিক্ষক দিৱস' দিনটোক সমগ্ৰ বিশ্বই আনন্দ-উৎসৱৰ দিন হিচাপে পালন কৰে। প্ৰায় সমগ্ৰ বিশ্বতে পাঁচ ছেপ্টেম্বৰ দিনটোক 'বিশ্ব শিক্ষক দিৱস'ৰূপে পালন কৰে। কাৰণ এটা জাতি গঠনৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়া আৰম্ভ হয় এজন শিক্ষকৰ হাত ধৰি। এজন শিক্ষকেই ছাত্ৰসকলক শুদ্ধ পথৰ সন্ধান দিয়াৰ লগতে সমুচিত শিক্ষাৰে ভৱিষ্যতৰ দেশৰ গৌৰৱ হিচাপে গঢ়ি তোলে। শিক্ষকতাক সমগ্ৰ বিশ্বতে অন্যতম মহান কৰ্ম হিচাপে বিবেচনা কৰি অহা হৈছে। সেয়ে শিক্ষক সমাজৰ এই মহান ত্যাগক যথোচিত স্বীকৃতি প্ৰদানৰ লগতে তেওঁলোকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ বাবেই এই পৱিত্ৰ দিনটো পালন কৰা হয়। সেয়ে ইউনেস্ক'ৰ উদ্যোগতে পাঁচ ছেপ্টেম্বৰত শিক্ষক দিৱসৰ আয়োজন কৰা হয়। আন দিনাৰ দৰেই সেইদিনাও শিক্ষক-ছাত্ৰ সকলো যথাৰীতি বিদ্যালয়লৈ যায় যদিও সেইদিনা কোনো পাঠদান নহয়। তাৰ বিপৰীতে অন্যান্য কাৰ্যসূচী ৰূপায়ণ কৰি আনন্দ-উৎসৱ কৰা হয়। বহু দেশে চৰকাৰীভাৱেও শিক্ষকসকলক সন্মানিত কৰে। যেনেকৈ আমাৰ দেশত কৃতী শিক্ষকৰ সন্মান প্ৰদানৰ ব্যৱস্থা আছে। বিংশ শতিকাৰ পৰা কোনো কোনো দেশে নিজাকৈ শিক্ষক দিৱসৰ আয়োজন কৰিবলৈ ল'লে। এইবোৰ দেশত এই পৱিত্ৰ দিনটো উদ্‌যাপিত হয় ভিন্ন তাৰিখত। কিছুমান দেশে কোনো স্থানীয় শিক্ষাবিদ বা শিক্ষাৰ ক্ষেত্ৰখনৰ কোনো বিশেষ কৃতিত্বক স্মৰণ কৰাৰ বাবেও নিৰ্দিষ্ট দিনত শিক্ষক দিৱস পালন কৰে। বিশ্ব শিক্ষক দিৱসৰ স'তে একেদিনতে উদ্‌যাপিত হ'লেও ভাৰতত ড° ৰাধাকৃষ্ণণৰ জন্মদিন উপলক্ষেহে শিক্ষক দিৱস হিচাপে পালন কৰে।

তামিলনাডুৰ টিৰুটান্নি নামৰ এখন অখ্যাত গাঁৱত ১৮৮৮ চনৰ পাঁচ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰিছিল ড° ৰাধাকৃষ্ণণে। ১৯০৯ চনত এম এ পাছ কৰিয়েই তেওঁ মাদ্ৰাজ প্ৰেছিডেন্সী কলেজৰ দৰ্শন বিভাগৰ অধ্যাপক হিচাপে শিক্ষকতাৰ জীৱন আৰম্ভ কৰে মাত্ৰ ২১ বছৰ বয়সত। ইয়াৰ পাছত তেওঁ মহীশূৰ বিশ্ববিদ্যালয় আৰু কলকাতা বিশ্ববিদ্যালয়ত শিক্ষকতা কৰিছিল। সেই সময়ছোৱাতে ড° ৰাধাকৃষ্ণণে দাৰ্শনিক পণ্ডিত হিচাপে বিশ্বতে খ্যাতি অৰ্জন কৰে। আনকি ইংলণ্ডৰ হেৰিছ মানচেষ্টাৰ কলেজতো শিক্ষকতা কৰিবলৈ তেওঁ আমন্ত্ৰণ লাভ কৰিছিল। শিক্ষাৰ ক্ষেত্ৰখনৰ প্ৰতি ড° ৰাধাকৃষ্ণণে যোগোৱা অৱিহণাৰ বাবে ইংলণ্ডৰ ৰজা পঞ্চম জৰ্জে তেওঁক 'নাইট হুড' বা 'ছাৰ' উপাধিৰে বিভূষিত কৰিছিল। অৱশ্যে ভাৰতে স্বাধীনতা অৰ্জন কৰাৰ পাছৰে পৰা তেওঁ সেই উপাধি নিজৰ নামৰ পৰা কৰ্তন কৰিছিল। ইয়াৰপূৰ্বে তেওঁ অ'ক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ পদৰ বাবেও নিৰ্বাচিত হৈছিল। ১৯৩৯ চনৰ পৰা ১৯৪৮ চনলৈকে মদন মোহন মালব্যৰ আমন্ত্ৰণক্ৰমে ড° ৰাধাকৃষ্ণণে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ পদবী অলংকৃত কৰিছিল। ভাৰতে স্বাধীনতা অৰ্জন কৰাৰ পাছতে তেওঁ ইউনেস্ক'ত ভাৰতক প্ৰতিনিধিত্ব কৰে আৰু পাছলৈ ছোভিয়েট ৰাছিয়াত ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপে কিছুকাল কাৰ্যনিৰ্বাহ কৰে। ১৯৫২ চনত ড° ৰাধাকৃষ্ণণ দেশৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। তাৰপাছত তেওঁ ভাৰতৰ দ্বিতীয় ৰাষ্ট্ৰপতিৰ দায়িত্ব গ্ৰহণ কৰে। ড° ৰাধাকৃষ্ণণৰ কাৰ্যকাল আছিল ১৯৬২ৰ পৰা ১৯৬৭ চন। যেতিয়া ড° ৰাধাকৃষ্ণণ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হ'ল, তেতিয়া তেওঁৰ একাংশ ছাত্ৰ আৰু বন্ধুৱে পাঁচ ছেপ্টেম্বৰৰ জন্মদিনটো উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ তেওঁৰ অনুমতি বিচাৰিলে। প্ৰত্যুত্তৰত ড° ৰাধাকৃষ্ণণে কৈছিল, 'মোৰ জন্মদিন পালন কৰাতকৈ, পাঁচ ছেপ্টেম্বৰটো শিক্ষক দিৱস হিচাপে পালন কৰিলেহে মই অধিক সুখী আৰু গৌৰৱান্বিত হ'ম।' সেই তেতিয়াৰে পৰাই অৰ্থাৎ ১৯৬২ চনৰ পৰা পাঁচ ছেপ্টেম্বৰ দিনটোত ভাৰতত শিক্ষক দিৱস উদ্‌যাপিত হৈ আহিছে।

# ছয় ঋতুৰ অপৰূপ কথা

গ্ৰীষ্ম ঋতু বৰ গৰম
পকে আম কঁঠাল
গছৰ তলত বহি খাবলৈ
লাগে বৰ ভাল।
বৰ্ষা ঋতু বাৰিষাৰ দিন
নদ-নদী পানীৰে ভৰি পৰে
মাছ-কাছ বোৰে আনন্দতে
জঁপিয়াবলৈ ধৰে।
শৰৎ ঋতুত নিয়ঁৰে তিয়াই
শেৱালী বকুলৰ তল
পূজা দীপান্বিতা ৰাসে
কৰে আমাৰ মন বিয়াকুল।
হেমন্ত ঋতুত ধাননী পথাৰ
ধানেৰে উপচি পৰে
নানান ধৰণৰ ফুল বোৰে
প্ৰকৃতি শুৱনি কৰে।
শীত ঋতু বৰ ঠাণ্ডা
কাঁথা কম্বল লওঁ
মাঘ বিহুত মেজি জ্বলায়
বৰ মজা পাওঁ।
বসন্ত ঋতুত ব'হাগী আহে
ত'তে নাই আমাৰ গাত
ন সাজ পিন্ধি প্ৰকৃতি নাচে
কুলিৰ মিঠা মাত।

**ঝৰ্ণালী শৰ্মা বৰকটকী**
তেজপুৰ বিশ্ববিদ্যালয় চৌহদ
ফোন নং -৯১০১৮৬০৩৫৯

# বৰচোৰ

*যোৱা সংখ্যাৰ পাছৰ পৰা* ৰজাই তেতিয়াই তেওঁৰ কটোৱালহঁতক মাতি আনি পাচিলে যে, 'তহঁত দিহা দিহি যা, ক'ত মানুহে কান্দে, ক'ত মানুহে খৰি দিয়ে, তাৰ ভু লহঁক। য'তে মানুহক খৰি দিয়া দেখ বা য'তে



মানুহক কন্দা শুন তাৰ পৰা সিহঁতক মোৰ গুৰিলৈ ধৰি আনিবি।' সেইকথা শুনি কটোৱালবোৰ দিহা-দিহি গ'ল।

ইফালে বৰচোৰৰ পুতেকে বাপেকৰ মূৰটো কাটি আনি মাকক সকলো বৃত্তান্ত ক'লে। মাকে সেই কথা শুনি কান্দিবলৈ ৰাউচি ধৰোতেই পুতেকে মাকৰ ভৰিত দীঘল দি পৰি ক'বলৈ ধৰিলে, 'আই, এতিয়া মই পিতৃবধী। তুমি যদি চিঞৰি চিঞৰি কান্দা, তেনেহ'লে ৰজাৰ মানুহে শুনি লৰি আহিব আৰু মোক নথৈ শাস্তি কৰি মাৰিব। তাকে চাই তুমি যদি কান্দা কান্দা।' সেই কথা শুনি মাকে কোনোমতে কান্দোন সামৰি থাকিল আৰু পুতেকক ক'লে, 'বোপাই মোৰ অন্তৰত ইমান বেজাৰ লাগিছে যে যদি মই কিছুপৰ নাকান্দো তেন্তে মই থিৰেৰে থাকিবই নোৱাৰো। পুতেকে মাকক বুজাই ক'লে যে কান্দিবৰ অনেক সময় আছে, আৰু যদি কান্দিবই লাগে, দেখা-শুনাকৈ কন্দাই ভাল। এইদৰে দুয়োৰো বেজাৰ দুয়োতে থৈ পাছদিনা পুৱা মাকে এযোৰ গাখীৰ গুড়, ক্ৰমশ

# ভাগৱতৰ ৰসাল কাহিনী

## সতীৰ দেহ ত্যাগ আৰু দক্ষৰাজৰ দৰ্পচূৰ্ণ

**ড° দিলীপ কলিতা**



*যোৱা সংখ্যাৰ পাছৰ পৰা* সতীয়ে দেখিলে সকলো দেৱতাৰ বাবে যজ্ঞভাগ ৰখা হৈছে যদিও কেৱল দেৱাদিদেৱ মহাদেৱ শিৱৰ বাবেহে ৰখা হোৱা নাই। এই কথাত সতীয়ে মনত বৰ আঘাত পালে। তেওঁ পিতৃক সুধিলে, 'পিতাই, তুমি মোৰ স্বামী দেৱাদিদেৱ মহাদেৱক যজ্ঞলৈ নিমন্ত্ৰণো জনোৱা নাই। তথাপি মই তোমাৰ নুমলীয়া জীয়ৰী। পিতৃগৃহত যজ্ঞ পাতিলে মইনো নহাকৈ থাকো কেনেকৈ? তুমিনো মোক মাত এষাৰো দিব নাপায়নে?' সতীৰ কথা শুনি দক্ষৰাজে শিৱক নানা ধৰণে নিন্দাহে কৰিলে। যজ্ঞথলীত থকা ইমানবোৰ ঋষি-মুনি, দেৱ-দেৱী, গন্ধৰ্ব, আত্মীয়-কুটুম্ব, বন্ধু-বান্ধৱৰ আগত স্বামীক নিন্দা কৰাত সতীৰ খঙে চুলিৰ আগ পালেগৈ। স্বামী শিৱক এনেদৰে তিৰস্কাৰ কৰাত সতীয়ে ক'লে, 'স্বামী মোৰ অতি প্ৰিয়তম। তেওঁ কাকো কেতিয়াও হিংসা-খিয়াল নকৰে। যিমান পাৰে আনৰ উপকাৰ কৰে। তেওঁ ভগৱান। তেৱেঁই সংহাৰ কৰ্তা। উত্তম লোকে কেতিয়াও আনৰ দোষ খুচৰি নুফুৰে। গুণহে দেখে।' এনেদৰে সতীয়ে শিৱৰ গুণ-গান কৰি বহু সময় কন্দা-কটা কৰিলে। শেষত সতীয়ে ক'লে, 'স্বামী নিন্দা মই সহ্য কৰো কেনেকৈ? মই এই দেহ বিসৰ্জন দিয়াই উচিত। মই স্বামীৰ কথা নুশুনি মহা ভুল কৰিলো।' সেইবুলি সতীয়ে একান্তভাৱে যজ্ঞভূমিত বহি তেওঁৰ স্বামী জগতৰ ঈশ্বৰ দেৱাদিদেৱ মহাদেৱক ধ্যান কৰিলে। শেষত যোগ সাধনাৰ দ্বাৰা দেহ ত্যাগ কৰিলে। সতীয়ে দেহ ত্যাগ কৰাত যজ্ঞথলীত হুৱাদুৱা লাগিল। যজ্ঞত উপস্থিত থকা সকলোৰে মনত ভয় ভাবৰ সঞ্চাৰ হ'ল। সতীৰ মাক আৰু বায়েকহঁতেও কান্দোনত গছৰ পাত সৰালে। সতীয়ে দেহ ত্যাগ কৰাত শিৱৰ অনুচৰসকলে খঙত উগ্ৰমূৰ্তি ধাৰণ কৰিলে। তেওঁলোকে হাতত অস্ত্ৰ-শস্ত্ৰ লৈ দক্ষৰাজৰ ফালে খেদি গ'ল। যজ্ঞৰ পুৰোহিত ভৃগু মুনিয়ে যজ্ঞত আহুতি দি ঋভু নামৰ এজন দেৱতাৰ সৃষ্টি কৰিলে। সেই দেৱতাক ভৃগুৱে শিৱৰ অনুচৰহঁতৰ লগত যুদ্ধত লিপ্ত হ'বলৈ আদেশ দিলে। শিৱৰ অনুচৰসকলৰ স'তে ঋভু দেৱতাৰ তয়ামযা ৰণ লাগিল। ৰণত ঋভু দেৱতাৰ হাতত শিৱৰ অনুচৰসকল পৰাস্ত হ'ল। তেওঁলোকে সতীৰ নিথৰ দেহ তাতে এৰি থৈ পলাই পত্ৰং দিলে।

ইফালে, নাৰদে গৈ শিৱক সতীয়ে দেহ ত্যাগ কৰাৰ ক্ৰমশ

# সুবৰ্ণময় শৈশৱ হিৰন্ময় বৈভৱ

**ড° নমিতা ডেকা**

**স্পেনিচ** সাহিত্যৰ কথা ক'লেই মনলৈ আহে গাৰথিয়া লৰকাৰ কথা। আজি তেওঁৰ কথাই চমুকৈ ক'ম। গ্ৰানাডাৰ পৰা প্ৰায় পাঁচ মাইল দূৰৰ এখন সৰু চহৰ আন্দালুচিয়া। এইখন চহৰতে ১৮৯৯ৰ পাঁচ জুনত জন্ম হৈছিল গাৰথিয়া লৰকাৰ। তেওঁৰ পিতৃ আছিল খেতিৰ মাটিৰ মালিক। তেওঁৰ মাতৃ আছিল সেই অঞ্চলৰ এগৰাকী নামজ্বলা পিয়ানো বাদক। সেয়ে লৰকাই শৈশৱ কালতে সংগীতৰ এটি সুন্দৰ পৰিৱেশ লাভ কৰিছিল। ইয়াৰ ফলত তেওঁ ভৱিষ্যতত এগৰাকী শ্ৰেষ্ঠ সুৰকাৰ হ'ব পাৰিছিল। লৰকাৰ সম্পূৰ্ণ নাম হ'ল ফাদাৰিকো গাৰথিয়া লৰকা।



শৈশৱকালত গাৰথিয়া আছিল ভগ্ন স্বাস্থ্যৰ অধিকাৰী। এই ভগ্ন স্বাস্থ্যৰ বাবে তেওঁ খেলা-ধূলাত অংশগ্ৰহণ কৰিব নোৱাৰিছিল। ঘৰৰ ওচৰৰ পথাৰে পথাৰে ঘূৰি ফুৰি শৈশৱ কালৰ আনন্দ লাভ কৰিছিল। খেতিয়ক আৰু এনেয়ে ঘূৰি ফুৰা বাটৰুৱাৰ মুখৰ পৰা শুনা উপকথা আৰু লোকসংগীতে তেওঁৰ শৈশৱকালত যথেষ্ট প্ৰভাৱ পেলাইছিল। মাজে মাজে সন্ধিয়া সময়ত ভায়েক-ভনীয়েকৰ স'তে প্ৰচলিত লোক কাহিনীৰ অভিনয় কৰিছিল। শৈশৱকালতে লৰকাই ভৱিষ্যতৰ বহুত সপোন দেখিছিল। সৰুকালতেই তেওঁ দেখিবলৈ পাইছিল ষাঁড়ৰ যুদ্ধ, দ্বন্দ্বযুদ্ধ, প্ৰেম আৰু হিংসা ইত্যাদি। ঘূৰি ফুৰা মানুহবোৰৰ লোকনৃত্য, লোকসংগীত, লোক কাহিনীবোৰে লৰকাৰ শৈশৱক আকৰ্ষণ কৰিছিল। গিটাৰৰ ধ্বনিৰ মাজত শৈশৱকালতে তেওঁ বিচাৰি পাইছিল স্পেইনৰ প্ৰাণৰ সুৰ। এনে এক পৰিৱেশৰ মাজত শৈশৱকাল পাৰ কৰি লৰকাই স্পেইনৰ জনসাধাৰণক ভালদৰে বুজি পাইছিল। ফলস্বৰূপে তেওঁ পৰৱৰ্তী জীৱনত জনসাধাৰণৰ কবি হৈ পৰিছিল।

গান, অভিনয়ক লৈ ব্যস্ত হৈ থাকিলেও লৰকাই শৈশৱত ভালদৰে পঢ়া-শুনা কৰিছিল। নিয়মিতভাৱে তেওঁ স্কুললৈ গৈছিল। শিশুহঁত, তোমালোকেও নিয়মিতভাৱে পঢ়া-শুনা কৰি গান, অভিনয়, খেলা-ধূলা আদি বিষয়ত পাৰদৰ্শী হ'বলৈ চেষ্টা কৰিবা। এইবোৰে জীৱন পৰিপূৰ্ণ কৰাৰ লগতে জীৱনলৈ আনন্দ, গৌৰৱ আদি কঢ়িয়াই আনে।

এইগৰাকী গাৰথিয়া লৰকাই বিংশ শতাব্দীৰ সকলোৰে দ্বাৰা সমাদৃত স্পেনিচ কবি হৈ পৰে। তেওঁৰ কবিতাত স্পেইনৰ প্ৰাচীন ঐতিহ্য প্ৰকাশ পোৱাৰ লগতে প্ৰাচীন প্ৰবৃত্তি, সংস্কৃতিবান মন আৰু আধুনিক ভাবধাৰাৰ পৰিচয় পোৱা যায়। তেওঁৰ এটি জনপ্ৰিয় কবিতাৰ নাম হ'ল 'Guitar' তোমালোকৰ বাবে দুটিমান শাৰী উল্লেখ কৰিলো—

'The lament
begins Of the
guitar. The wine
cups of down. And
splintered afar. The
lament begins Of
the guitar.

লৰকাই কেইখনমান নাটকো ৰচনা কৰিছে। তেওঁৰ নাটকৰ বিষয়বস্তুও ঐতিহ্যৰ ভেটিত গঢ়া। মৃত্যু আৰু মৰমৰ মাজত তেওঁ এক মিল দেখা পাইছিল। তেওঁৰ এখন উল্লেখযোগ্য নাটক হৈছে 'The house of ernerda Alba'। তোমালোকে ডাঙৰ হৈ তেওঁৰ কবিতা, নাটক পঢ়ি অসমীয়া বা আন ভাষালৈ অনুবাদ কৰিবলৈ আগবাঢ়ি আহিবা।

*ফোন ঃ ৯৭০৬০১০০৯৭*



ধৃতিস্মান বসুমতাৰী
তৃতীয় শ্ৰেণী
গোসাঁইগাঁও জুনিয়ৰ বেছিক স্কুল



শ্ৰুতিধাৰা শিৱাংগী
দশম শ্ৰেণী
কেন্দ্ৰীয় বিদ্যালয়, নগাঁও

# অ' মেকুৰী মেকুৰী

**গায়ত্ৰী দেৱী বৰঠাকুৰ**

অ' মেকুৰী, মেকুৰী
ক'ৰ পৰা নো আহিলা
তুমি বাৰু চেঁকুৰি

কথা এটা শুনিছো
সঁচা নে মিছা কোৱা
বক্তৃতা পাহৰি তুমি বোলে
সভাত গান গোৱা

ইন্দিৰা পেহীদেৱে বোলে
মুচৰিছিলে তোমাৰ কাণ
নীলা বাইদেউৰ কবিতাত
পালো নহয় তাৰ প্ৰমাণ

কাণমলা খাই হে হেনো
তুমি অলপ শান্ত হ'লা
কিয়নো বাৰু ঘৰে- ঘৰে
চৰু চেলেকি ফুৰা

কিয়নো বাৰু ভালপোৱা
ইমান মাছ আৰু গাখীৰ
তোমাক দেখিলেই জানা জীৱ ওলাই
হাঁহ- পাৰৰ পোৱালিৰ

কিয় যে ভালপোৱা
এনে দুষ্টামিবোৰ কৰি
ৰ'বই নোৱাৰা ন তুমি
অকণো লোভ সামৰি

লোভ আমাৰ ৰিপু বুলি
বুলি কয় ছাৰ- বাইদেৱে
ৰিপু মানে শত্ৰু বুলি
অৰ্থ পাবা অভিধানতে

মাজে- মাজে তুমি বোলে
তপস্বীৰ বেশো ধৰা
সজ হোৱাৰ ভাও ধৰি
গণ্ডগোল কৰা

নিগনিবোৰে তোমাক দেখিলেই
জানা পলাই প্ৰাণটাকি
শান্তি পাব হেনো আঁৰিব পাৰিলে
তোমাৰ ডিঙিত সৰু টিলিঙা এটি

শুনিছো বাঘ বোলে
তোমাৰে ভাগিন
হ'বা চোন পাৰিলে মাহী
তুমি অলপ গহীন

পানীলৈ তুমি বোলে মাহী
বৰ ভয় কৰা
কুকুৰক তুমি বোলে
খঙতে থাপৰ মাৰা

আমি পিছে ভালপাওঁ মাহী
তোমাৰ সকলো কাহিনী
সাধুবোৰো চোন
তোমাৰ কথাৰেই আছে ভৰি

তোমাৰ কাম- কাজ চাই
আমি সঁচাই যাওঁ জানা ভোল
হাঁহি- ধেমালিৰে হয় হেনো
আমাৰ জীৱন আমোলমোল

বিশ্ব মেকুৰী দিৱসতো
মাহী পাতিম তোমাৰ কথা
মৰমতে তোমাৰ স'তে
কৰিম খেলা- ধূলা

মেউ-মেউ , মিউ- মিউ কৰি গাম
তোমাৰ সতে গান
উলাহেৰে ভৰিব
আমাৰো এধানি প্ৰাণ

# শংকৰদেৱ

**হৰেশ্বৰ গোস্বামী**

মহাপুৰুষ শংকৰদেৱ
আমাৰ জগতগুৰু
বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক
আছিল ধৰ্মগুৰু।

আছিল তেওঁ গায়ক, নৰ্তক
সমাজ সংগঠক
অভিনেতা কবি আৰু
ধৰ্ম প্ৰচাৰক।

সুৰকাৰ গীতিকাৰ তেওঁ
আছিল চিত্ৰকৰ
মাধৱদেৱে সেয়ে কৈছিল
সৰ্বগুণাকৰ।

জন্ম হৈছিল বৰদোৱাৰ
আলিপুখুৰী গাঁৱত
তিৰোভাৱ তেওঁৰ কোচবিহাৰৰ
মধুপুৰ সত্ৰত।

পিতৃৰ নাম শিৰোমণি
কুসুম্বৰ ভূঞা
মাতৃদেৱীৰ নাম তেওঁৰ
আছিল সত্যসন্ধা।

সৰুতেই তেওঁৰ পিতৃ-মাতৃৰ
অকাল বিয়োগ হৈছিল
বুঢ়ীমাক খেৰসুতীয়ে
ডাঙৰ কৰিছিল।

খেল -ধেমালিত আছিল তেওঁ
অতিকৈ পাৰ্গত
শিক্ষা আৰম্ভ হৈছিল তেওঁৰ
মহেন্দ্ৰ কন্দলীৰ টোলত।

ক-ফলা শিকিয়েই তেওঁ
পৰিচয় দিছিল মেধাৰ



কবিতা এটি ৰচিছিল তেওঁ
বিনা আ-কাৰ, ই-কাৰ।

চাৰিবেদ চৈধ্যশাস্ত্ৰ
ওঠৰ পুৰাণৰ কথা
কৰিছিল তেওঁ অধ্যয়ন আৰু
ব্যাকৰণ, সংহিতা।

আছিল তেওঁ প্ৰৱৰ্তক
নৱ বৈষ্ণৱ ধৰ্মৰ
এক দেৱ এক সেৱ
একশৰণ ধৰ্মৰ।

উজনিত তেওঁ গঢ়িছিল
বেলগুৰি সত্ৰ
নামনিত বৰপেটা আৰু
কোচবিহাৰ সত্ৰ।

কৰিছিল তেওঁ তীৰ্থভ্ৰমণ
অনেককেইখন
পুৰী, মথুৰা বাৰানসী
বদৰিকাশ্ৰম।

কাব্যপুথি আছিল তেওঁৰ
বহুকেইখন
হৰিশ্চন্দ্ৰ উপাখ্যান আৰু
ৰুক্মিণী হৰণ।

অজামিল উপাখ্যান কাব্য
আৰু বলিচলন
কুৰুক্ষেত্ৰ কাব্য আৰু
অমৃত মথন।

ভক্তি প্ৰদীপ ভক্তি ৰত্নাকৰ
অনাদি পাতন
অনুবাদ তেওঁ কৰিছিল
উত্তৰা-কাণ্ড ৰামায়ণ।

নাটকো তেওঁ লিখিছিল
অনেক কেইখন
চিহ্নযাত্ৰা পত্নীপ্ৰসাদ
কালীয় দমন।

কেলিগোপাল ৰাম বিজয়
ৰুক্মিণী হৰণ
আৰু আছে এখন নাটক
পাৰিজাত হৰণ।

নামঘৰ কৰিছিল তেওঁ
বহুত প্ৰতিষ্ঠা
কৰিবলৈ নৃত্য , গীত
অংকীয়া ভাওনা।

ৰচিছিল তেওঁ বহু বৰগীত
আৰু ভটিমা
কীৰ্তন ঘোষা বিখ্যাত পুথি
আৰু গুণমালা।

মহাপুৰুষ শংকৰদেৱে
দিলে ভক্তি ৰস
আৰু আমাৰ হৃদয়ত দিলে
মানৱ প্ৰেমৰ ৰস।

শিকালে তেওঁ শৃংখলা আৰু
সজ -সদাচাৰ
ভেদ -ভাৱৰ পৰিহাৰ কৰি
শিকালে মিতাচাৰ।

জগতগুৰু শংকৰদেৱক
কৰো প্ৰণিপাত
দিয়ক আমাক সুমতি তেৱাই
মন পৰক শাত।

# দ্য বাইচাইকেল স্পাই

**মূল ঃ য়না জেলদিছ মেকড'না**

**অনুবাদ ঃ মাহিৰ আল কিবৰিয়া**

(পাঁচ)

**যেতিয়া** পিছদিনা মাৰ্চেল স্কুলৰ পৰা ঘৰলৈ আহিল, তাৰ মাকে পেহীয়েকৰ তালৈ আৰু এটা পাউৰুটী নিবলৈ ক'লে। মাৰ্চেলৰ এইবিলাক কৰাৰ মন নাছিল, তাৰ ভাগৰ লাগি আছিল আৰু সি তাৰ স্কুলৰ পৰা অনা এখন কমিক পঢ়িব বুলি ভাবিছিল; কিন্তু তাৰ মাকৰ চাৱনি দেখি গম পালে যে 'না কৈ লাভ নাই। সেয়ে সি মাকে পাউৰুটীটো এখন চাফা কাপোৰেৰে বান্ধি দিয়ালৈকে ৰৈ থাকিল। তাৰ পাছত একে ধৰণেৰে বন্ধা আৰু এটা টোপোলা দিলে। সেইটোৰ গোন্ধটো সি চিনি পালে। সুঘ্ৰাণেৰে পৰিন্দন।

'পেন-ডি-পিছ?' সি সুধিলে।

'অ' যদি তোক ৰখায়।'

সি টোপোলাকেইটা লৈ তাৰ চাইকেলখনৰ বাস্কেটত ভৰাই ল'লে। তাৰ চাইকেলখন সি বেকাৰীখনৰ সমুখত থৈছিল। বৰষুণ দি আছিল কাৰণে সি চলাব বিচৰা নাছিল। এতিয়া আকাশখন চাফা, তথাপি সি চলাব বিচৰা নাই। সি স্বীকাৰ কৰিবলৈ বেয়া পায় যদিও সি ভয় খাই আছিল। আগতে সি ভাবিছিল সি পাউৰুটী আৰু কেক, দিয়ে, কিন্তু এতিয়া সি ভালকৈ জানে।

পাউৰুটীটোৰ ভিতৰত বোধহয় কিবা খবৰ আছে। কোনোবা সৈনিকে এই পাউৰুটীটো লৈ গম পাই গ'লে কি হ'ব? কিন্তু মাৰ্চেলে আনটো টোপোলা, নতুনকৈ সেকা 'পেন,-ডি-পিছ'টো চালে। তোক কোনোবাই ৰখালে সি 'পেন-ডি-পিছ' থকা টোপোলাটোৰেই দিব। সেই কাৰণে




তাৰ মাকে এই টোপোলাটো দিছিল, তাক বচাই ৰাখিবলৈ। আৰু তেওঁ তাক এটা ভাল কাৰণৰ বাবে কামটো কৰিবলৈ কৈছে। অন্ততঃ সি ভাবিলে এইটো এটা ভাল কাৰণৰ বাবে কৰা হৈছে। সিহঁতে জাৰ্মানবোৰৰ বিৰুদ্ধে কাম কৰি আছে যিয়ে সিহঁতৰ দেশখন অধিকাৰ কৰি পেলাইছে। সেইটো এটা মহৎ কাম নহয় জানো? এই কথাটোৰে তাক অলপ সান্ত্বনা দিলে।

'বেছি দেৰি নাথাকিবি পেহীৰ ঘৰত, 'তেওঁ ক'লে 'দি থৈয়ে গুচি আহিবি।'

'হ'ব মা', মাৰ্চেল চাইকেলখনত উঠিল আৰু টাউনৰ বাহিৰলৈ যোৱা ৰাস্তাত পেডেল মাৰি টাউনৰ পৰা ওলাই আহিল। ৰাস্তাৰ কাষৰ গছবোৰত এতিয়া কেৱল ডাল আছে, পাতবোৰ সৰি গ'ল। সি শহাপহু এটা ৰাস্তাৰ পৰা লৰি ওখ ঘাঁহৰ মাজত লুকাই যোৱা দেখিলে। এনেই হ'লে সি যাত্ৰাটো ভালেই পায়। সি 'ট্যুৰ-ডি-ফ্ৰান্স'ত চলাই আছে বুলি কল্পনা কৰি ল'লেহেঁতেন। এই খালী ৰাস্তাটো তাৰ অনুৰাগীৰে ভৰি আছে— সি প্ৰায় সিহঁতক শুনিয়েই পেলাইছিল।

কিন্তু আজিৰ কথাটো বেলেগ। সি আজি তেনেধৰণৰ কল্পনা কৰিব নোৱাৰিলে, সি তাৰ বাস্কেটটোত থকা পাউৰুটী দুটা চাই আছিল। সি দলংখন আহি পোৱাত আগতে দেখা সৈনিকজন দেখিলে। আৰু সি তাৰ গতি কমাই দিলে। সৈনিকজনেও তাক চিনি পাইছিল। মাৰ্চেল ৰ'ল। তাৰ ভয় লাগি আছিল। আজি পাউৰুটীটো খোজে যদি?

**(আগলৈ)**

*(অনুবাদক গুৱাহাটীৰ শ্ৰীমন্ত শংকৰ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ)*

## চামতা কোচিং চেণ্টাৰৰ জয়

**অগ্ৰদূত বাৰ্তা, সৰ্থেবাৰী,৩০ আগষ্ট** ঃ সৰ্থেবাৰী স্প’ৰ্টছ ক্লাবৰ উদ্যোগত সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা খনীন ডেকা আৰু অধৰ চন্দ্ৰ দাস ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত চামতা স্প’ৰ্টছ কোচিং চেণ্টাৰে 4-0 গ’লত বডোছা এফ চিক পৰাস্ত কৰি পৰবৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। কাইলৈ সৰ্থেবাৰী স্প’ৰ্টছ ক্লাবে টিহু এফ চিৰ মুখামুখি হ’ব।

## এ ডিভিজন ফুটবল লীগ

**অগ্ৰদূত বাৰ্তা, মৰিগাঁও,৩০ আগষ্ট** ঃ মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃ ক্লাৱ এ ডিভিজন ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা ভূৰবন্ধা আঞ্চলিক নৱজ্যোতি সংঘ আৰু অসম জ্যোতি ক্লাৱ মৰিগাঁৱৰ মাজৰ খেলখন 1-1 গ’লত ড্ৰ হয়। কাইলৈৰ খেল ঃ বলব’ম এফ চি বনাম স্পৰ্টিং ক্লাৱ, মৰিগাঁও।

## আন্তঃক্লাব ফুটবল লীগ

**অগ্ৰদূতবাৰ্তা, শুৱালকুছি, ৩০ আগষ্ট** ঃ শুৱালকুছি ক্ৰীড়া সন্থাৰ উদ্যোগত আৰম্ভ হোৱা আন্তঃক্লাৱ লীগ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত অসম জ্যোতি ক্লাৱে জয়লাভ কৰে। শুৱালকুছি মাধৱদেৱ ক্ষেত্ৰত অনুষ্ঠিত খেলখনত অসম জ্যোতি ক্লাৱে আমদলা ফুটবল ক্লাৱক 5-0 গলৰ ব্যৱধানত হৰুৱাই বিজয় সাব্যস্ত কৰে। অসম জ্যোতি ক্লাৱৰ হৈ বিকি বৈশ্যই , আব্দুল মালিক শইকীয়া, দেৱজিৎ নাথ, ৰাজ ডেকাই গ’ল দিয়ে।



ইউ এছ অপেনত ছিমনা হালেপক বিদায় দি প্ৰতিক্ৰিয়া ইউক্ৰেইনৰ ডাৰিয়াৰ।

# অভিলেখ গঢ়াৰ লক্ষ্যৰে নৰ্থ চেনেল সাঁতুৰিবলৈ সাজু এলভিছ

**গুৱাহাটী, ৩০ আগষ্ট** ঃ জলকোঁৱৰ এলভিছ আলী হাজৰিকাৰ নতুন প্ৰত্যাহ্বান। নৰ্থ চেনেল সাঁতুৰিব অসম সন্তান এলভিছে। আয়াৰলেণ্ড অভিমুখে ৰাওনা হ’ব অসম সাঁতোৰৰ গ্লেমাৰ বয়ে। অহা ছেপ্টেম্বৰৰ শেষভাগত ইউৰোপৰ নৰ্থ চেনেলৰ নৰ্থ আয়াৰলেণ্ডৰ পৰা স্কটলেণ্ডলৈ সাঁতুৰিব এলভিছ আলী হাজৰিকাই । মংগলবাৰে ৰাধা গোবিন্দ ক্ৰীড়া প্ৰকল্পত এই অভিযানৰ ফ্লেগ অফ কৰিলে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে । এই দুঃসাহসিক অভিযানৰ পূৰ্বে 22 দিনীয়া অনুশীলন কৰিবলৈ আয়াৰলেণ্ডলৈ ৰাওনা হ’ব এলভিছ । বৰ্তমান সেই অঞ্চলত পানীৰ তাপমাত্ৰা 10 ৰ পৰা 11 ডিগ্ৰী ছেলছিয়াছ। এলভিছৰ ৰিলে পাৰ্টনাৰ হিচাপে থাকিব ৰেম’ সাহা । উল্লেখ্য যে, নৰ্থ চেনেলত একক সাঁতোৰ কৰিছে পুণেৰ ৰোহান মূৰে নামৰ এগৰাকী সাতোৰবিদে। কিন্তু নৰ্থ চেনেলত ৰিলে কোনেও কৰা নাই। অসম সন্তান এলভিছৰ ৰিলে যদি সফল হয়, তেনে কেৱল ভাৰতৰ বাবেই নহয় এছিয়াৰ বাবে হব ই এক বিৰল অভিলেখ। এলভিছে 42 কিলোমিটাৰ জলপথ অতিক্ৰম কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে 13 ঘন্টাত। ইফালে, এই অভিযান সফল হোৱাৰ কামনা কৰিছে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। এলভিছৰ নেৰানেপেৰা প্ৰচেষ্টাক লৈ সুখী ভাৰতীয় বক্সিং ফেডাৰেচনৰ সম্পাদক হেমন্ত কলিতাও। সৰুৰে পৰা এলভিছ আলী হাজৰিকাই যি দুঃসাহসিক ক্ৰীড়া কৰি আহিছে শলাগিলে অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৰজ্যোতি গোস্বামীয়ে। ইফালে, অসম তথা ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আশা ব্যক্ত কৰিলে অসম টাংচু ডু সন্থাৰ সম্পাদক দেৱজিৎ গগৈয়ে। শুভেচ্ছা জনাই প্ৰাক্তন ৰঞ্জী ক্ৰিকেটাৰ নাছিৰ গুল খানেও।



## আজি গুৱাহাটীত আৰ্মি গ্ৰীণৰ বিৰুদ্ধে কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ মৰণপণ মেচ

**গুৱাহাটী, ৩০ আগষ্ট** ঃ ভাৰতীয় সেনাই আয়োজন কৰা চলিত ঐতিহ্যমণ্ডিত 131 সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত হ’বলগা ‘ডি’ গ্ৰুপৰ এখন মেচত কেৰালা ব্লাষ্টাৰ্ছ দলে খেলিব আৰ্মি গ্ৰীণৰ বিৰুদ্ধে। উল্লেখ্য যে এই গ্ৰুপৰ পৰা ওড়িছা এফ চিয়ে ইতিমধ্যে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। তিনিখন মেচৰ পৰা চাৰি পইণ্ট লাভ কৰা কেৰালা দলে কাইলৈ অন্তিম মেচত জয়ী হ’লেহে যোগ্যতা অৰ্জনৰ দৌৰত থাকিব। ব্যৰ্থতা মানেই বিদায়। ইফালে, কাইলৈ তৃতীয় মেচখন খেলিব লগা আৰ্মি গ্ৰীণ দলে জয় অৰ্জন কৰিলেই অন্তিম মেচত নেখেলাৰ পূৰ্বেই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ সপোন পূৰ্ণ কৰিব পাৰিব। ইফালে, কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত কাইলৈৰ দ্বিতীয় মেচত এ টি কে মোহন বাগানে খেলিব ভাৰতীয় নৌ সেনাৰ বিৰুদ্ধে। এয়া মোহন বাগানৰ অন্তিম মেচ। কাইলৈ দলে জয়ৰ লগতে গ’লৰ সংখ্যাও বৃদ্ধি কৰিব লাগিব। তেতিয়াহে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ আশা থাকিব। কিন্তু তাৰপাছতো মোহন বাগানৰ ভাগ্য নিৰ্ণয় হ’ব ৰাজস্থান ইউনাইটেড আৰু নৌ সেনাৰ মেচৰ ফলাফলৰ পাছতহে। উল্লেখ্য যে গ্ৰুপ ‘বি’ৰ পৰা মুম্বাই চিটীয়ে ইতিমধ্যে কোৱাৰ্টাৰত প্ৰৱেশ কৰিছে।

## হিটলাৰৰ জয়

**অগ্ৰদূত বাৰ্তা, ছয়গাঁও,৩০ আগষ্ট** ঃ দক্ষিণ কামৰূপৰ ছয়গাঁও মিনি ষ্টেডিয়ামত চলি থকা প্ৰয়াত ভাৰত চন্দ্ৰ দাস আৰু কুমুদ দাস সোঁৱৰণী আন্তঃক্লাৱ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত ছয়গাঁৱৰ হিটলাৰ ক্লাৱে গোৱৰদ্ধন ফুটবল দলক 4-1 গ’লৰ ব্যৱধানত পৰাস্ত কৰি সম্পূৰ্ণ পইন্ট লাভ কৰে। কাইলৈৰ খেল ঃ বাগান ফুটবল দল বনাম ঘোঁৰামাৰা ফুটবল দল।

## ফুটবল লীগ

**ধুবুৰী, ৩০ আগষ্ট** ঃ ধুবুৰী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ধুবুৰী ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত আৰম্ভ হোৱা আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাৰ আজি অষ্টম দিনাৰ খেলখন ধুবুৰী এভাৰগ্ৰীন ক্লাব আৰু শংকৰদেৱ সংঘৰ মাজত অনুষ্ঠিত হয়। ধুবুৰী এভাৰগ্ৰীন ক্লাব 2-0 গ’লত জয়লাভ কৰে।



এছিয়া কাপত আজি ভাৰত-হংকং, নতুন বেটেৰে অনুশীলনত জাদেজা

## গোৱাক বিদায় দি কোৱাৰ্টাৰত বাংগালুৰু



**কলকাতা, ৩০ আগষ্ট** ঃ চলিত ঐতিহ্যমণ্ডিত 131 সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজি হোৱা প্ৰথমখন মেচত বাংগালুৰু এফ চি আৰু এফ চি গোৱাই 2-2 গ’লত ড্ৰ খেলে। কিন্তু মেচৰ এই ফলাফলেও বাংগালুৰু দলক কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰোৱাত সহায় কৰাৰ বিপৰীতে গোৱাৰ বিদায় নিশ্চিত কৰে। উল্লেখ্য যে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হোৱা মেচখনৰ প্ৰথমাৰ্ধতে দুটা গ’ল কৰে বাংগালুৰুৱে। খেলৰ 24 মিনিটত দৰ্শনীয় ফ্ৰী-কিকৰে বাংগালুৰু দলৰ হৈ প্ৰথমটো গ’ল কৰে অধিনায়ক সুনীল চেত্ৰীয়ে। আনহাতে, শিৱাই 26 মিনিটত দ্বিতীয়টো গ’ল কৰে। 2-0 ত পিছ পৰাৰ পাছতো কিন্তু মেচৰ দ্বিতীয়াৰ্ধত প্ৰত্যাৱৰ্তন কৰে এফ চি গোৱাই। খেলৰ 55 মিনিটত গোৱাৰ হৈ ফৰংকি বুমে গ’ল কৰি ব্যৱধান 2-1 কৰাৰ পাছত 64 মিনিটত দলৰ অধিনায়ক লেছলি ৰেবেলোই গ’ল কৰি মেচত 2-2 ত সমতা স্থাপন কৰে। উল্লেখ্য যে গ্ৰুপ ‘এ’ৰ পৰা প্ৰথমেই মহমেদান স্প’ৰ্টিঙে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। গোৱাই আজি অন্তিম গ্ৰুপ মেচত অংশ লয়। নকআউটলৈ যোগ্যতাৰ বাবে দলক প্ৰয়োজন আছিল জয়ৰ। কিন্তু সফল নহ’ল দল। বিপৰীতে প্ৰথম দুখন মেচত জয়ী হোৱা বাংগালুৰু দলে ড্ৰ খেলাৰ পাছতো এখন মেচ খেলিবলৈ বাকী থাকোতেই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিলে। এই গ্ৰুপৰ বাকী থকা মেচ দুখন গুৰুত্বহীন হ’ল।

## ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা

## জয়ৰ হেট্ৰিকৰে কোৱাৰ্টাৰত হায়দৰাবাদ



**ইম্ফল, ৩০ আগষ্ট** ঃ জয়ৰ হেট্ৰিকৰে হায়দৰাবাদ এফ চিয়ে গ্ৰুপ ‘চি’ৰ পৰা প্ৰথমটো দলৰূপে চলিত ঐতিহ্যমণ্ডিত 131 সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইম্ফলৰ খুমান লাম্পাক ষ্টেডিয়ামত আজি হোৱা মেচত হায়দৰাবাদে 3-0 গ’লত পৰাস্ত কৰে স্থানীয় ক্লাব নেৰ’কা এফ চিক। একপক্ষীয় মেচখনত দুই মিনিটতে জুৱেলে প্ৰথমটো গ’ল কৰি হায়দৰাবাদক 1-0 ৰ অগ্ৰগতি দিয়াৰ পাছত 16 মিনিটত অগবেচে ব্যৱধান 2-0 কৰে। আনহাতে, 82 মিনিটত ফৰাচী ষ্ট্ৰাইকাৰজনে দ্বিতীয়টো গ’ল কৰি দলৰ জয়ৰ ধাৰা অব্যাহত ৰাখে। অৱশ্যে পৰাস্ত হ’লেও নেৰ’কা এফ চিৰ নকআউট ৰাউণ্ডলৈ উত্তৰণৰ সুযোগ এতিয়াও আছে। দলে অন্তিম গ্ৰুপ মেচখন খেলিব চেন্নাইয়ান এফ চিৰ বিৰুদ্ধে। কাৰ্যতঃ এই মেচতে নিৰ্ণয় হ’ব এই গ্ৰুপৰ আনটো কোৱাৰ্টাৰ ফাইনেলিষ্ট দল। ইফালে, হায়দৰাবাদে গ্ৰুপৰ অন্তিম মেচত মুখামুখি হ’ব আৰ্মি ৰেডৰ। উল্লেখ্য যে ট্ৰাউ এফ চি আৰু আৰ্মি ৰেডৰো সুযোগ আছে।

## ৰাজেন বৰঠাকুৰ ফুটবল প্ৰতিযোগিতা
## নিজ গৰৈমাৰী গাঁওপঞ্চায়ত ফাইনেলত

**ষ্টাফ ৰিপ’ৰ্টাৰ, তেজপুৰ, ৩০ আগষ্ট** ঃ ৰঙাপৰাৰ ঘোঁৰামাৰী খেলপথাৰত অনুষ্ঠিত হোৱা প্ৰয়াত ৰাজেন বৰঠাকুৰ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি প্ৰথমখন ছেমিফাইনেলত নিজ গৰৈমাৰী গাওঁ পঞ্চায়ত একাদশে ফুলবাৰী একাদশক 3-0 গ’লৰ ব্যৱধানত পৰাজিত কৰি ফাইনেলত উপনীত হৈছে। খেলৰ প্ৰথমাৰ্ধ গ’লবিহীন ভাবে সমাপ্ত ঘটাৰ পাছত দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাৰ দহ মিনিটত নিজ গৰৈমাৰী দলৰ হৈ অমিৰ নায়কে প্ৰথমটো গ’ল দিবলৈ সক্ষম হয়। ফুলবাৰী দলে অন্তিম সময়লৈকে গ’ল পৰিশোধৰ চেষ্টা অব্যাহত ৰাখে যদিও পুনৰ সূৰয ধানোৱাৰে দ্বিতীয় আৰু বনি ৰাৰ্লাই বিজয়ী দলৰ হৈ তৃতীয়টো গ’ল স্ক’ৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে 10 আগষ্টত আৰম্ভ হোৱা প্ৰতিযোগিতাখনত চাৰিটা গ্ৰুপত আৰু প্ৰতি গ্ৰুপত পাঁচটা দলে লীগ ভিত্তিত খেলাৰ পাছত নক আউট পদ্ধতিত চাৰিটা দলে জয়লাভ কৰি ছেমিফাইনেল খেলাৰ সুযোগ লাভ কৰে। পহিলা ছেপ্টেম্বৰত হাতীবাৰী পঞ্চায়ত আৰু শিঙিতলী পঞ্চায়তৰ মাজত দ্বিতীয়খন ছেমিফাইনেল অনুষ্ঠিত হ’ব।



## ক্ষীৰোদ বৰুৱা ফুটবলৰ বি মণ্ডলৰ ছেমিত শিৱসাগৰ

**যোৰহাট, ৩০ আগষ্ট** ঃ যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা ক্ষীৰোদ বৰুৱা ছিনিয়ৰ ফুটবল প্ৰতিযোগিতাৰ বি মণ্ডলৰ আজিৰ খেলত শিৱসাগৰ জিলা ক্ৰীড়া সন্থাই গোলাঘাট জিলা ক্ৰীড়া সন্থাক 2-1 গ’লত পৰাভূত কৰি ছেমিফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছে। আজি তীব্ৰ উত্তেজনাপূৰ্ণ প্ৰথমাৰ্ধত দুটাকৈ সুন্দৰ সুযোগ শিৱসাগৰ জিলা ক্ৰীড়া সন্থাই নষ্ট কৰা সময়তে গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ ধ্ৰুৱ ওৰাঙে অগ্ৰগতি প্ৰদান কৰে। ইয়াৰ পিছত শিৱসাগৰ জিলা ক্ৰীড়া সন্থাৰ খেলুৱৈ সকল অধিক আক্ৰমণাত্মক হৈ পৰে আৰু আদিত্য নাওশলীয়াই প্ৰথম গ’লে সমতা স্থাপন কৰাৰ পাছত দ্বিতীয় গ’লেৰে বিজয় দিয়ে। আজি খেল পৰিচালনা কৰে বিমান সন্দিকৈয়ে । লাইনত পৱন পাঠক আৰু প্ৰনৱ গড় চতুৰ্থ প্ৰাঞ্জল গাটাক।



## ঢেকিয়াল কাৰাটে প্ৰশিক্ষণ কেন্দ্ৰৰ সাফল্য

**অগ্ৰদূতবাৰ্তা ফৰকাটিং, ৩০ আগষ্ট** ঃ ৱৰ্ল্ড ফোনাক’চি চ’টকান কাৰাটে সংস্থাৰ অধীনৰ গোলাঘাট জিলাৰ ঢেকিয়াল শাখাৰ সৌজন্যত স্থানীয় ক্ৰীড়া ক্ষেত্ৰত জিলা ভিত্তিত আন্তঃক্লাৱ কাৰাটে প্ৰতিযোগিতাখন সম্পন্ন হৈ যায়। উল্লেখ্য যে প্ৰতিযোগিতাত অবিনাশ ভৰালীয়ে সোনৰ , প্ৰিয়ানুজ কলিতায়ে ৰূপৰ ,হবিশ্ৰী শইকীয়াই ব্ৰঞ্জৰ ,অভিজ্ঞান শইকীয়াই ব্ৰঞ্জ শুভদ্বীপ বৰদলৈয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। প্ৰশিক্ষক কিৰণ বৰদলৈয়ে জানিবলৈ দিয়া মতে প্ৰিয়ানুজ কলিতা আৰু অবিনাশ ভৰালী অসম ৰাজ্যিক কাৰাটে প্ৰতিযোগিতালৈ নিৰ্বাচিত হৈছে।

## শিৱসাগৰ কমাৰ্চ কলেজত অসমীয়া ক্ৰীড়া সাংবাদিকতাৰ শতবৰ্ষৰ আলোচনাচক্ৰ

**বিশেষ সংবাদদাতা, শিৱসাগৰ, ৩০ আগষ্ট** ঃ অসমৰ ক্ৰীড়া সাংবাদিকতাৰ শতবৰ্ষৰ কাৰ্যসূচী অনুসৰি আজি এখন আলোচনা চক্ৰ অনুষ্ঠিত হয় শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ সভাকক্ষত। আলোচনা চক্ৰখনি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে কৰি সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তই । আলোচনা চক্ৰখনিৰ আদৰণি ভাষণ প্ৰদান কৰি শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমাৰজ্যোতি মহন্তই কয় যে শিৱসাগৰৰ পৰাই 1923 ত ক্ৰীড়াৰ প্ৰথমটো বাতৰি কাকতত প্ৰকাশ পাইছিল। এই বাতৰিটোতেই ক্ৰীড়াৰ সৈতে শিৱসাগৰৰ জনজীৱনক প্ৰতিফলিত কৰিছিল বুলি মহন্তই প্ৰকাশ কৰে। ইয়াৰ লগতে অধ্যক্ষ গৰাকীয়ে কয় যে বৰ্তমান সময়ত ক্ৰীড়া জনজীৱনৰ সৈতে একত্ৰ হৈ পৰিছে। ক্ৰীড়াৰ বৈশিষ্ট হ’ল যে এজন খেলুৱৈক স্বাৱলম্বী কৰি তোলাৰ ক্ষেত্ৰত ক্ৰীড়াৰ ভুমিকা যথেষ্ট থাকে। বৰ্তমান দেশৰ 36 খন বিশ্ববিদ্যালয়ে ক্ৰীড়াৰ পাঠ্যক্ৰম আৰম্ভ কৰিব লৈছে বুলি মহন্তই আদৰণি ভাষণত প্ৰকাশ কৰে। অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি সুবোধ মল্ল বৰুৱাই জনাই যে ক্ৰীড়া সাংবাদিকতাৰ বাতৰিয়ে এশ বছৰ পূৰ্ণ কৰাত অসম ক্ৰীড়া সাংবাদিক সন্থাই একাধিক কাৰ্যসূচী হাতত লৈছে। ইয়াৰ এক অংশ হিচাপে আজি শিৱসাগৰত আলোচনা চক্ৰ অনুষ্ঠিত কৰা হৈছে। শিৱসাগৰত অনুষ্ঠিত কৰাৰ মূল কাৰণটো হ’ল যে শিৱসাগৰৰ পৰাই প্ৰথমটো ক্ৰীড়াৰ বাতৰি প্ৰকাশ পোৱাৰ লগতে অসমত ক্ৰীড়া সাংবাদিকতাৰ আৰম্ভণি প্ৰথমেই শিৱসাগৰৰ পৰাই আৰম্ভ হৈছিল যি অসমৰ ক্ৰীড়া সাংবাদিকতাৰ বাবে এক গৌৰৱ। আলোচনা চক্ৰত অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সম্পাদক ইমতিয়াজ আহমেদ, অসম বেডমিণ্টন সন্থাৰ বিষয়ববীযা তথা যোৰহাট প্ৰেছ ক্লাৱৰক সভাপতি দিগন্ত বুঢ়াগোঁহাই, জ্যেষ্ঠ সাংবাদিক বিদ্যুত কলিতা উপস্থিত থাকে। আজিৰ এই আলোচনা চক্ৰখনতেই 1999 ত শিৱসাগৰ জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত হোৱা বোমা বিস্ফোৰণত অধীক্ষকৰ সৈতে অকাল মৃত্যুক সাৱটি লোৱা পাঁচ গৰাকী লোকৰ ভিতৰত ক্ৰীড়া সাংবাদিক আলফৰিদ ছাজাদ আৰু জিতেুন চুতিয়াও আছিল। এই দুই গৰাকী প্ৰয়াত শ্বহীদ সাংবাদিকৰ পৰিয়ালক অসম ক্ৰীড়া সাংবাদিক সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। আলফৰিদ ছাজাদৰ হৈ তেওঁৰ ভগ্নীয়ে আৰু জিতেুন চুতীয়াৰ হৈ তেওঁৰ পত্নীয়ে এই সম্বৰ্ধনা গ্ৰহণ কৰে। সাংবাদিক ইনামুল হাজৰিকাই আঁত ধৰা তথা সাংবাদিক কৌস্তৰমণি কাকতিয়ে সহযোগিতা কৰা অনুষ্ঠানটোত সাংবাদিক সোমেশ ডেকা, পৱিত্ৰ বৰঠাকুৰ, মনোজ ভাগৱতী আৰু অনুজ ৰাজখোৱাকো সম্বৰ্দনা জ্ঞাপন কৰে সন্থাই।

## প্ৰাইজমানি ফুটবলৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা, বাহাৰঘাট, ৩০ আগষ্ট** ঃ নলবাৰী জিলাৰ বৰভাগ ইউনাইটেড স্প’ৰ্টচ ক্লাৱৰ উদ্যোগত অহা দহ চেপ্টেম্বৰ পৰা পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ডাঃ ৰামদত্ত বুজৰবৰুৱা আৰু ভূপেন শৰ্মা সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমাণী ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। খেলৰ প্ৰথম পুৰস্কাৰ 25 হেজাৰ নগদ ধন সহ চলন্ত ট্ৰফী। দ্বিতীয় পুৰস্কাৰ 20 হেজাৰ নগদ ধন সহ চলন্ত ট্ৰফী। ইতিমধ্যে খেল পৰিচালনাৰ বাবে তবিবৰ ৰহমানক সভাপতি আৰু নাউধন শইকীয়াক সম্পাদক হিচাবে লৈ এখন সমিতি গঠন কৰিছে।

## মুকলি সাঁতোৰ প্ৰতিযোগিতা আৰম্ভ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৩০ আগষ্ট** ঃ নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নগাঁও ছুইমিং পুলত আজিৰে পৰা দুদিনীয়াকৈ নগাঁও জিলাভিত্তিত এখনি মুকলি সাঁতোৰ প্ৰতিযোগিতা আৰম্ভ হৈছে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ চাৰিকুৰিৰো অধিক ল’ৰা-ছোৱালীয়ে ভাগ লোৱা প্ৰতিযোগিতাখনি আজি বিয়লি অৱসৰপ্ৰাপ্ত ক্ৰীড়া বিষয়া চিদানন্দ দিহিঙ্গীয়াই আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। নগাঁও ক্ৰীড়া সংস্থাৰ সাঁতোৰ শাখাৰ সম্পাদক প্ৰান্তৰ ভট্টাচাৰ্যই আঁত ধৰা শুভাৰম্ভণি অনুষ্ঠানত ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা,নুৰুদ্দিন আহমেদ, নাচিৰউদ্দিন আহমেদ, কুমাৰ কমল কেওঁট, গিৰিমা শইকীয়া, অভিনৱ বৰুৱা আৰু আটাউৰ ৰহমান আদি উপস্থিত থাকে। আজি প্ৰথম দিনা ল’ৰা আৰু ছোৱালী উভয়ৰে ফ্ৰী-ষ্টাইলৰ বিভিন্ন বয়স গ্ৰুপৰ খেলসমূহ হোৱা প্ৰতিযোগিতাৰ কাইলৈ বিয়লি সামৰণি পৰিব।





## উত্তৰ পূব টাইকোৱান-ড’ত অসমৰ আধিপত্য

**গুৱাহাটী, ৩০ আগষ্ট** ঃ প্ৰথমবাৰৰ বাবে মহানগৰীৰ দেশভক্ত তৰুণৰাম ফুকন ইনড’ৰ ষ্টেডিয়ামত আয়োজিত উত্তৰ পূব টাইকোৱান-ড’ প্ৰতিযোগিতাত অসমৰ খেলুৱৈয়ে অধিপত্য বিস্তাৰ কৰিছে। উল্লেখ্য যে প্ৰতিযোগিতাখনত মুঠ আঠটা দলে ভাগ লয়। অসম,মিজোৰাম,নগালেণ্ড,মেঘালয়,চিকিম,দিল্লী,বিহাৰ,আৰু হাৰিয়ানা। পুৰুষ মহিলাৰ আঠটাকৈ ওজন শাখাত অনুস্থিত প্ৰতিযোগিতাৰ বিজয়ী আৰু বিজিত সকলে সৰ্বভাৰতীয় চেম্পিয়ন অৱ চেম্পিয়নছ প্ৰতিযোগিতাত অংশ গ্ৰহণৰ সুযোগ লাভ কৰিব । অসম টাইকোৱান-ড’ সন্থাই আয়োজন কৰা প্ৰতিযোগিতাৰ আজিৰ অন্তিম দিনটোত অসম টাইকোৱান-ড’ সন্থাৰ সভাপতি তথা অসম চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা সহিতে ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিতা, অসম টাইকোৱান-ড’ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি তথা মনিপুৰ চৰকাৰৰ মন্ত্ৰী ৱাই খেমচান্দ সিং,বিশ্ব টাইকোৱান-ড’ সমন্বয়ক কৈৰাশ বাহৰি আদি উপস্থিত থাকে।

## আন্তঃজিলা মহিলা ফুটবলত বিজনীৰ জয়

**অগ্ৰদূত বাৰ্তা, তালাপ, ৩০ আগষ্ট** ঃ গোবিন্দ ৰাম মৌৰ আৰু বানাৰশী দেৱী সোঁৱৰণী আন্ত:জিলা চিনিয়ৰ মহিলা দিবা-নৈশ ফুটবল প্ৰতিযোগিতাৰ আজি কৰ্দৈগুৰিৰ বৰগড়া ৰাজহুৱা খেলপথাৰত হোৱা খেলখনত বিজনী ফুটবল দলে কৰিমগঞ্জ ফুটবল দলক 2-1 গলত পৰাজিত কৰে। আনহাতে ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত গুৱাহাটী আৰু কলিয়াবৰ ফুটবল দলৰ মাজত অনুষ্ঠিত হ’বলগীয়া খেল খনত গুৱাহাটী দলটো উপস্থিত নথকাত তিনিচুকীয়া আৰু কলিয়াবৰ ফুটবল দলৰ মাজত প্ৰদৰ্শনীমূলক খেল অনুষ্ঠিত হয়। ।কাইলৈ বৰগড়া খেল পথাৰত তেজপুৰ আৰু মৰাণ ফুটবল দলৰ মাজত দ্বিতীয় ৰাউণ্ডৰ এখন খেল অনুষ্ঠিত হ’ব।



# উদ্ধাৰ হ'ল ডাইন'চৰৰ সৰ্ববৃহৎ কংকাল

## পুনৰ খননকাৰ্য চলিব পৰ্তুগালৰ এক বাগিচাত

**নিউজ ব্যুৰ'**
**লিছবন, ৩০ আগষ্ট ঃ** নিজগৃহৰ বাগিচাত কিবা কাৰণত মাটি খান্দিছিল এজন লোকে। তেতিয়াই এটা বিশেষ গন্ধ নাকত লগাত লোকজনৰ কিবা সন্দেহ উপজিল। মাটি খন্দা বন্ধ কৰি তেওঁ ততাতৈয়াকৈ প্ৰত্নতত্ত্ববিদৰ স'তে যোগাযোগ কৰে। ইয়াৰ পাছত প্ৰত্নতত্ত্ব বিভাগৰ তৰফৰ পৰা বাগিচাখনত খনন কাৰ্য চলোৱাত ওলাই পৰিল এটা ডাইন'চৰৰ কংকাল। দাবী কৰা হৈছে যে এইটোৱেই এই পৰ্যন্ত উদ্ধাৰ হোৱা বিশ্বৰ সবাতোকৈ বৃহৎ আকাৰৰ ডাইন'চৰৰ কংকাল। উক্ত অঞ্চলত পৰৱৰ্তী সময়ত আৰু খননকাৰ্য চলোৱা হ'ব বুলি বিভাগে জনাইছে। সংবাদ সংস্থাৰ সূত্ৰই জনাইছে যে ২০১৭ত পৰ্তুগালত এজন লোকৰ বাগিচাত সেই জীৱাশ্মৰ সন্ধান পোৱা যায়। ইয়াৰ পাছতে খনন কাৰ্য আৰম্ভ হয়। চলিত আগষ্টৰ আৰম্ভণিতে মধ্য পৰ্তুগালৰ পোম্বল চহৰৰ সমীপত উক্ত লোকজনৰ ঘৰৰ বাগিচাত খননৰ পাছত দৈত্যাকাৰ ডাইন'চৰৰ কংকালটো উদ্ধাৰ কৰে পৰ্তুগাল আৰু স্পেইনৰ বিজ্ঞানীৰ দল এটাই। প্ৰত্নতাত্ত্বিকৰ মতে, ইউৰোপত ইয়াৰ পূৰ্বে ইমান ডাঙৰ ডাইন'চৰৰ কংকাল উদ্ধাৰ হোৱা নাছিল। তথ্য অনুসৰি, উদ্ধাৰ হোৱা ডাইন'চৰৰ কংকালটো ছৰোপড প্ৰজাতিৰ। ডাইন'চৰৰ যিমানবোৰ প্ৰজাতি আছে, তাৰ ভিতৰত ছৰোপডেই বৃহত্তম আকাৰৰ। উদ্ধাৰ হোৱা ডাইন'চৰৰ কংকালটোৰ দৈৰ্ঘ্য ১২ মিটাৰ। উচ্চতা ২৫ মিটাৰ। প্ৰায় ১৫ কোটি বছৰৰ পূৰ্বে এইবিধ ডাইন'চৰে পৃথিৱীত বিচৰণ কৰিছিল। এই সন্দৰ্ভত সংবাদ সংস্থাক লিছবন বিশ্ববিদ্যালয়ৰ বিজ্ঞান বিভাগৰ অধ্যাপক এলিজাবেথ মেলাফাইয়াই কয়, 'ইউৰোপত এই প্ৰথম সবাতোকৈ ডাঙৰ ডাইন'চৰৰ কংকাল উদ্ধাৰ হ'ল। হয়তো বিশ্বতো প্ৰথম।'

## পানী শুকাওতেই সন্ধান ওলাল প্ৰাচীন গাঁৱৰ

# এশ বছৰৰ পূৰ্বেই জলাশয়ত বিলীন হৈছিল ইংলণ্ডৰ গাঁওখন

**নিউজ ব্যুৰ'**
**লণ্ডন, ৩০ আগষ্ট ঃ** প্ৰচণ্ড উত্তাপে দহিছে ব্ৰিটেইনক। যাৰ ফলত শুকাই গৈছে নৈ-খাল-বিল আদি। যাৰ ফলতে সন্ধান ওলাল এখন শতাব্দী প্ৰাচীন গাঁৱৰ। দীৰ্ঘদিন ধৰি এই গাঁওখন এটা জলাশয়ৰ পানীৰ তলত ঢাক খাই আছিল। হঠাতে প্ৰকট হৈ পৰিছে গাঁওখনৰ ভগ্নপ্ৰায় ঘৰ, চুবুৰী, ৰাস্তা-ঘাট আদি। ব্ৰিটেইনৰ নিউ য়ৰ্ক শ্বায়াৰত এই দৃশ্য দেখা গৈছে। প্ৰচণ্ড গৰমৰ বাবে নিউ য়ৰ্ক শ্বায়াৰৰ নিদ উপত্যকাৰ স্কাৰ জলাশয়ৰ পানী শুকাই এতিয়া অধিকাংশ মাটি ওলাই পৰিছে। তাতেই প্ৰকট হৈছে বিগত প্ৰায় শতাধিক বছৰ ধৰি পানীৰ তলত থকা গাঁওখন। এই গাঁওখনৰ নাম এই পৰ্যন্ত বিশেষজ্ঞই জানিব পৰা নাই। অৱশ্যে ষষ্ঠদশ শতিকাৰ মানচিত্ৰত এই গাঁওখনৰ অস্তিত্ব বিচাৰি পোৱা গৈছে। সম্প্ৰতি হ্ৰদটোৰ পানী যথেষ্ট পৰিমাণে শুকাইছে। অলপতে উক্ত অঞ্চললৈ এগৰাকী মহিলা ফুৰিবলৈ গৈছিল। তেওঁ হ্ৰদৰ তলৰ পৰা মূৰ দাঙি উঠা প্ৰাচীন গাঁওখনৰ ফটো ফেচবুকত প'ষ্ট কৰে। তাত যিদৰে পাথৰৰ বেৰ থকা ঘৰৰ অৱশিষ্ট দেখা গৈছে, সেইদৰে দেখা গৈছে পাথৰৰ দীঘলীয়া ৰাস্তা। আছে পাথৰৰ তোৰণৰ অৱশিষ্টও। অঞ্চলটো যে একালত জনবসতিপূৰ্ণ আছিল, সেয়া ফটোতেই স্পষ্ট হৈছে। যদিও ১৯২০ত গাঁওখন খালী কৰা হয়। তেতিয়া গাঁওখনত ১,২৫০জন লোকে বাস কৰি আছিল। যদিও বান্ধ দি পানী সংৰক্ষণৰ বাবে তেওঁলোকক আঁতৰি যাবলৈ কোৱা হয়। তাৰ পাছৰ পৰাই গাঁওখন পানীৰ তলত আছিল। উল্লেখ্য যে বিগত এমাহ ধৰি প্ৰচণ্ড গৰমে দহি আছে ব্ৰিটেইনক। বহু স্থানতে পানীৰ অভাৱে দেখা দিছে। স্কাৰৰ এই জলাশয়ৰ পানী শুকাই যোৱাৰ ফলতে এই প্ৰাচীন গাঁওখন প্ৰকাশলৈ আহিল।





## পৰিত্যক্ত কুঠৰীত আবদ্ধ একমাত্ৰ বিবাহিতা কন্যাও বিদেশত

# সোণাৰিত প্ৰাক্তন অধ্যক্ষৰ কৰুণ জীৱনগাথা

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ৩০ আগষ্ট ঃ** পত্নীৰ বিয়োগ, একমাত্ৰ বিবাহিতা কন্যাৰ বিদেশত জীৱন যাপন আৰু আত্মীয়-স্বজনৰ চূড়ান্ত অৱহেলা-অনাদৰত চৰাইদেউ জিলাৰ এজন বিশিষ্ট শিক্ষাবিদে জীৱনৰ বিয়লি বেলাত আবদ্ধ তথা পৰিত্যক্ত এটা কুঠৰীত দুৰ্বিষহ জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। ক'ভিডসৃষ্ট পৰিস্থিতিৰ প্ৰায় আগৰ পৰাই বিশিষ্ট শিক্ষাবিদজনে বাৰ্ধক্যজনিত অসুখত আক্ৰান্ত হৈছিল। কিন্তু পৰৱৰ্তী সময়ত বিশিষ্ট শিক্ষাবিদজনক পৰিচাৰ্য কৰিবলৈ নিকটাত্মীয়ৰ অভাৱ হয়। এনে অৱস্থাত বিদেশত থকা একমাত্ৰ বিবাহিতা কন্যাই বৃদ্ধ পিতৃক পৰিচাৰ্য কৰাৰ বাবে 'কেয়াৰটেকাৰ' নিয়োগ কৰিয়েই দায়িত্ব সামৰে। অবিভক্ত শিৱসাগৰ জিলাৰ স্ত্ৰী শিক্ষাৰ অন্যতম বাটকটীয়া শিক্ষানুষ্ঠানৰূপে চিহ্নিত সোণাৰিৰ পদ্মকুমাৰী বৰুৱা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা সোণাৰি নগৰ নিবাসী ছাফাজুল হুছেইন (চুইট) ছাৰ -এ সম্প্ৰতি জীৱনৰ বিয়লি বেলাত একাকীত্ব জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। লক্ষ্যণীয় দিশটো হ'ল, প্ৰায় ৮০ বছৰত ভৰি দিয়া প্ৰাক্তন অধ্যক্ষ ছাফাজুল হুছেইন (চুইট ছাৰ)ৰ পৰিচাৰ্য কৰিবলৈ বুলি এগৰাকী 'কেয়াৰটেকাৰ'ৰ বাহিৰে সম্প্ৰতি বৃহৎ বাসভৱনটোত কোনো নাই। অমায়িক, সৰবৰহী বিশিষ্ট শিক্ষাবিদজনৰ জীৱনৰ কৰুণ পৰিণতি শেহতীয়াকৈ পোহৰলৈ অহাত চৰাইদেউ জিলাবাসীৰ হৃদয়ত জোঁকাৰণি উঠিছে। একালৰ বিশিষ্ট শিক্ষাবিদজনে সম্প্ৰতি এটা পৰিত্যক্ত আবদ্ধ কোঠাত জীৱন পাৰ কৰিবলগীয়া হৈছে। বাৰ্ধক্যত পৃষ্ট প্ৰাক্তন অধ্যক্ষ হুছেইন 'আলঝেইমাৰ' ৰোগত আক্ৰান্ত। পাহৰি পেলাইছে স্মৃতিশক্তি, শিশুসুলভ আচৰণ। গাত কাপোৰ নাই। বন্ধ কোঠাৰ ভিতৰত শিশুৰ দৰে চুচুৰি চুচুৰি অহা-যোৱা কৰে। প্ৰাক্তন অধ্যক্ষজনৰ বহু গুণমুগ্ধ তথা স্থানীয় ৰাইজে আজি তেওঁক প্ৰত্যক্ষ কৰিবলৈ গৈছিল। অবুজ ভাষাৰে কিবাকিবি কৈছিল একালৰ বিশিষ্ট শিক্ষাবিদজনে। উল্লেখ্য যে প্ৰাক্তন অধ্যক্ষ হুছেইনৰ জীৱনৰ এনে কৰুণ পৰিণতিৰ বাবে নিকট আত্মীয়ৰ মাজত পাৰস্পৰিক অভিযোগ প্ৰতি অভিযোগ উত্থাপিত হৈছে। পদ্মকুমাৰী বৰুৱা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ২০০৭ত অধ্যক্ষ পদত থাকিয়েই হুছেইনে অৱসৰ গ্ৰহণ কৰে। একমাত্ৰ উচ্চ শিক্ষিতা কন্যা আচমা বেগম ২০০৯ত বিবাহসূত্ৰে আমেৰিকাত থাকিবলৈ লয় আৰু তেতিয়াৰে পৰাই সোণাৰি নগৰস্থিত পিতৃ-মাতৃৰ ঘৰৰ স'তে সম্পৰ্ক লাহে লাহে নাইকিয়া হয়। প্ৰায় পাঁচটা বছৰৰ পূৰ্বে ৰোগশয্যাত থকা মাতৃয়ে একমাত্ৰ কন্যা 'আচমা'ক শেষবাৰলৈ দেখা কৰিবলৈ ইচ্ছা কৰিছিল যদিও বিদেশত থকা কন্যা সোণাৰিৰ ঘৰলৈ আহিব নোৱাৰিলে। ইফালে, পত্নীৰ বিয়োগৰ পাছত হুছেইন (চুইট ছাৰ) সম্পূৰ্ণৰূপে নিসংগ হৈ পৰে আৰু বাৰ্ধক্যজনিত ৰোগে পীড়া কৰিবলৈ ধৰে। এনে অৱস্থাত বৃদ্ধ পিতৃক পৰিচৰ্যা কৰিবলৈ কন্যা আচমাই এগৰাকী 'কেয়াৰটেকাৰ' মাহিলি বন্দবস্তিত নিয়োগ কৰে। স্বপ্না বাউৰী নামৰ 'কেয়াৰটেকাৰ'গৰাকীয়ে হুছেইনৰ শুশ্ৰূষাৰ সমগ্ৰ দায়িত্ব গ্ৰহণ কৰিছে। ইফালে, ছাফাজুলৰ নিকটাত্মীয়ই বৃদ্ধ পিতৃক একমাত্ৰ কন্যা আচমাই যথোচিতভাৱে যত্ন নোলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰাই নহয়, প্ৰাক্তন অধ্যক্ষ পিতৃয়ে লাভ কৰা পেঞ্চনৰ সমগ্ৰ টকা নিজৰ একাউণ্টলৈ নিয়াৰ ব্যৱস্থা কৰি লোৱা বুলিও সংবাদ মাধ্যমৰ আগত সদৰী কৰে। অৱশ্যে 'কেয়াৰটেকাৰ' গৰাকীয়ে নিজৰ মাহিলি দৰমহাৰ লগতে পিতৃৰ পৰিচাৰ্য তথা আনুষংগিক খৰচ আদিৰ ধন বিদেশত থকা কন্যা আচমাই নিয়মীয়াকৈ পঠাই থকা বুলি ব্যক্ত কৰিছে।

# শালিধানৰ পথাৰত ছিৰাল ফাট ঃ বৰুণ দেৱতাৰ কৃপা বিচাৰি পথাৰত কৃষকৰ নাম-কীৰ্তন

**অগ্ৰদূত বাৰ্তা**
**ধিং, ৩০ আগষ্ট ঃ** এইবাৰ যেন খৰাঙে কালৰূপ ধাৰণ কৰিছে কৃষকৰ ওপৰত। কালৰূপী খৰাঙত দহিছে কৃষকৰ সোণসেৰীয়া সপোন। প্ৰচণ্ড ৰ'দত ছিৰাল ফাট দিছে শালিধানৰ পথাৰ। মূৰে-কপালে হাত দিছে শ্ৰমজীৱী কৃষক ৰাইজে। নগাঁও জিলাৰ ধিঙৰ পথাৰসমূহত অনাবৃষ্টিৰ ফলত দিছে চিৰাল ফাট। যাক লৈ এতিয়া চিন্তিত হৈ পৰিছে কৃষক ৰাইজ। খৰাঙৰ কবলত নগাঁও জিলাৰ বহু অঞ্চল। বৰষুণৰ অভাৱত এতিয়া শালিধানৰ পথাৰত হা-হুমুনিয়াহ কাঢ়ি এটুপি পানীৰ বাবে পথাৰৰ মাজত এনেদৰে নেদেখাজনৰ ওচৰত নাম-কীৰ্তন কৰি প্ৰাৰ্থনা জনাইছে ধিঙৰ এইসকল কৃষক ৰাইজে। কাৰণ চৰকাৰৰ বিয়াগোম জলসিঞ্চন বিভাগৰ ওপৰত তিলমাত্ৰ ভৰসা নাই এইসকল কৃষক ৰাইজৰ। ধিং আঠগাঁৱত আজিৰ পৰা ন বছৰ পূৰ্বেই কৃষক ৰাইজৰ সহায় হোৱাকৈ স্থাপন কৰা হৈছিল অগভীৰ নলী-নাদৰ এখন আঁচনি, আঁচনিখনত নিয়োগ কৰা হৈছিল কে'বাজনো বিষয়া-কৰ্মচাৰীক। কিন্তু আঁচনিখন আৰম্ভ হোৱাৰ দুবছৰ মানৰ পাছতেই যি বিকল হ'ল আজিকোপতি বিভাগীয়ভাৱে পুনৰ কাৰ্যক্ষম কৰি তুলিবলৈ সক্ষম নহ'ল নগাঁও জিলা সংমণ্ডলে, তাৰ বিপৰীতে চৰকাৰৰ নিৰ্ধাৰিত দৰমহা লৈ ঠিকেই বিলাসী জীৱন কটাইছে সংমণ্ডলটোৰ প্ৰতিজন শীৰ্ষ বিষয়া-কৰ্মচাৰীয়ে।




**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com